www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ব্যক্তিগত অভিজ্ঞতা অবিহনে মানুহে বহুতো প্ৰকৃত সত্যৰ সম্পূৰ্ণ অৰ্থ কেতিয়াও হৃদয়ংগম কৰিব নোৱাৰে। - জন ষ্টুৱাৰ্ট মিল


শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২৬৯ | সোমবাৰ | ২৯ ডিচেম্বৰ, ২০২৫ চন | ১৩ পুহ, ১৯৪৭ শক | VOL - 6 | NO.- 269 | Monday | 29th December, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮



পুৰা গুৱাহাটীত উপস্থিত হ'ব আমিত শ্বাহ

## কুঁৱলীৰ বাবে গৃহমন্ত্ৰীৰ নিশাৰ অসম ভ্ৰমণ স্থগিত

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰস্তাৱিত অসম ভ্ৰমণসূচীত সাময়িক পৰিৱৰ্তন ঘটিছে। প্ৰবল কুঁৱলীৰ ফলত বিমান চলাচলত ব্যাঘাত জন্মাৰ বাবে গৃহমন্ত্ৰীগৰাকীৰ দেওবাৰে নিশা গুৱাহাটীত উপস্থিত হোৱাৰ যাত্ৰা স্থগিত ৰখা হৈছে। ফলত দুদিনীয়া ভ্ৰমণ এদিনীয়ালৈ সংক্ষিপ্ত হৈছে। প্ৰাপ্ত তথ্য » ৬ পৃষ্ঠাত

## আজি মুকলি হ'ব উত্তৰ-পূবৰ আটাইতকৈ ডাঙৰ অত্যাধুনিক জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকল্পটো পৰিদৰ্শন কৰি ফেচবুক লাইভযোগে অসমৰ ৰাইজক অৱগত




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ ডিচেম্বৰ ঃ** অসমৰ সাংস্কৃতিক জগতলৈ এক নতুন মাইলৰ খুঁটি স্থাপন হ'বলৈ ধৰিছে। সোমবাৰে অৰ্থাৎ ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গুৱাহাটী মহানগৰীত অত্যাধুনিক জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহৰ শুভ উদ্বোধন কৰিব। এই প্ৰেক্ষাগৃহ » ৬ পৃষ্ঠাত

❑ বটদ্ৰৱালৈ যোৱাৰ পূৰ্বে অসম আন্দোলনৰ শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জনাব অমিত শ্বাহে ❑

# নিৰ্বাচনী ৰণডংকা বজাবলৈ আজি অসমলৈ গৃহমন্ত্ৰী

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ ডিচেম্বৰ ঃ** আজি অসমলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। বিভাগীয় তথ্য অনুসৰি আজি (দেওবাৰ) নিশাৰ ভাগত দুদিনীয়া অসম ভ্ৰমণসূচী হাতত লৈ গুৱাহাটীত উপস্থিত হ'ব গৃহমন্ত্ৰী শ্বাহ। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটাব। সোমবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে এখন ৰাজহুৱা সভাটো অংশ কৰিব। জানিব পৰা মতে, বটদ্ৰৱালৈ যোৱাৰ পূৰ্বে গৃহমন্ত্ৰী অমিত শ্বাহে অসম আন্দোলনৰ শ্বহীদসকলক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জনাব। তাৰ পাচতে তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান নগাঁৰৰ বটাদ্ৰৱা থানলৈ ৰাওনা হ'ব। তাৰ পিচতে গুৱাহাটীলৈ উভতি আহি শ্বাহে গুৱাহাটী আৰক্ষী আয়ুক্তৰ নতুন ভৱন আৰু মহানগৰীৰ » ৬ পৃষ্ঠাত





অমিত শ্বাহৰ ভ্ৰমণৰ পূৰ্বে নিৰীক্ষণ কৰিলে প্ৰকল্পস্থলী

### বটদ্ৰৱা প্ৰকল্পস্থলী পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

**অসম বাৰ্তা, বটদ্ৰৱা, ২৮ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানত নিৰ্মাণ হোৱা » ৬ পৃষ্ঠাত

### খেৰণিত 'কাৰ্বি গ'বেক' ধ্বনি দিয়া তিনি যুৱকৰ বিৰুদ্ধে এজাহাৰ দাখিল

**ষ্টাফ ৰিপৰ্টাৰ, ডিফু, ২৮ ডিচেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলঙৰ খেৰণি অঞ্চলত শেহতীয়াকৈ সংঘটিত » ৬ পৃষ্ঠাত

### অগপ-বিজেপিৰ মাজত আসন ভাগ-বাটোৱাৰাৰ কোনো সমস্যা নাই ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসমলৈ আগন্তুক ভ্ৰমণ আৰু এনডিএ » ৬ পৃষ্ঠাত

তেজপুৰত কংগ্ৰেছৰ প্ৰতিষ্ঠা দিৱসত গৌৰৱ গগৈৰ ঘোষণা

## '২৬ত ১০০খন আসনত অকলেই প্ৰতিদ্বন্দ্বিতা কৰিব বিৰোধী কংগ্ৰেছে



২৬খন আসন কোন কোন দলক এৰি দিব কৰা হ'ব আলোচনা

**ষ্টাফ ৰিপৰ্টাৰ, তেজপুৰ, ২৮ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হৈ উঠিছে। নিৰ্বাচন আয়োগে এতিয়াও তাৰিখ ঘোষণা নকৰিলেও ৰাজনৈতিক দলসমূহে নিজৰ কৌশল নিৰ্ধাৰণ কৰিবলৈ আৰম্ভ » ৬ পৃষ্ঠাত

RBIৰ তথ্য অনুসৰি ঐতিহাসিক অৰ্থনৈতিক সাফল্য

## অসম দেশৰ আটাইতকৈ দ্ৰুতগতিত বিকশিত ৰাজ্য



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৮ ডিচেম্বৰ ঃ** ভাৰতীয় ৰিজাৰ্ভ বেংকৰ (RBI) সদ্য প্ৰকাশিত তথ্যই এক সুখবৰ কঢ়িয়াই অনাৰ লগতে অসমৰ অৰ্থনৈতিক যাত্ৰাত নতুন মাইলৰ খুঁটি স্থাপন কৰিছে। স্থিৰ মূল্যত গণনা কৰা সামগ্ৰিক ৰাজ্যিক ঘৰুৱা » ৬ পৃষ্ঠাত

❑ খোল খাইছে দোকান-পোহাৰ, ইণ্টাৰনেট সেৱা পুনৰ আৰম্ভ ❑

## কাৰ্বিভূমিলৈ উভতি আহিছে ক্ৰমাৎ শান্তিৰ পৰিৱেশ




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ ডিচেম্বৰ ঃ** শেহতীয়াকৈ হিংসাত্মক ঘটনাই জৰ্জৰিত হৈ পৰা পশ্চিম কাৰ্বি আংলঙৰ » ৬ পৃষ্ঠাত

ধৰ্মান্তৰকৰণৰ বিৰোধিতাৰে স্পষ্ট বাৰ্তা

### বজৰং দলৰ সমৰ্থনত সাংসদ দিলীপ শইকীয়া



**ষ্টাফ ৰিপৰ্টাৰ, নলবাৰী, ২৮ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক বিজেপিৰ সভাপতি তথা দৰং-উদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই নলবাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কি বাত' অনুষ্ঠানত অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ আগত » ৬ পৃষ্ঠাত

মাজুলীত বিজেপিৰ বিৰুদ্ধে অগপৰ ক্ষোভৰ উদগীৰণ

## নিজৰ ভাতৃ বিধায়কৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতাৰ হুংকাৰ জিলা সভাপতিৰ




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৮ ডিচেম্বৰ ঃ** ৰঙিয়াত অগপৰ বিদ্ৰোহৰ পিছত এতিয়া মাজুলীতো বিজেপিৰ বিৰুদ্ধে অসন্তোষৰ ঢৌ উঠিছে। মিত্ৰজোঁটৰ ধৰ্ম পালন নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি অসম গণ পৰিষদৰ (অগপ) মাজুলী জিলা সমিতিয়ে বিজেপিৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰিছে। আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত প্ৰয়োজন হ'লে নিজৰ ভাতৃ তথা বৰ্তমানৰ বিধায়ক ভুবন পেগুৰ » ৬ পৃষ্ঠাত

তিনি শতাধিক কৰ্মীৰ যোগদান, অখিল গগৈৰ বিজেপিক প্ৰধান শত্ৰু ঘোষণা

## ধেমাজিত ৰাইজৰ দলৰ বিশাল কৰ্মী যোগদান সভা

**ষ্টাফ ৰিপৰ্টাৰ, ধেমাজি, ২৮ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে ৰাইজৰ দলৰ শক্তি বৃদ্ধিৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ দেখা গৈছে ধেমাজি জিলাত। দেওবাৰে ধেমাজি নগৰৰ ভৰালীচুকস্থিত স্বাগত হোটেলত ৰাইজৰ দলৰ ধেমাজি » ৬ পৃষ্ঠাত



### খেৰণিত হিংসাৰ বলি হোৱা পৰিয়াললৈ সমবেদনা কংগ্ৰেছৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিফু, ২৮ ডিচেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলঙৰ খেৰণি অঞ্চলত শেহতীয়াকৈ সংঘটিত হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত পৰিস্থিতি ক্ৰমাৎ শান্ত হোৱাৰ মাজতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ » ৬ পৃষ্ঠাত



২৬৫ বিঘা চৰকাৰী চৰণীয়া ভূমিত উচ্ছেদ অভিযান

## বাঘমাৰীত বেদখলীকৃত ভূমিত প্ৰশাসনৰ বুলড'জাৰ

### সাংবাদিকৰ প্ৰৱেশ নিষিদ্ধ-কৰণক লৈ তীব্ৰ প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, বিশ্বনাথ চাৰিআলি, ২৮ ডিচেম্বৰ ঃ** বিশ্বনাথ জিলা প্ৰশাসনে আজি পুৱা ৬ বজাৰ পৰা বিহালী মহকুমাৰ বাঘমাৰী অঞ্চলত বৃহৎ উচ্ছেদ অভিযান আৰম্ভ কৰিছে। মুঠ ২৬৫ বিঘা ৩ কঠা » ৬ পৃষ্ঠাত

শ্ৰদ্ধাঞ্জলি



স্বৰ্গীয় চাৰুবালা মালাকাৰ

(জন্ম ঃ ১ জুলাই, ১৯৪৭ মৃত্যু ঃ ১৮ ডিচেম্বৰ, ২০২৫)

আজি ইং ২৯-১২-২০২৫ তাৰিখে আপোনাৰ আদ্যশ্ৰাদ্ধৰ দিনা পৰম শ্ৰদ্ধাৰে আপোনাক সুঁৱৰিছো আৰু ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ যাতে আপোনাৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰে।

শোকসন্তপ্ত পৰিয়ালবৰ্গৰ হৈ,

দীপিকা মালাকাৰ (জীয়ৰী)
গোবিন্দ মালাকাৰ (জোঁৱাই)
বিপাঞ্চী মালাকাৰ (ডাঙৰ নাতিনী)
সংস্কৃতা মালাকাৰ (সৰু নাতিনী)

“বিশ্বৰ বজাৰত অসমৰ চাহে ৫০ শতাংশ অধিকাৰ কৰি আছে”

# চাহ উদ্যোগৰ দুশ বছৰ উপলক্ষত ডুমডুমা মহাবিদ্যালয়ৰ বিশেষ অনুষ্ঠান ‘সেউজী পাতৰ কাহিনী’ত প্ৰখ্যাত সাংবাদিক ডঃ সমুদ্ৰগুপ্ত কাশ্যপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ ডিচেম্বৰ ঃ** দুশ বছৰ অতিক্ৰম কৰা অসমৰ চাহ শিল্প আজি অনেক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বিশ্বৰ বজাৰত অসমৰ চাহৰ প্ৰভুত্ব থকাৰ পাছতো আজি অসমৰ চাহ উদ্যোগলৈ সংকট নামি আহিছে। অসমীয়া জাতীয় জীৱনত সৈতে সংপৃক্ত হৈ চাহ উদ্যোগে অসমৰ অৰ্থনীতিৰ বুনিয়াদ ৰচনা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। চাহ শিল্পৰ এই দুশ বছৰীয়া বৰ্ণিল যাত্ৰাক অৱলোকন কৰি এই চাহ উদ্যোগক কিদৰে অধিক শক্তিশালী কৰিব পাৰি তাৰ নিৰ্মোহ আলোচনা, ক্ষুদ্ৰ চাহ খেতিয়কৰ দ্বাৰা উৎপাদিত চাহে দেশৰ চাহৰ বজাৰত ৫৫ শতাংশ দখল কৰি থকাৰ পাছতো এই উদ্যোগটোৰ প্ৰতি অহা প্ৰত্যাহ্বানক কিদৰে প্ৰতিহত কৰিব পাৰি সেই বিষয়ে চিন্তা চৰ্চা কৰিবলৈ শুকুৰবাৰে ডুমডুমা মহাবিদ্যালয়ত “সেউজী পাতৰ কাহিনী” নামৰে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ডুমডুমাৰ ‘এলাইড গেছ চাৰ্ভি ছেচ’ আৰু ‘ৰূপাই টি (প্ৰচেছিং) কোম্পানী’ৰ সহযোগত ডুমডুমা মহাবিদ্যালয়ে আয়োজন কৰা অনুষ্ঠানটিত তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ চাহ বাগিছা, কলঘৰ আদিৰ সৈতে জড়িত ব্যক্তি বিশেষ, বাগিছাৰ পৰিচালক, আদিয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সমল ব্যক্তি হিচাবে অংশ লৈ বিশিষ্ট সাংবাদিক, লেখক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ডঃ সমুদ্ৰগুপ্ত কাশ্যপে




আগবঢ়োৱা এক দীঘলীয়া বক্তব্যত অসমত চাহৰ ইতিহাস, চাহৰ সৈতে অসমৰ থলুৱা লোকসকল কেনেদৰে জড়িত আছিল তাৰ ব্যাখ্যা আগবঢ়ায়। তেখেতে “চাহে আমাক পোহৰ দিয়া” বুলি কৈ চাহে পৰিবেশ সেউজীয়া কৰাত বিশেষ অৰিহণা থকাৰ কথা উল্লেখ কৰে। চাহৰ বাবে অসমৰ জলবায়ুৰ পৰিবৰ্তন হোৱা, ভূমি সুৰক্ষিত হৈ থকাৰ উপৰিও যোগাযোগৰ ক্ষেত্ৰত ৰেলৰ সংযোগ লগতে এলেকা বিশেষে চাহ কোম্পানীয়ে বিদ্যালয় - মহাবিদ্যালয় আদিত অনুদান আগবঢ়াই সমাজৰ প্ৰগতিত অৰিহণা যোগোৱা বুলি উল্লেখ কৰে। আনকি চাহ উদ্যোগে অসমৰ সাংস্কৃতিক পৰিবেশ আৰু অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা বুলিও তেখেতে কয়। “আজি পৃথিৱীৰ চাহৰ বজাৰত ৫০ শতাংশ চাহ অসমৰ বুলি” দাবী কৰি তেখেতে উদ্যোগটো আগবঢ়াই নিয়াৰ বাবে নীতি পৰিবৰ্তন কৰাত গুৰুত্ব আৰোপ কৰে। ডুমডুমা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্তৰ সভাপতিত্বত অনুষ্ঠিত এই বিশেষ আলোচনা সভাত সমল ব্যক্তি হিচাবে অংশগ্ৰহণ কৰি ৱাৰেন টি লিমিটেডৰ ভুতপূৰ্ব সঞ্চালক উদ্ধৱ চন্দ্ৰ শৰ্মাই আজিৰ পৰিস্থিতিত চাহ উদ্যোগ চলি থাকিলে আৰু ১৫ বছৰৰ পাছত এই উদ্যোগটো এক প্ৰকাৰে বন্ধ হৈ পৰাৰো ইংগিত দিয়ে। তেখেতে চাহৰ উৎপাদনৰ খৰচ আৰু বজাৰৰ দৰৰ মাজত থকা বৃহৎ পাৰ্থক্যই ইয়াৰ প্ৰতি ভাবুকি অহা বুলি বিভিন্ন দিশ ফঁহিয়াই দেখুৱাই। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই দিয়া আদৰণি ভাষণত চাহৰ সৈতে জড়িত সকলোকে এই অনুষ্ঠান আয়োজনৰ সম্পৰ্কত অৱগত কৰে। অনুষ্ঠানত টিংখং মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মৌচুমী গগৈ, সাংবাদিক অৰ্জুন বৰুৱা আৰু ধীৰেন ডেকা, ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ দ্ৰোণ চাৰিঙীয়া ফুকন, সুচেন মৰাণ, অজিত গগৈ, তচদীক গজনভী; বট লিফ ফেক্টৰীৰ প্ৰতিনিধি মনজিৎ সিং আৰু ৰাজকুমাৰ গাৰোদিয়া, অসম চাহ মজদুৰ সংঘৰ ডুমডুমা শাখাৰ সম্পাদক ৰাহুল তাঁতী, যুৱ সমাজকৰ্মী ভৰত নায়ক, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, আদিয়ে অংশগ্ৰহণ কৰি নিজৰ নিজৰ মন্তব্য প্ৰকাশ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি চাহ শিল্পই দুশ বছৰ অতিক্ৰম কৰা বাবে দুটা চাহ পুলি মহাবিদ্যালয়ৰ চৌহদত ৰোপণ কৰে উদ্ধৱ চন্দ্ৰ শৰ্মা আৰু দ্ৰোণ চাৰিঙীয়া ফুকনে। ‘জনতাৰ শিল্পী’ জুবিন গাৰ্গৰ সোঁৱৰণত এটি নাহৰৰ পুলি ৰোপণ কৰে মহিলা ক্ষুদ্ৰ চাহ খেতিয়ক প্ৰণতি ফুকনে। অনুষ্ঠানত বিভিন্নজনে চাহ শিল্পৰ বিভিন্ন দিশৰ সৈতে জড়িত হ'বলৈ ডুমডুমা মহাবিদ্যালয়ক আহ্বান জনায়। অনুষ্ঠানত ডুমডুমা মহাবিদ্যালয়ৰ উদ্যোগত এখন সমন্বয়ৰক্ষী সমিতি গঠন, চাহৰ লগত জড়িত এটা লিভিং লেব আৰু চাহৰ মিউজিয়াম স্থাপন, ভূমি পৰীক্ষাগাৰ, চাহ সম্পৰ্কীয় জৰীপ চলোৱাৰ লগতে ডুমডুমাক চাহৰ পৰ্যটন কেন্দ্ৰ হিচাপে গঢ় দি ৰাজহ সংগ্ৰহৰ দিশত গুৰুত্ব দি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। লগতে ডুমডুমা মহাবিদ্যালয়ৰ উদ্যোগত মহাবিদ্যালয়ত এক ‘চাহ উৎসৱ’ (Tea Festival) অনুষ্ঠিত কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হয়। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যাপিকা কৰবী বৰাই আঁত ধৰা অনুষ্ঠানটিৰ শেষত অধ্যাপিকা ড° কাবেৰী বৰপূজাৰী শৰ্মাইশলাগ জ্ঞাপন কৰে।

# কাঠফুলা খেতিৰে স্বাৱলম্বিতাৰ অপূৰ্ব নিদৰ্শন জুনমনি দেৱীৰ

## মহিলা স্বাৱলম্বনৰ এক উৎকৃষ্ট নিদৰ্শন

**অসম বাৰ্তা, নগাঁও, ২৭ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ কৃষি ক্ষেত্ৰত উদ্যোগীকৰণৰ ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰচেষ্টাই যে এটা কৰ্মমুখী আন্দোলন গঢ়ি তুলিব পাৰে তেনে এটা নিদৰ্শন দেখুৱাইছে চৰাইবাহী অঞ্চলৰ মায়েঙীয়া গাঁৱৰ দুই সন্তানৰ মাতৃ জুনমণি দেৱীয়ে। শিক্ষিত বোৱাৰী জুনমণি দেৱীয়ে সম্প্ৰতি কাঠফুলা খেতিৰ জৰিয়তে স্বাৱলম্বিতাৰ পথ দেখুৱাইছে। জীৱনত যিকোনো ব্যৱসায় কৰি অৰ্থনৈতিকভাৱে সফলতা অৰ্জন কৰিবৰ বাবে কেৱল মূলধনৰ ওপৰতে এজন লোকৰ সফলতা নিৰ্ভৰ নকৰে। পৰ্যাপ্ত পৰিমাণৰ মূলধন নাথাকিলেও মনত যদি অদম্য কৰ্মস্পৃহা আৰু একাগ্ৰতা থাকে তেন্তে সামান্য মূলধনেৰে আৰম্ভ কৰা এটি ব্যৱসায়ৰ দ্বাৰাও নিজক প্ৰতিষ্ঠা কৰিব পাৰি এজন সফল ব্যৱসায়ী হিচাপে। একেদৰে কৃষি উদ্যোগীকৰণৰ প্ৰচুৰ সম্ভাৱনা থকা অসমত নিবনুৱা যুৱক-যুৱতীসকলে আত্মবিশ্বাস আৰু নিষ্ঠাৰে মনোনিৱেশ কৰিলে অসমৰ নিবনুৱা সমস্যা বহুলাংশে নিৰ্মূল হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। কৃষি উদ্যোগীকৰণৰ ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰচেষ্টাই অসমত এক কৰ্মমুখী আন্দোলন গঢ়ি তুলিব পাৰি পাৰি। তেনে এক দৃষ্টান্ত দেখুৱাইছে চৰাইবাহী অঞ্চলৰ মায়েংগীয়া গাঁৱৰ দুই সন্তানৰ মাতৃ জুনমণি দেৱীয়ে। শিক্ষিত বোৱাৰী জুনমণি দেৱীয়ে সম্প্ৰতি কাঠফুলা (MUSHROOM) খেতিৰে স্বাৱলম্বিতাৰ পথ দেখুৱাইছে। জুনমণিয়ে দেখুৱাইছে কৃষিক উদ্যোগীকৰণ কৰা এক ক্ষুদ্ৰ প্ৰচেষ্টা। নিজৰ পৰিয়ালৰ সকলো কাম-কাজ কৰাৰ উপৰি জুনমণি দেৱীয়ে ঘৰৰ কাষতে কাঠফুলা খেতি আৰম্ভ কৰে ২০২১ চনৰ পৰা। প্ৰথম অৱস্থাত জুনমণি দেৱীয়ে ১০০-২০০ চিলিস্তবত কাঠফুলা খেতি পৰীক্ষামূলকভাৱে আৰম্ভকৰে। বৰ্তমান জুনমণি দেৱীয়ে চিলিঞ্জৰৰ সংখ্যা ১, ৫০০লৈ বৃদ্ধি কৰিছে। উল্লেখ্য যে কাঠফুলা বৰ্তমান সময়ত সৰহসংখ্যক লোকৰে প্ৰ'টিনযুক্ত প্ৰিয় খাদ্য। কাঠফুলাৰ পাইকাৰী বজাৰৰ মূল্য প্ৰতিকেজিত ১৩০-১৫০ টকা। আনহাতে খুচুৰা মূল্য ২০০ টকা। প্ৰতিটো চিলিণ্ডাৰত জুনমণিয়ে কাঠফুলা উৎপাদন কৰে ২-৩ কেজি। জুনমণি দেৱীয়ে জনোৱা মতে, কাঠফুলাৰ বীজ ৰোপণ কৰাৰ তিনি মাহৰ ভিতৰত বিক্ৰী কৰিব পাৰি। বছৰত একেটা স্থানতে তিনিবাৰ পৰ্যন্ত কাঠফুলা খেতি চপাব পাৰি। কাঠফুলাৰ কৃষি কৰিব খোজা আগ্ৰহী লোকসকলে মাটিৰ বাবেও চিন্তা কৰিব। নালাগে। কিয়নো কৃষিভূমি নথকা লোকসকলেও ঘৰৰ কাষতে এখন চালি বনাই নাইবা ছাদৰ ওপৰতো বৰযুণ পৰিব নোৱাৰাকৈ চালি বনাই কাঠফুলাৰ খেতি কৰিব পাৰে। সম্প্ৰতি কাঠফুলাৰ খেতিক মূল্য সংযোজন প্ৰক্ৰিয়াৰে জুনমণি দেৱীয়ে কৃষি উদ্যোগীকৰণৰ ক্ষুদ্ৰ প্ৰয়াস কৰিছে। জুনমণি দেৱীৰ এনে প্ৰচেষ্টা অতি আদৰণীয়। যাৰ বাবে এতিয়া কাঠফুলা খেতিৰ ওপৰতে নিৰ্ভৰ কৰি জুনমণি দেৱীয়ে কাঠফুলাৰ পৰা ঘৰতে আচাৰ, দৈ, বিভিন্ন বিস্কুট, প্ৰ'টিন পাউডাৰ, পকৰী আদি প্ৰস্তুত কৰি বজাৰ দখল কৰিছে। উৎপাদিত সামগ্ৰীসমূহৰ গুণগত মানো যথেষ্ট উন্নত। যাৰ বাবে জুনমণি দেৱীয়ে উৎপাদন কৰা সামগ্ৰীৰ বজাৰৰ বাবেও কোনো অসুবিধা লাভ কৰা নাই। বহু গ্ৰাহকে কাঠফুলা নিজৰ ঘৰত খাবৰ বাবে জুনমণিৰ ঘৰৰ পৰাই খুচুৰা দৰত ক্ৰয় কৰে। সম্প্ৰতি দিনে দিনে জুনমণিয়ে উৎপাদন কৰা সামগ্ৰীসমূহৰ বজাৰখন সম্প্ৰসাৰিত হৈছে। জুনমণিয়ে ইয়াৰ দ্বাৰা নিজে স্বাৱলম্বী হোৱাৰ উপৰি অঞ্চলটোৰ বহু মহিলাৰ বাবে আদৰ্শ স্বৰূপ হৈ পৰিছে। যাৰ বাবে অঞ্চলটোৰ বহু মহিলা আগবাঢ়ি আহিছে কাঠফুলা খেতি কৰিবৰ বাবে। এইক্ষেত্ৰত জুনমণি দেৱীয়ে আগ্ৰহী মহিলাসকলক কাঠফুলা খেতি কৰা পদ্ধতি সম্পৰ্কে হাতে-কামে শিকাই বহু মহিলাক উপকৃত কৰিছে। জুনমণিৰ মতে, ঘৰত এনেই শুই-বহি সময় অতিবাহিত কৰা মহিলাসকলেও বোকা-পানী নগচকাকৈ ঘৰতে নিজৰ পৰিয়ালৰ কাম-কাজ কৰিও ব্যৱসায়িকভাৱে কৰিব পৰা অতি উত্তম খেতি হৈছে কাঠফুলা। স্বাস্থ্যৰ বাবেও অতি উত্তম প্ৰ'টিন জাতীয় খাদ্য হিচাপে বৰ্তমান চিহ্নিত হোৱা কাঠফুলা খেতিত নিবনুৱা যুৱক-যুৱতীসকলে নিজকে আত্মনিয়োগ কৰিলে নিঃসন্দেহে যে সফলতা অৰ্জন কৰিব পাৰিব তাত কোনো সন্দেহ নাই। তদুপৰি এই খেতিৰ বাবে বৃহৎ পুঁজিৰো প্ৰয়োজন নাই। অদম্য কৰ্মস্পৃহা আৰু আত্মবিশ্বাস থাকিলে মানুহে যিকোনো কৰ্মৰ জৰিয়তে নিজক যে স্বাৱলম্বী কৰি তুলিব পাৰে তাৰেই যেন জীৱন্ত উদাহৰণ চৰাইবাহী অঞ্চলৰ মায়েংগীয়া গাঁৱৰ কাঠফুলাৰ আদৰ্শ কৃষক জুনমণি দেৱী।

অসমীয়া-ইংৰাজীত সাহিত্য চৰ্চা অব্যাহত ৰাখিছে গুৱাহাটী এম এই টি ছাত্ৰ গীতাৰ্থই

# ডিগবৈৰ যুৱ লেখক গীতাৰ্থ বৰুৱাই লাভ কৰে ৰাজ্য চৰকাৰৰ যুৱ লেখক সন্মান; বিভিন্নজনৰ অভিনন্দন জ্ঞাপন

**অসম বাৰ্তা, ডিগবৈ, ২৭ ডিচেম্বৰ ঃ** ৰাজ্য চৰকাৰে অসমৰ যুৱ প্ৰজন্মৰ লেখক-লেখিকা সকলক সাহিত্য চৰ্চা অব্যাহত ৰাখিবলৈ উৎসাহ আৰু উদগনি যোগোৱাৰ অৰ্থে শেহতীয়াকৈ জলপানী আৰু সন্মান প্ৰদান কৰা দেখা গৈছে। সেই অনুসৰি, অসম চৰকাৰে ‘গ্ৰন্থবৰ্ষ - ২০২৫’ উপলক্ষে ৰাজ্যখনৰ ৮১৮ গৰাকী যুৱ লেখক-লেখিকাক ‘যুৱ লেখক সন্মান’ প্ৰদান কৰিছে। যোৱা ২৪ ডিচেম্বৰত গুৱাহাটী খানাপাৰা পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হোৱা ‘অসম গ্ৰন্থমেলা’ প্ৰাঙ্গণত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ‘যুৱ লেখক সন্মান’ স্বৰূপে ২৫ হাজাৰকৈ টকা প্ৰদান কৰি অসমৰ



বিভিন্ন প্ৰান্তৰ ৮১৮ গৰাকী যুৱ লেখকৰ সৃষ্টিশীল সাহিত্য চৰ্চাৰ বাবে অনুপ্ৰেৰণা প্ৰদান কৰে। উল্লেখ যে, ৰাজ্য ৮১৮ গৰাকী যুৱ লেখকৰ ভিতৰত ডিগবৈ সন্তান গীতাৰ্থ বৰুৱা নিৰ্বাচিত হৈছিল। যোৱা ২৪ ডিচেম্বৰত গুৱাহাটী অসম গ্ৰন্থমেলা বাকৰিত এই জলপানি আৰু সন্মান গ্ৰহণ কৰে গীতাৰ্থ বৰুৱাই। ডিগবৈ পৌৰসভাৰ কৰ্মচাৰী, সমাজকৰ্মী পিতৃ ৰাজেশ বৰুৱা আৰু সাহিত্য চৰ্চা লগতে লেখা-মেলা সৈতে জড়িত মাতৃ বিজয়া বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ গীতাৰ্থ বৰুৱা বৰ্তমাম গুৱাহাটী MIT অধ্যয়নৰত ছাত্ৰ। নিজৰ অধ্যয়নৰ লগতে গীতাৰ্থই অসমীয়া আৰু ইংৰাজী সাহিত্যৰ ওপৰত সাহিত্য চৰ্চা অব্যাহত ৰাখিছে। সৰুৰে পৰা বিভিন্ন শিশু আলোচনী মৌচাক, সঁফুৰা আদিত লেখা-মেলা কৰি কৰাৰ উপৰিও দৈনিক জনমভূমি, অসমীয়া প্ৰতিদিন, আমাৰ অসম, দৈনিক অসম আদি কাকতত বিভিন্ন বিষয় সম্পৰ্কে লেখা প্ৰকাশ কৰি আহিছে গীতাৰ্থই। ইয়াৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হোৱা এক ছেমিনাৰতো অংশগ্ৰহণ কৰিছে ডিগবৈ যুৱ লেখকগৰাকীয়ে। ইতিমধ্যে এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হোৱা সাহিত্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা গীতাৰ্থই স্কুলীয়া শিক্ষা গ্ৰহণ কৰা সময়তো ৰাজ্য বহু আগশাৰী ব্যক্তি তথা অনুষ্ঠানৰ পৰাও সন্মান বুটলিবলৈ সক্ষম হৈছিল গীতাৰ্থই। যুৱ লেখকগৰাকীয়ে শেহতীয়াকৈ লাভ কৰা ‘যুৱ লেখক সন্মান’ৰ বাবে ডিগবৈৰ বিভিন্নজনে তেওঁক শুভেচ্ছা জ্ঞাপন কৰিছে।

জামুগুৰিত পানী সৰবৰাহৰ নলা খান্দি আধৰুৱা কৰিলে, সঘনাই দুৰ্ঘটনা

# জাঁজী-জামুগুৰিত ফৰ'লেন নিৰ্মাণকাৰী সংস্থাৰ অবিবেচক কাণ্ড

**অসম বাৰ্তা, জাঁজী, ২৭ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ জাঁজীৰ পৰা ডিমৌলৈকে প্ৰায় ৪৪ কিঃমিঃ দৈৰ্ঘ্যৰ পূৰ্বৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটো কেন্দ্ৰীয় চৰকাৰৰ ঘাইপথ মন্ত্ৰাল য়ে চাৰিশৰীয়া পথলৈ সম্প্ৰসাৰণ কৰি সম্প্ৰতি দ্ৰুত গতিত পথটোৰ নিৰ্মাণ কাৰ্য চলি আছে। কেন্দ্ৰীয় চৰকাৰৰ ঘাই পথ মন্ত্ৰালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড (এন এইচ আই ডি চি এল)ৰ তত্ত্বাৱধানত নিৰ্মাণ কাৰ্য চলি থকা উক্ত পথছোৱাৰ ২০১৬ বৰ্ষতে নিৰ্মাণকাৰ্য শুভাৰম্ভ কৰা হৈছিল যদিও যোৱা ৯ বছৰেও সম্পূৰ্ণ নহ'ল। পূৰ্বৰ কেইবাটাও পথ নিৰ্মাণকাৰী সংস্থাই নিৰ্মাণ কাৰ্য আধাতে এৰি থৈ যোৱাত কেন্দ্ৰীয় পথ পৰিবহণ আৰু যোগাযোগ মন্ত্ৰী নীতীন গাডকাৰীৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতা যোৰহাটৰ পৰা ডিব্ৰুগড় পৰ্যন্ত সুদীৰ্ঘ পথছোৱা যোৱা বৰ্ষৰ নৱেম্বৰ মাহৰ পৰা দেশৰ ১১টা মান আগশাৰী পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানক ভাগ ভাগ কৰি নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰিছিল যদিও আজি পৰ্যন্ত সম্পূৰ্ণ নহ'ল। ইতিমধ্যে জাঁজী-জামুগুৰিৰ পৰা গৌৰীসাগৰ তিনি আলি পৰ্যন্ত প্ৰায় ১৪ কিঃমিঃ পথছোৱা পঞ্জাৱৰ ৰিগেল ইনফাটেক কনষ্ট্ৰাকশ্বনে নিৰ্মাণ কৰিছিল। ইতিমধ্যে ৫০ শতাংশ কাম হৈছিল যদিও গৌৰীসাগৰৰ পৰা ডিমৌ পয্যন্ত পথৰ অৱস্থা শোচনীয়। উল্লেখ্য যে চাৰিশৰীয়া পথ নিৰ্মাণৰ বাবে সেই সময়ৰ শিৱসাগৰ জিলা প্ৰশাসনে ঘাই পথৰ কাষৰ শিৱসাগৰ ৰাজহ চক্ৰৰ অধীনৰ অৰ্থাৎ জকাইচুক মৌজাৰ দিশত থকা ভূমিৰ ১২০ ফুট আৰু আমগুৰি ৰাজহ চক্ৰৰ অধীনৰ অৰ্থাৎ ম'ৰাবজাৰ মৌজাৰ দিশৰ ৮০ ফুটপৰ্যন্ত ভূমি অধিগ্ৰহণ কৰিছিল। শিৱসাগৰ জিলাৰ প্ৰশাসনে ৰাষ্ট্ৰীয় ঘাই পথছোৱাৰ কাষৰীয়া লোক সকলক অধীগৃহীত ঘৰ দুৱাৰ, অনুষ্ঠান - প্ৰতিষ্ঠানক ক্ষতিপূৰণ আদায় দি পথ নিৰ্মাণৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছিল। উলেক্ষ যে জাঁজী-জামুগুৰিৰ পৰা ফুলপানীছিগাঁলৈকে ম'ৰাবজাৰ মৌজাৰ দিশত প্ৰায় দুই কিঃমিঃ দৈৰ্ঘ্যৰ পথছোৱাত দুই এঘৰ ব্যক্তিৰ অধীগৃহীত সমুদায় ভূমি অৰ্থাৎ ৮০ ফুটলৈকে পথ নিৰ্মাণ কৰাত উক্ত ব্যক্তি সকলে পুনৰ নলা নিৰ্মাণ কৰাত অসুবিধাৰ সন্মুখীন হৈছে। অঞ্চলটোৰ জনসাধাৰণে বাৰিষাৰ পূৰ্বে উক্ত নলা নিৰ্মাণ কৰি পানী নিস্কাষণৰ ব্যৱস্থা সূচল কৰিবলৈ সংশ্লিষ্ট বিভাগক অনুৰোধ জনাইছে। ইতিমধ্যে বৰ্তমান জাঁজী কলেজৰ সন্মুখৰ পৰা পানী সৰবৰাহ হবৰ বাবে নলা খান্দিছিল যদিও আজি পৰ্যন্ত নলা সমূহৰ কাম আধৰুৱা হৈয়ে থাকিল। যাৰ ফলত উক্ত নলাত পৰি কেইবাজনো ব্যক্তি আঘাতপ্ৰাপ্ত হোৱা দেখা পোৱা গৈছে। সমান্তৰালভাৱে নলাসমূহ আধৰুৱা হোৱাৰ পৰিপ্ৰেক্ষিতত ব্যৱসায়ী সকলো লোকচানৰ সন্মুখীন হৈছে। তদুপৰি জামুগুৰিৰ পঞ্জাৱ নেচনেল বেংকৰ ওচৰত ৰাষ্ট্ৰীয় পথ চোৱাৰ সৰুকৈ দ্বি-ভাইডাৰ আছে যদিও বিশেষ সাংকেতিক চিন নথকাৰ পৰিপ্ৰেক্ষিতত দুৰ্ঘটনা হোৱাৰ আশংকাই দেখা দিছে।

# সমাজকৰ্মী মানবেন্দ্ৰ মাধৱ বৰাৰ মৃত্যু

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৭ ডিচেম্বৰ ঃ** পশ্চিম যোৰহাটৰ কলাগাঁৱৰ নিবাসী প্ৰয়াত ডিম্বেশ্বৰ বৰাৰ পুত্ৰ মানবেন্দ্ৰ মাধৱ বৰা(৫৩)ৰ আজি পুৱা গুৱাহাটী মেডিকেল কলেজ হস্পিটেলত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। উল্লেখ্য যে কিছুদিন এক জটিল ৰোগত আক্ৰান্ত হৈ থকা অঞ্চলটোৰ এগৰাকী জনপ্ৰিয় আৰু সমাজকৰ্মী মানবেন্দ্ৰ মাধৱ বৰাৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰে সমগ্ৰ পশ্চিম যোৰহাটত। আজি বিয়লি মৃতদেহ গুৱাহাটীৰ পৰা ঘৰত আহি পোৱাৰ পাছতে পশ্চিম যোৰহাট সন্মিলিত কলা কৃষ্টি পৰিষদৰ কাৰ্যালয় প্ৰাংগণত ৰাজহুৱা ভাৱে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সন্মিলিত শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ উদযাপন সমিতি, লাখুটীয়া নামঘৰ পৰিচালনা সমিতি, কলাগাঁও বুঢ়া নামঘৰ পৰিচালনা সমিতি আদি কেইবাটাও ৰাজহুৱা অনুষ্ঠানৰ প্ৰতিনিধি আৰু অঞ্চলটোৰ সমাজকৰ্মী সকলে প্ৰয়াত ব্যক্তিজনৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা তৰ্পণ কৰে। তেওঁ পত্নী, একমাত্ৰ পুত্ৰ, ককাই ভাই সহ বহু আত্মীয়ক এৰি থৈ গৈছে।

ঠাকুৰবিলা অঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ

# ঠাকুৰবিলাত পদ্মশ্ৰী ড° বিৰুবালা ৰাভা সাংস্কৃতিক প্ৰকল্প উদ্বোধন

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৭ ডিচেম্বৰ ঃ** অন্ধবিশ্বাস আৰু কুসংস্কাৰ দূৰীকৰণৰ বাবে অক্লান্ত সংগ্ৰাম চলাই পদ্মশ্ৰী সন্মান লাভ কৰা প্ৰয়াত ড° বিৰুবালা ৰাভাৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলত লাভ কৰা ৫১.৪২ লাখ টকা সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা সাংস্কৃতিক প্ৰকল্পৰ শুকুৰবাৰে শুভ উদ্বোধন কৰা হয়। উল্লেখ্য যে ড° বিৰুবালা ৰাভাৰ জীৱিত অৱস্থাত উক্ত প্ৰকল্পৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছিল যদিও সম্পূৰ্ণ হোৱা সময়লৈকে জীয়াই নাথাকিল। গোৱালপাৰা জিলাৰ ঠাকুৰবিলাৰ দৰে এটি পিছপৰা অঞ্চলত নৱনিৰ্মিত সাংস্কৃতিক প্ৰকল্প ভৱনটো উদ্বোধন কৰি, ড° বিৰুবালাই এটি ৰাইজৰ বাবে এক বৃহৎ অৱদান দি যাবলৈ সমৰ্থ হোৱা বুলি মন্তব্য কৰে গোৱালপাৰা জিলা পৰিষদৰ উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ বিষয়া বাসুদেৱ ৰাভাই। ঠাকুৰবিলা অঞ্চলৰ অগ্ৰণী সমাজসেৱক অনন্ত ৰাভাই আঁত ধৰা অনুষ্ঠানত মাংগলিক কাৰ্যৰ মাজেৰে ৰাইজৰ বৃহত্তৰ স্বাৰ্থত সাংস্কৃতিক প্ৰকল্পটোৰ ফিতা কাটি বাসুদেৱ ৰাভাই আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে। গোৱালপাৰা জিলাৰ দ্বাৰকা গাঁও পঞ্চায়তৰ অন্তৰ্গত ঠাকুৰবিলা গাঁৱৰ ৰাজহুৱা খেলপথাৰৰ সংলগ্ন ভূমিত নিৰ্মাণ কৰা উক্ত ভৱন মুকলি হোৱাৰ




লগে লগে বৃহত্তৰ অঞ্চলটোত ৰাজহুৱা সভাগৃহ এটিৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ হ'ল। গোৱালপাৰা জিলা পৰিষদৰ উন্নয়ন পুজিৰে নিৰ্মাণ কৰা উক্ত প্ৰকল্পত সুদৃশ্য সভাঘৰৰ লগতে উন্নত সা-সুবিধাযুক্ত দুজনকৈ অতিথি থাকিব পৰা কোঠাও সংলগ্ন কৰা হৈছে। শুভ উদ্বোধনী অনুষ্ঠানত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বিৰঞ্জন ৰাভা, ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ ১৬ নং দ্বাৰকা সমষ্টিৰ সাধাৰণ সদস্য মোদিত ৰাভা, ১৯ নং দদান পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য দিবাকৰ ৰাভা, ৰাভা হাছং যৌথ মঞ্চৰ কেন্দ্ৰীয় সম্পাদক লোহিত চেত্ৰী, দদান মণ্ডলৰ সভাপতি অৰুণ ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক জয়চন্দ্ৰ দাবাং, প্ৰয়াত বিৰুবালা ৰাভাৰ পুত্ৰ বিষ্ণু ৰাভা, ঠাকুৰবিলা গাঁওখনৰ গাঁওবুঢ়াৰ লগতে স্থানীয় বহুসংখ্যক লোক উক্ত অনুষ্ঠানত উপস্থিত থাকে। উল্লেখ্য যে সমাজৰ গাঁওবুঢ়া সকলৰ সৈতে মত বিনিময় কৰি আগন্তুক সময়ত জিলা পৰিষদৰ পুঁজিৰে আন্তঃগাথনি উন্নয়নৰ আঁচনি ৰূপায়ণ কৰিব বুলিও পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ অধ্যক্ষ বাসুদেৱ ৰাভাই ব্যক্ত কৰে।

# গোসাঁইগাঁৱৰ ৰামফলবিলত সীমান্ত ক্ৰীড়া মহোৎসৱ

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৭ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ সেৰফানগুৰী ৰামফলবিল খেল পথাৰত দুদিনীয়া কাৰ্য্যসূচীৰে সীমান্ত চেতনা মঞ্চৰ উদ্যোগত “সীমান্ত ক্ৰীড়া মহৎসৱ ২৬” আৰম্ভ। সীমান্ত অঞ্চলৰ ২০ কিলোমিটাৰ নিলগৰ লৰা-ছোৱালী সকলৰ অংশগ্ৰহণ। গুৱাহাটীত হব লগা ৰাজ্যিক ক্ৰীড়া মহৎসৱ খেলত অংশগ্ৰহণৰ বাবে বাছনি প্ৰক্ৰিয়া চলি আছে। খেলসমূহ দুটা পৰ্যায়ত ভাগ কৰিছে। ৰাজ্যৰ ৯খন জিলাৰ লগতে আজি কোকৰাঝাৰ জিলাত বাছনি খেল অনুষ্ঠিত হয়। অংশগ্ৰহণ কৰা লৰা-ছোৱালীবোৰে ভাল প্ৰদৰ্শন কৰিলে ৰাজ্যিক পৰ্যায়ত খেলিবলৈ সুবিধা পাব বুলি সীমান্ত চেতনা মঞ্চৰ সম্পাদিকা ড”ৰ বিনিতা ভাগৱতীয়ে জানিব দিয়ে। আয়োজক কমিটিয়ে আজি ১০০, ২০০ আৰু ৪০০ মিটাৰ দৌড় প্ৰৱিযোগিতা, লং জাম্প, হাই জাম্প, ডিচকাচ থ্ৰ আদি বিভিন্ন খেল সমূহ ১৪ বছৰৰ পৰা ১৭ বছৰ আৰু ১৭ বছৰৰ পৰা ২০ বছৰৰ মাজত দুটা ভাগত ভাগ কৰা হৈছে। ড° ভাগৱতীয়ে আৰুপ্ৰকাশ কৰে যে ক্ৰীড়া হ'ল শাৰীৰিক, মানসিকৰ লগতে জীৱিকা উৎসৰ এক উপায় হিচাপেও গণ্য কৰিব পাৰি বুলি উত্তৰ পূৰ সীমান্ত চেতনা মঞ্চৰ সাধাৰণ সম্পাদিকা ড° বিনিতা ভাগৱতীয়ে আজি স্থানীয়জন সাধাৰণক নিজৰ লৰা ছোৱালীক লিখা পঢ়াৰ লগতে খেল ধেমালিৰ প্ৰতি আকৰ্ষিত কৰাৰ ক্ষেত্ৰত অৰিহনা যোগাব লাগে বুলি অনুপ্ৰেৰণা যোগায়।

# ভেৰগাঁৱত মটৰচাইকেল সহিতে দ খাৱৈত পৰি মহিলাৰ মৃত্যু; জীৱন্তে উদ্ধাৰ স্বামী

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৭ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ভেৰগাঁৱত যোৱা নিশা সংঘটিত হ'ল এক হৃদয় বিদাৰক ঘটনা। উক্ত ঘটনাত এগৰাকী ২৭ বছৰীয়া মহিলাৰ কৰুণ মৃত্যু হয়। উল্লেখ্য যে কালি সন্ধিয়া ঠেলামৰা আৰক্ষী থানা এলেকাৰ ভেৰগাঁৱত দ খাৱৈত পৰি নিৰুদ্দেশ হৈছিল এহাল দম্পতী। উল্লেখ্য যে ভেৰগাঁৱতৰ বাসিন্দা জগদীশ ৰবিদাস আৰু তেখেতৰ পত্নী পাৰ্বতী ৰবিদাস মটৰচাইকেলেৰে আহিথকা অৱস্থাত নিয়ন্ত্ৰণ সেৰুৱাই ভেৰগাঁৱত এটি দ খাৱৈত সোমাই পৰে। দ খাৱৈত পৰি নিখোজ হ'য় দুয়ো। উক্ত ঘটনাৰ খবৰ পাই ঠেলামৰা আৰক্ষী SDRF আৰু NDRF ৰ দল ঘটনাস্থলীত উপস্থিত হৈ অভিযান আৰম্ভ কৰে। SDRF আৰু NDRF ৰ অভিযানত জগদীশ ৰবিদাসক জীৱন্তে উদ্ধাৰ কৰে যদিও তেখেতৰ পত্নী পাৰ্বতী ৰবিদাসে কৰুণ মৃত্যুক আকোঁৱালি লয়। উক্ত ঘটনাত এতিয়া সমগ্ৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

# ‘কোচ ৰাজবংশী স্ব-জাতি মঞ্চ’ সংগঠনৰ আত্মপ্ৰকাশ

**অসমবাৰ্তা, বিজনী, ২৭ ডিচেম্বৰ ঃ** বিধানসভা নিৰ্বাচনৰ পূৰ্বেই কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোক সকলক জনজাতিকৰণ কৰাৰ দাবী কোচ ৰাজবংশী স্ব-জাতি মঞ্চৰ। বৃহস্পতিবাৰে চিৰাং জিলাৰ বাসুগাঁৱস্থিত বাসুগাঁও প্ৰেছ ক্লাৱত আক্ৰাছুৰ প্ৰাক্তন সভাপতি অৰুন কুমাৰ ৰায়ৰ নেতৃত্বত কোচ ৰাজবংশী স্ব-জাতি মঞ্চ নামেৰে এক সংগঠনৰ আত্মপ্ৰকাশ কৰিয়েই ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মিছলীয়া আখ্যা প্ৰদান কৰি কঠোৰ সকিয়নি কোচ ৰাজবংশী স্বজাতি মঞ্চৰ। আগন্তুক বিধান সভা নিৰ্বাচনৰ পূৰ্বেই কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ কৰক। অন্যথা কোচ ৰাজবংশী অধ্যুষিত অঞ্চলৰ পৰা বিজেপি দলক উৎখাত কৰিবলৈ বাধ্য হব কোচ ৰাজবংশী স্বজাতি মঞ্চই। উল্লেখযোগ্য যে শেহতীয়াকৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোচ ৰাজবংশী জনগোষ্ঠীৰ লগতে ৰাজ্যৰ পাঁচ জনগোষ্ঠীৰ জনজাতিকৰণৰ বিধানসভা নিৰ্বাচনৰ পিচত হব বুলি কৰা মন্তব্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আজি আত্ম প্ৰকাশ কৰা কোচ ৰাজবংশী স্বজাতি মঞ্চৰ সভাপতি অৰুন কুমাৰ ৰায়ে কয় যে কোচ ৰাজবংশী জনগোষ্ঠীয়ে দীৰ্ঘ দিনৰ পৰাই জনজাতিকৰণৰ দাবী কৰি আহিছে আৰু কেইবাবাৰো প্ৰতিবেদন মন্ত্ৰী সভাত দাখিল কৰা হৈছিল কিন্তু তাৰ পিছতো স্বয়ং ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে নিৰ্বাচনৰ পূৰ্বেই ছয় জনগোষ্ঠীয়ে জনজাতিকৰণ বিচৰা নাই বুলি কৰা মন্তব্য অতি দুৰ্ভাগ্যজনক। আমাৰ স্পষ্ট কথা আগন্তুক বিধান সভা নিৰ্বাচনৰ পূৰ্বেই কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ কৰক অন্যথা কোচ ৰাজবংশী স্বজাতি মঞ্চই তীব্ৰ আন্দোলন কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব বুলিও তেওঁ তীব্ৰ ভাষাৰে সকিয়াই দিয়ে। আনহাতে আগন্তুক বিধান সভা নিৰ্বাচনৰ বৈতৰণী পাৰ হোৱাৰ বাবেই মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যি CCTOA ৰ কথা কৈ আছে তেওঁ CCTOA ৰ চৰকাৰ নেকি? আমি কোনো CCTOA ৰ পৰা জনজাতিকৰণ বিচৰা নাই আমি আমাৰ অধিকাৰ বিচাৰিছো বুলিও সংবাদ মেলত মন্তব্য প্ৰকাশ কৰে মঞ্চৰ সভাপতি অৰুন কুমাৰ ৰায়ে। সংবাদ মেলত নৱ গঠিত কোচ ৰাজবংশী স্ব-জাতি মঞ্চৰ সভাপতি অৰুন কুমাৰ ৰায়ৰ লগতে উপ সভাপতি বিক্ৰম সিংহ ৰায়, সাধাৰণ সম্পাদক কুসুম্বৰ চৌধুৰী, সাংগঠনিক সম্পাদক দিগন্ত ৰায় আৰু উত্তম বৰ্মনসহ কেইবাগৰাকী নেতা উপস্থিত থাকে।

# ধিঙৰ লালিপথাৰত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী আনোৱাৰা চুলতানা বেগম

**অসম বাৰ্তা, বটদ্ৰৱা, ২৭ ডিচেম্বৰ** ঃ অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদিকা আনোৱাৰা চুলতানা বেগমে বৰ্তমান ৫৫ নং ধিং বিধানসভা সমষ্টিত নিৰ্বাচিনী কুচ-কাৱাজ আৰম্ভ কৰিছে। আনোৱাৰা চুলতানা বেগমে যোৱা কিছুদিন ধৰি সমষ্টিটোৰ বিভিন্ন প্ৰান্তত ভোটাৰ ৰাইজৰ লগত মত-বিনিময় কৰি কংগ্ৰেছৰ ৰাজনীতি গৰম কৰি তুলিছে। সমষ্টিটোত এতিয়া লৈকে প্ৰায় এক কুৰি তিনিজনে কংগ্ৰেছৰ প্ৰাৰ্থীত্ব বিচাৰি কুচ-কাৱাজ চলাই গৈছে। সমষ্টিটোত আনোৱাৰ হুছেইন আৰু ৰাইহান উদ্দিন চৌধুৰীকে আদি কৰি প্ৰায় ২৩ জনে কংগ্ৰেছৰ হৈ নিৰ্বাচনী কুচ-কাৱাজ আৰম্ভ কৰিছে। শেহতীয়াকৈ অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদিকা আনোৱাৰা চুলতানা বেগমৰ ধিং সমষ্টিত আগমন ঘটাৰ লগে লগে সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থীত্ব কেন্দ্ৰিক ৰাজনীতি অলপ হ'লেও ইফাল-সিফাল হোৱা পৰিলক্ষিত হৈছে। যোৱা শুকুৰবাৰে বেগমে আমলক্ষ্মী আৰু টুকটুকী পঞ্চায়তৰ ভোটাৰ ৰাইজৰ লগত মত-বিনিময় কৰাৰ লগতে কংগ্ৰেছৰ একাংশ কৰ্মীৰ ঘৰত গৈ সাক্ষাৎ কৰা দেখা যায়। সেই দিনাই বেগমে লালিপথাৰ পঞ্চায়তৰ শালকাটিত এখন দলীয় সভাত অংশ লয়। লালিপথাৰ মণ্ডল কংগ্ৰেছৰ সম্পাদক গিয়াছ উদ্দিনৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাখনত টুকটুকী জিলা পৰিষদৰ প্ৰাক্তন সদস্যা তথা অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদিকা আনোৱাৰা চুলতানা বেগম উপস্থিত থাকি আগন্তুক বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজক আহ্বান জনায়। ইফালে নিশা বেছামাৰীতো ভোটাৰৰ লগত মত-বিনিময় কৰে আনোৱাৰা চুলতানা বেগমে।

খচৰা ভোটাৰ তালিকা সন্দৰ্ভত সংবাদমেল সম্বোধন

# নগাঁও জিলা আয়ুক্তৰ সংবাদমেল

**অসম বাৰ্তা, নগাঁও, ২৭ ডিচেম্বৰ** ঃ ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি নগাঁও জিলাৰ নিৰ্বাচনী বিষয়াৰ অধীনত থকা ৭টা বিধানসভা সমষ্টি ক্ৰমেঃ ৫৫ নং ধিং বিধানসভা সমষ্টি, ৫৬ নং ৰূপহীহাট সমষ্টি, ৫৭ নং কলিয়াবৰ সমষ্টি, ৫৮ নং চামগুৰি সমষ্টি, ৫৯ নং বঢ়মপুৰ সমষ্টি, ৬০ নং নগাঁও-বটদ্ৰৱা সমষ্টি আৰু ৬১ নং ৰহা (অঃ জাঃ) সমষ্টিৰ আজি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰি, ভোটাৰ তালিকাৰ সংশোধনীৰ কাম আৰম্ভ কৰা হৈছে। আজি নগাঁও উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন প্ৰেছ সভাত আয়ুক্ত গৰাকীয়ে জনাই যে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে উপযুক্ত লোকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত তথা মৃত/স্থানান্তৰিত আদি ব্যক্তিৰ নাম কৰ্ত্তন আৰু ভোটাৰ তালিকাত থকা ভুল সমূহ শুধৰণী প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। যি সকলৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হোৱা নাই প্ৰ-পত্ৰ নং-৬ যোগে আবেদন কৰিব পাৰিব। মৃত ব্যক্তি, স্থানান্তৰিত অথবা দুবাৰকৈ নাম অন্তৰ্ভুক্ত হৈ থকা ভোটাৰে প্ৰ-পত্ৰ নং-৭ পূৰণ কৰি নাম কৰ্ত্তন কৰিব পাৰিব। ভোটাৰ স্থানান্তৰিত, নাম অথবা অন্যান্য তথ্য শুধৰণী, ৰিপ্লেচমেণ্ট ভোটাৰ আইডি কাৰ্ড পাবৰ বাবে আৰু বিকলাংগ ভোটাৰ চিহ্নিত কৰিবৰ বাবে প্ৰ-পত্ৰ নং-৮ যোগে প্ৰেৰণ কৰিব পাৰিব। ২৭ ডিচেম্বৰৰ পৰা আৰম্ভ কৰা এই সংশোধনী প্ৰক্ৰিয়াৰ বাবে ওপৰোক্ত ফৰ্ম সমূহ ভোটাৰসকলে ২২ জানুৱাৰীৰ ভিতৰত দাখিল কৰিব লাগিব বুলি উল্লেখ কৰে। আগন্তুক ২০২৬ চনৰ ১০ ফেব্ৰুৱাৰী দিনা চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ভোটাৰসকলে সংশোধনী প্ৰক্ৰিয়াৰ সন্দৰ্ভত অধিক তথ্য জানিবৰ বাবে জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্য্যালয়, চক্ৰ বিষয়াৰ কাৰ্য্যালয় অথবা ভোট কেন্দ্ৰত নিয়োজিত হৈ থকা ভোট গ্ৰহণ কেন্দ্ৰৰ বুথ পৰ্য্যায়ৰ বিষয়াৰ সৈতে যোগাযোগ কৰিব পাৰিব। ইয়াৰ উপৰিও অন্তৰ্ভুক্তিৰ দাবী বা আপত্তিৰ বাবে অনলাইন https://voters.eci.gov.in ৰ যোগেদিও আবেদন কৰিব পাৰিব। এই প্ৰকাশনৰ ভিত্তি তাৰিখ ০১/০১/২০২৬ খচৰা তালিকা মতে, মুঠ ৭৭২৫৪১ পুৰুষ ভোটাৰ, ৭৭১৪০৯ মহিলা ভোটাৰ আৰু তৃতীয় লিঙ্গ ৬১ (মুঠ ভোটাৰ ১৫৪৪০১১)। খচৰা তালিকা মতে নগাঁও জিলাৰ ৭টা সমষ্টিত মুঠ ১০৪টা নতুন ভোটগ্ৰহণ কেন্দ্ৰ বৃদ্ধি হৈ সৰ্বমুঠ ভোটগ্ৰহণ কেন্দ্ৰ হ'ল ১৮৬৮।

চমকপ্ৰদ জয়েৰে ছেমি ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড

# মতিৰাম বৰা সোঁৱৰণী সোণালী জয়ন্তী ফুটবল

**ষ্টাফ ৰিপ'টাৰ মৰিগাঁও, ২৭ ডিচেম্বৰ** ঃ মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু ফুটবল উপশমিতিৰ তত্ত্বাৱধানত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত বিপুল সংখ্যক ফুটবল প্ৰেমী ৰাইজৰ ব্যাপক উৎসাহ উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত হৈ থকা ৫০ সংখ্যক ঐতিহ্যমণ্ডিত মতিৰাম বৰা সোঁৱৰণী প্ৰাইজমাণী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তীব্ৰ প্ৰতিদণ্ডিতামূলক দ্বিতীয়খন কোৱাটাৰ ফাইনেল খেলত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে ৪-০ গ'লৰ ব্যৱধানত হোজাইৰ থাবাল ফুটবল ক্লাবক পৰাভূত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। খেলৰ পূৰ্বে নিমন্ত্ৰিত অতিথি আৰু বিশিষ্ট ক্ৰীড়া সংগঠক সকলৰ উপস্থিতিত মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰে শুভ উদ্বোধন কৰা আজিৰ খেলত দুয়ো দলৰ খেলুৱৈ সকলে শক্তিশালী খেল প্ৰদৰ্শন কৰি প্ৰথমাৰ্ধত গ'ল শূন্যভাৱে সমাপ্ত কৰে। দ্বিতীয়াৰ্থত নৰ্থ ইষ্ট ইউনাইটেডৰ খেলুৱৈ সকলে অধিক পৰিপক্ক আৰু সংঘবদ্ধ খেল প্ৰদৰ্শন কৰি লালাৰিং থেলা ৰাইটেৰ ১ গ'ল আৰু দালামুন গাংটেৰ হেট্ৰিকসহ দৃষ্টিনন্দন ৩টা গ'লৰ সহায়ত ৪-০ গ'লৰ অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ তৰফৰ আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈ দালামুন গাংটেক বঁটা প্ৰদান কৰা হয়। আজিৰ খেলখন পবিত্ৰ বৰা, ৰূপম বৰদলৈ, অপূৰ্ব বৰা আৰু বৃকোদৰ পাতৰে পৰিচালনা কৰে। কাইলৈৰ খেলত অসম ৰাজ্যিক বিদ্যুত পৰিষদে নগাঁৱৰ ত্ৰিনয়ন গোষ্ঠীৰ বিপক্ষে প্ৰতিদণ্ডিতা কৰিব।

জিলাখনত বৃদ্ধি পালে ৬,৪৯৫ গৰাকী নতুন ভোটাৰ; ২ ফেব্ৰুৱাৰীত প্ৰকাশ পাব চূড়ান্ত তালিকা

# ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ; বঙাইগাঁৱত খচৰা ভোটাৰ তালিকা প্ৰকাশ

**অসম বাৰ্তা, বঙাইগাঁও, ২৭ ডিচেম্বৰ** ঃ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত আজি বঙাইগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ খচৰা ভোটাৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। জিলা নিৰ্বাচনী বিষয়া তথা আয়ুক্ত নৱদ্বীপ পাঠকে জিলাখনৰ তিনিটা সমষ্টি ক্ৰমে— ১৬ নং অভয়াপুৰী, ১৭ নং সৃজনগ্ৰাম আৰু ১৮ নং বঙাইগাঁও বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকাখন মুকলি কৰে। প্ৰকাশিত খচৰা তালিকা অনুসৰি, জিলাখনত ২০২৫ চনৰ ভোটাৰ তালিকাৰ তুলনাত এইবাৰ মুঠ ৬, ৪৯৫ গৰাকী নতুন ভোটাৰ অন্তৰ্ভুক্ত হৈছে। উল্লেখ্য যে ২০২৫ চনত জিলাখনৰ মুঠ ভোটাৰৰ সংখ্যা আছিল ৫, ৭৬, ৬৩৩ গৰাকী। আজি প্ৰকাশিত খচৰা তালিকাৰ হিচাপত এই সংখ্যা বৃদ্ধি পাই বৰ্তমান ৫, ৮৩, ১২৮ গৰাকী হৈছে। ভোটাৰৰ লিংগভিত্তিক পৰিসংখ্যা অনুসৰি, জিলাখনত মুঠ ২, ৯৪, ৪৫২ গৰাকী পুৰুষ ভোটাৰ থকাৰ বিপৰীতে মহিলা ভোটাৰৰ সংখ্যা হৈছে ২, ৮৮, ৬৬৮ গৰাকী। তদুপৰি জিলাখনত মুঠ ৮ গৰাকী তৃতীয় লিংগৰ ভোটাৰ আৰু ৯৬৪ গৰাকী "ডি" ভোটাৰ আছে বুলি প্ৰশাসনে জানিবলৈ দিয়ে। আনহাতে, ভোটাৰ তালিকাৰ সংশোধন প্ৰক্ৰিয়াৰ সন্দৰ্ভত নিৰ্বাচনী বিষয়া ইভা দাসে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে, ভোটাৰসকলে নিজৰ নামৰ যিকোনো ওজৰ-আপত্তি বা সংশোধনৰ বাবে অহা ২২ জানুৱাৰী, ২০২৬ তাৰিখৰ ভিতৰত আবেদন জনাব পাৰিব। এই সংশোধন প্ৰক্ৰিয়াৰ অন্তত অহা ২ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে জিলাখনৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। নিৰ্বাচনৰ পূৰ্বে প্ৰকাশ পোৱা এই তালিকাই জিলাখনৰ ৰাজনৈতিক মহলত বিশেষ গুৰুত্ব লাভ কৰিছে।

১৮ মাহ বয়সতে ইণ্ডিয়া বুক অফ ৰেকৰ্ডত নাম অন্তৰ্ভুক্তিৰে নগাঁও লৈ গৌৰৱ কঢ়িয়াই আনিলে

# নগাঁৱত আৱিৰ্ভাৱ বিস্ময় বালকৰ



**অসম বাৰ্তা, ৰূপহীহাট, ২৬ ডিচেম্বৰ** ঃ নগাঁৱত আবিৰ্ভাৱ হৈছে এগৰাকী বিস্ময় বালকৰ। এগৰাকী ১৯ মহীয়া বিস্ময় বালকে ১৮ মাহতে ইণ্ডিয়া বুক অফ ৰেকৰ্ডত স্থান লাভ কৰিবলৈ সক্ষম হয়। ইণ্ডিয়া বুক অফ ৰেকৰ্ডত নাম অন্তৰ্ভুক্ত কৰি বিস্ময় বালক জনে সমগ্ৰ নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। চুহাইল আনোৱাৰ চৌধুৰী আৰু দন্ত চিকিৎসক ৰৌজানা মমতাজৰ একমাত্ৰ ১৮ মহীয়া সন্তান হল আয়াজ অজিল। ১৮ মহীয়া আয়াজ অজিলে সলসলিয়াকৈ ক'ব পাৰে ৪৫টা দেশৰ নাম, ৰাজ্যৰ নাম, ২৭খন বাহন, ২৪টা প্ৰাণীৰ নাম, ২৩টা ঘৰুৱা সামগ্ৰী, ১৪টা ৰাষ্ট্ৰীয় চিহ্ন, ৮টা গ্ৰহ, ২৫টা সাধাৰণ জ্ঞান, ইংৰাজী বৰ্ণমালা আৰু ১ পৰা ৫০ লৈকে কৰিব পাৰে গণনা। আয়াজ আজিলে ১৫ মাহ বয়সতে অসম বুক অফ ৰেকৰ্ড, young achiever olympaid, super kid award ৰ লগতে আৰু কেইবাটাও বঁটা লাভ কৰিছিল। উক্ত পৰিয়ালটো ৰূপহীহাটৰ কাঠপাৰাৰ যদিও কৰ্মসূত্ৰে নগাঁৱৰ ডিমুৰুগুৰি থাকে। পিতৃ-মাতৃয়ে চৰকাৰী কৰ্মচাৰী যদিও ইমান ব্যস্ততাৰ মাজতোও শিশুটিক লালন পালন কৰি নগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিছে।

বৃহৎ পৰিমাণৰ নিচাজাতীয় ড্ৰাগছ সহ আটক ৪ সৰবৰাহকাৰী

# গৌৰীপুৰ আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান



**অসম বাৰ্তা, ধুবুৰী, ২৭ ডিচেম্বৰ** ঃ গৌৰীপুৰ আৰক্ষীৰ বৃহৎ সফলতা। এক গোপন সূত্ৰৰ পম খেদি বৃহস্পতিবাৰে নিশা ধুবুৰীৰ গাতে লাগি থকা গৌৰীপুৰ আৰক্ষীৰ এটি দলে মধুশৌলমাৰী দ্বিতীয় খণ্ড অঞ্চলত ড্ৰাগছৰ বিৰুদ্ধে চলায় অভিযান। অভিযানত বুজন পৰিমাণৰ নিচাজাতীয় ড্ৰাগছ সহ চাৰি সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন ড্ৰাগছ সৰবৰাহকাৰী কেইজন ক্ৰমে নবিজুল হক, সহিদুল হক, শ্বাহ জামাল সেখ আৰু জাহাংগীৰ আলম বুলি জানিব পৰা গৈছে। মধুশৌলমাৰী দ্বিতীয় খণ্ড গাঁৱৰ নবিজুল হকৰ ঘৰৰ পৰাই অঞ্চলটোত দীৰ্ঘদিনৰ পৰাই অবৈধ ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই অহাৰ গুৰুতৰ অভিযোগ আছিল কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী কেইজনৰ বিৰুদ্ধে। কালি নিশা গৌৰীপুৰ থানাৰ আৰক্ষীৰ এটি দলে নবিজুল হকৰ ঘৰত অভিযান চলাই ১০১টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ সহ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী কেইজনক হাতে-লোটে আটক কৰিবলৈ সক্ষম হয়। ড্ৰাগছ খিনিৰ ওজন প্ৰায় ৮.৫০ গ্ৰাম আৰু এইবোৰ নিচাজাতীয় সন্দেহ জনক হেৰ'ইন বুলি আৰক্ষীৰ সূত্ৰে প্ৰকাশ। ইতিমধ্যে গৌৰীপুৰ আৰক্ষীয়ে কুখ্যাত সৰবৰাহকাৰী কেইজনক আটক কৰি থানালৈ আনি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে।

শোষিত, নিষ্পেষিত জনগোষ্ঠীটোৰ উন্নয়নৰ স্বাৰ্থত 'আটছা'ৰ জন্ম

# লখিমপুৰত প্ৰথমবাৰৰ বাবে 'আটছা'ৰ কেন্দ্ৰীয় অনুষ্ঠান

**অসম বাৰ্তা, লীলাবাৰী, ২৮ ডিচেম্বৰ** ঃঃ 'অসমৰ শোষিত, নিষ্পেষিত জনগোষ্ঠীটোৰ উন্নয়নৰ স্বাৰ্থত আটছাৰ জন্ম হৈছে। আটছাই অনুসূচীকৰণ, ভূমি পট্টা, দৈনিক মজুৰি বৃদ্ধিৰ লগতে অন্যান্য সমস্যাৰ সমাধানৰ বাবে চৰকাৰক দাবী, আন্দোলন কৰি যাব।'-এই মন্তব্য 'আটছা'ৰ সভাপতি জগদীশ বড়াইকৰ। তেখেতে মন্ত্ৰীগোটে দাখিল কৰা ছয় জনগোষ্ঠীৰ অনুসূচীকৰণৰ প্ৰতিবেদনত চাহ জনগোষ্ঠী আৰু আদিবাসীসকলক এছটি (ভি) হিচাপে স্বীকৃত কৰিব খোজা সন্দৰ্ভত কয় যে, ভেলী শব্দটো ভাৰতীয় সংবিধানত নাই, আমি এই স্বীকৃতিক মান ল'ব নোৱাৰো। অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ 'আটছা'ৰ ৭৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসখনি আজি লখিমপুৰ জিলাৰ চুকুলীভৰীয়া খেলপথাৰত অনুষ্ঠিত হৈ যায়। চাইমন সিং হ'ৰ', সন্তোষ কুমাৰ টপ্ন, ৰাখাল নাগ, খ্ৰীষ্ট প্ৰসাদ চাংগা, নাথানিয়েল হ'ৰ', আনন্দ মাছি বাৰ্লা, ভেলেণ্টাইন কেৰকেট্টা, বিমল নাগ, এবেঞ্জাৰ হেৰেঞ্জ, স্নেহমাছি বাৰ্লা, আৱদান নাগ আদি মহাবিদ্যালয়ত অধ্যয়নৰত বিদ্যা-উৎসাহী, সমাজ সচেতকৰ প্ৰচেষ্টাত ১৯৪৭ বৰ্ষৰ ২৮ ডিচেম্বৰত 'অসম ছোটনাগপুৰী ছাত্ৰ সন্মিলন'ই আত্মপ্ৰকাশ কৰিছিল। অসম ছোটনাগপুৰী ছাত্ৰ সন্মিলনে পাছলৈ 'অসম চাহ জনজাতি ছাত্ৰ সন্থা' চমুকৈ 'আটছা' হিচাপে অসমৰ চাহ বাগিচা অধ্যুষিত অঞ্চল তথা বস্তি-গাঁৱত বসবাস কৰা লোকসকলক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিকভাৱে সচেতন কৰাৰ লগতে জাতিগত অধিকাৰ সন্দৰ্ভত সজোৰে মাত মাতি আহিছে। 'আটছা' সাম্প্ৰতিক অসমৰ চাহ জনগোষ্ঠী তথা আদিবাসী লোকসকলৰ এক শক্তিশালী আৱাজ হৈ পৰিছে। সংগঠনটোৰ লখিমপুৰ জিলা চাহ জনজাতি ছাত্ৰ সন্থা, চাহ জনজাতি মহিলা সমিতি, শাখা সমিতি আৰু লখিমপুৰবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ মূল তোৰণ উন্মোচন কৰে লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোহিত হাজৰিকাই। সংগঠনটোৰ সাধাৰণ সম্পাদক সুনীল তিৰ্কীয়ে আঁত ধৰা প্ৰতিষ্ঠা দিৱস অভ্যৰ্থনা সমিতিৰ সভাপতি ড° বিমান চন্দ্ৰ চেতিয়াৰ লগতে কেন্দ্ৰীয় বিষয়ববীয়া, জিলাৰ সভাপতি-সম্পাদকসকল, জিলাখনৰ বিশিষ্ট ব্যক্তিয়ে পতাকা উত্তোলন কৰাৰ সমান্তৰালকৈ স্মৃতি তৰ্পন আৰু প্ৰতিষ্ঠাপক সভাপতি-সাধাৰণ সম্পাদকদ্বয় চাইমন সিং হ'ৰ', সন্তোষ কুমাৰ টপ্ন আৰু নন্দেশ কুমাৰ পৰজাৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰে। দুপৰীয়া



সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে ঝুমইৰ সন্মিলনী, অসমৰ সভাপতি তথা ঝুমইৰ গুৰু ভদ্ৰ ৰাজোৱাৰৰ সমান্তৰালকৈ সংগঠনটোৰ সভাপতি জগদীশ বড়াইকৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত কৃতী শিক্ষক বঁটাপ্ৰাপক তথা বিশিষ্ট লেখক নকুল কুৰ্মিলৈ 'সমাজহিতৈষী চাইমন সিং হ'ৰ'-সন্তোষ কুমাৰ টপ্ন বঁটা' প্ৰদান কৰে 'আটছা' নেতৃত্বই। আদৰণি ভাষণ প্ৰদান কৰি অভ্যৰ্থনা সমিতিৰ সভাপতি তথা উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিমান চন্দ্ৰ চেতিয়াই কয়, চাহ জনগোষ্ঠীয় লোকসকলৰ হিউমেন ডেভেলপমেণ্ট ইনডেক্সে জনগোষ্ঠীটোৰ অৰ্থনৈতিক, ৰাজনৈতিক ভৱিষ্যত নিৰূপন কৰিব বুলি উল্লেখ কৰে। উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মুকুল চন্দ্ৰ বৰা, প্ৰাক্তন ড'নাৰ মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, বীৰ লাচিত সেনাৰ সাধাৰণ সম্পাদক প্ৰাঞ্জিত গগৈ, সংগঠনটোৰ প্ৰাক্তন শীৰ্ষ বিষয়ববীয়া ধীৰাজ গোৱালা, পৱন বেদিয়া, ৰাজেন কুমাৰ, বিধায়ক দিগন্ত ঘাটোৱালে বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে।

লোক সংস্কৃতি প্ৰদৰ্শনেৰে সাংস্কৃতিক শোভাযাত্ৰাই মুহিলে ৰাইজৰ মন

# পি.এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহৰ সফল সামৰণি

## তিনিওটি দিনতেই উখল-মাখল পৰিৱেশ

**অসম বাৰ্তা, ধনশিৰি, ২৮ ডিচেম্বৰ** ঃ ২৬, ২৭ আৰু ২৮ ডিচেম্বৰ ২০২৫ তাৰিখে তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হোৱা পি.এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহৰ সফল সামৰণি। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি ২৬ডিচেম্বৰ তাৰিখে পুৱাৰ ভাগত উদযাপন সমিতিৰ সভাপতি মাধুৰ্য্য শইকীয়া আৰু মুখ্য সম্পাদিকা তথা বিদ্যালয়খনৰ অধ্যক্ষা মিতালী বৰাৰ লগতে সৰুপথাৰ সমজিলাৰ বিশিষ্ট ব্যক্তি, শিক্ষাবিদ আৰু বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াকে ধৰি প্ৰাক্তন ছাত্ৰসহ মুঠ ৬৯গৰাকী আমন্ত্ৰিত ব্যক্তিয়ে পতাকা উত্তোলন কৰে। পতাকা উত্তোলন থলীত সাংস্কৃতিক কৰ্মী তৰুণ শৰ্মা, ৰঞ্জন মহন্ত, জানমণি ভাগৱতী আৰু কিশোৰ গুৰুঙৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰী সকলে পি.এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গীত পৰিৱেশন কৰে। আনহাতে হীৰক জয়ন্তীৰ মজিয়াত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ আৰু স্মৃতি তৰ্পণ কৰে হীৰক জয়ন্তী উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতিদ্বয় দিলীপ কোঁৱৰ আৰু পৰমানন্দ লাহনে। উক্ত অনুষ্ঠানৰ পিছত বিশিষ্ট সমাজকৰ্মী জীৱন চুতীয়াৰ নেতৃত্বত গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন কৰে। গছপুলি ৰোপণৰ পিছতেই হীৰক জয়ন্তী উপলক্ষে বিশিষ্ট শিক্ষাবিদ শিৱাজী ৰায়ৰ সোঁৱৰণত তেওঁৰ পুত্ৰ সাগৰ ৰায়ে নিৰ্মাণ কৰোৱা হীৰক জয়ন্তী স্মাৰক উন্মোচন কৰে বিদ্যালয়খনৰ অৱসৰী শিক্ষক সিদ্ধেশ্বৰ শইকীয়াই। আনহাতে সৰুপথাৰ সমজিলাৰ টাই আহোম ছাত্ৰ সন্থাৰ হৈ পৱনজ্যোতি গগৈয়ে বিদ্যালয়খনৰ চৌহদত নিৰ্মাণ কৰোৱা ড° ভূপেন হাজৰিকাৰ আৱক্ষ প্ৰতিমূৰ্তি উন্মোচন কৰে প্ৰাক্তন অধ্যক্ষ পুষ্পধৰ শৰ্মাই। ইফালে বিদ্যালয়খনৰ চৌহদত বিশিষ্ট ব্যৱসায়ী কুশল গীনৰীয়াই নিৰ্মাণ কৰি আগবঢ়াই দিয়া নতুন কেণ্টিন ঘৰটিৰ উদ্বোধন কৰে সৰুপথাৰ সমজিলাৰ সহকাৰী আয়ুক্ত সুতৃষ্ণা বৰদলৈ, সাংস্কৃতিক বিষয়া টুহিনা শইকীয়া আৰু সৰুপথাৰ পৌৰসভাৰ পৌৰপতি উষা আগৰৱালাই। ইয়াৰ পাছতে পি.এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহ উপলক্ষে আয়োজিত গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক পৱন কুমাৰ গঞ্জুৰে। ২৬ডিচেম্বৰৰ দিনাই দুপৰ ভাগলৈ হীৰক জয়ন্তী উপলক্ষে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত উত্তৰ-পূৰ মহাকাশ প্ৰয়োগ কেন্দৰ 'স্পেচ অৱ হুইল' ভ্ৰাম্যমাণ প্ৰদৰ্শনী বাছৰ উদ্বোধন কৰে সৰুপথাৰ সমজিলাৰ আয়ুক্ত মানসজ্যোতি নাথে। পিছত এখনি আলোচনা চক্ৰ অনুষ্ঠিত হোৱাৰ লগতে বিশিষ্ট সাহিত্যিক তথা লোক-সংস্কৃতিৰ গৱেষক ধৰ্মেশ্বৰ দুৱৰাৰ সম্পাদনাৰে "জ্ঞান-বীক্ষণ" নামেৰে এখনি হীৰক জয়ন্তীৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰে গোলাঘাট দেৱৰাজ মহাবিদ্যালয়ৰ অধ্যাপক দেৱজিত ফুকনে। সন্ধিয়াৰ ভাগলৈ স্থানীয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। হীৰক জয়ন্তী সমাৰোহৰ দ্বিতীয় দিনা অৰ্থাৎ ২৭ ডিচেম্বৰ তাৰিখে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ অনুষ্ঠিত হয়। পুৱা দহ বজাৰ পৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়ন কাৰ্যসূচী আৰম্ভ হয় আৰু নিজৰ পুৰণি বন্ধু-বান্ধৱীক লগ পোৱাৰ আশাৰে যথেষ্ট সংখ্যক প্ৰাক্তন ছাত-ছাত্ৰীৰ সমাগম হয়। নাম পঞ্জীয়নৰ পিছত অৱসৰপ্ৰাপ্ত শিক্ষক, কৰ্মচাৰী সন্মিলন অনুষ্ঠিত হয়। অনুষ্ঠানটিত বিদ্যালয়খনৰ কেইবা গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক উপস্থিত থাকে আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে গুৰু সেৱা জনাই। অনুষ্ঠানটি অৱসৰপ্ৰাপ্ত শিক্ষক উমেশ চন্দ্ৰ সন্দিকৈয়ে উন্মোচন কৰে আৰু অৱসৰপ্ৰাপ্ত শিক্ষক নৰেন চুতীয়াই সঞ্চালনা কৰে। বহু বছৰৰ পিছত আপোন তথা শ্ৰদ্ধাৰ শিক্ষক সকলক কাষত পাই সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৱেগিক হৈ পৰে আৰু সকলোৰে সেৱা জনোৱাৰ লগতে হেঁপাহ পলুৱাই মনৰ কথা পাতে। ইফালে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে নিজৰ স্কুলীয়া জীৱন পুৰণি বন্ধু সকলৰ সৈতে মত বিনিময় কৰাৰ উপৰি সকলোৰে একলগে একোখনকৈ ফটো উঠি নিজৰ মধুৰ স্মৃতি সমূহ ৰোমন্থন কৰে। দ্বিতীয় দিনাৰ দুপৰ ভাগত প্ৰাক্তন ছাত্ৰীৰ অন্তৰঙ্গ আলাপ অনুষ্ঠানভাগিও বিশিষ্ট শিক্ষাবিদ তথা বোলছবি পৰিচালক



দিনেশ গগৈৰ সঞ্চালনাৰে অনুষ্ঠিত হয়। উক্ত দিনা সন্ধিয়াৰ ভাগলৈ অনুষ্ঠিত হোৱা প্ৰাক্তন অধ্যক্ষ প্ৰয়াত মুহীধৰ দুৱৰা সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া অনুষ্ঠানত বিদ্যালয়খনৰে প্ৰাক্তন ছাত্ৰ তথা অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰগোহাঁই উপস্থিত হৈ গীতৰ শৰাই অনুষ্ঠান আগবঢ়াই লগতে শিল্পী গৰাকীয়ে পুৰণি বন্ধু-বান্ধৱীৰ সৈতে কথা-বতৰা পতাৰ লগতে ফটো মাৰি আনন্দ-উল্লাস কৰে। অনুষ্ঠানটিত বিদ্যালয়খনৰে প্ৰাক্তন ছাত্ৰ তথা জনপ্ৰিয় কণ্ঠশিল্পী মণ্টু গোঁহাই আৰু দুলু গগৈয়ো উপস্থিত থাকি গীত পৰিৱেশন কৰে। হীৰক জয়ন্তীৰ তৃতীয় তথা অন্তিম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত হীৰক জয়ন্তী উপলক্ষে পি.এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা সম্পন্ন হয়। শোভাযাত্ৰাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে সৰুপথাৰ সমজিলাৰ বহুকেইখন বিদ্যালয় আৰু বিভিন্ন জাতি জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰি বৰ অসমৰ বৈচিত্ৰ্যময় লোক সংস্কৃতিসমূহ প্ৰদৰ্শন কৰে। শোভাযাত্ৰাত হুঁচৰি, কাতি বিহু, ভোগালী বিহু, গায়ন-বায়ন, বড়ো জনগোষ্ঠীয় নৃত্য, ঝুমুৰ, জিকিৰ, গোৰ্খা নৃত্য ইত্যাদি বহু সংখ্যক জাতি-জনগোষ্ঠীয় নৃত্য আৰু কলা-কৃষ্টি প্ৰদৰ্শনৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ন্যায় বিছাৰি এক প্ৰতিবাদী সমদলো বাহিৰ হয়। দুই সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰা এই সাংস্কৃতিক শোভাযাত্ৰা চাবলৈ সৰুপথাৰ নগৰৰ ৰাজপথ লোকে লোকাৰণ্য হোৱা দেখা যায়। অন্তিম দিনা দুপৰ ভাগলৈ সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ উপস্থিতিত এখনি মুকলি সভাও অনুষ্ঠিত হয়। মুকলি সভাত বিধায়কগৰাকীৰ লগতে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড° ডম্বৰুধৰ নাথ, সৰুপথাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা পৰিচালনা সমিতিৰ সভাপতি ড° সিদ্ধেশ্বৰ বৰা, সৰুপথাৰ সমজিলাৰ আয়ুক্ত মানসজ্যোতি নাথ, হীৰক জয়ন্তীৰ উদযাপন সমিতিৰ সভাপতি মাধুৰ্য শইকীয়া, সাধাৰণ সম্পাদক দ্বীপেন বৰা, সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা তথা উদযাপন সমিতিৰ মুখ্য সম্পাদিকা মিতালী বৰা, শিক্ষক-শিক্ষয়িত্ৰী লগতে ছাত্ৰ-ছাত্ৰী আৰু যথেষ্ট সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে। অন্তিম দিনাৰ অন্তিমটো কাৰ্যসূচী হিচাপে সাংস্কৃতিক সন্ধিয়াত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী সুবাসনা দত্তই গীত পৰিৱেশন কৰে পি.এম.শ্ৰী. সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাকৰি লোকে লোকাৰণ্য হৈ পৰে আৰু উপস্থিত সকলো ছাত্ৰ-ছাত্ৰী, স্থানীয় ৰাইজে গীতৰ তালে তালে নৃত্য কৰি আনন্দ-উল্লাস কৰে। মুঠৰ ওপৰত হীৰক জয়ন্তী সমাৰোহৰ প্ৰতিটো অনুষ্ঠান সফলতাৰে পাৰ হয়। বিদ্যালয়খনৰ অধ্যক্ষা মিতালী বৰা আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে উদযাপন সমিতিয়ে অনুষ্ঠান ভাগি সৰ্বতো প্ৰকাৰে সফল কৰি তোলাৰ বাবে সমূহ সৰুপথাৰবাসী ৰাইজক বিশেষভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা জনাই।

# বিজনী পাণবাৰী পথৰ ২ নং চাতিয়ানগুৰীত পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বিজনী, ২৮ ডিচেম্বৰ** ঃ বিজনী পাণবাৰী পথৰ ২ নং চাতিয়ানগুৰীত পথ দুৰ্ঘটনা। তীব্ৰ বেগত অহা এখন মটৰ চাইকেল নিয়ন্ত্ৰণ হেৰুৱাই তিনি জনক পিছফালৰ পৰা খুন্দিওৱাৰ আহত হয় লোক তিনিজন। স্থানীয় ৰাইজে সংবাদমাধ্যমত জানিব দিয়ে যে শনিবাৰে সন্ধিয়া লোক তিনিজন খোজকাঢ়ি গৈ থকা অৱস্থাত এএছ ২৬ ডি ৪২৮০ নম্বৰত অহা দুই বাইক আৰোহীয়ে পিছফালৰ পৰা খুন্দিয়ায়। বাইক আৰোহী এজন আন্নাছ আলী(১৮) আৰু আনজন নাবালক ল'ৰা। দুৰ্ঘটনাটোত আহত হয় বাইক আৰোহীদ্বয়। আনহাতে আহত লোক তিনিজনৰ ঋত্ত ৰয়(৬০) আৰু অনন্ত চক্ৰৱৰ্তীক(৬০) উন্নত চিকিৎসাৰ বাবে বঙাইগাঁৱলৈ প্ৰেৰণ কৰাৰ লগতে আনজন ব্যক্তি জীৱন কুমাৰ সাহা(৬৩) আৰু বাইক আৰোহীদ্বয়ক বিজনী মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। ঘটনাস্থলিত বিজনীৰ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

◀◀ চানডুবিৰ চৌপাশৰ গাঁওবোৰৰ সহজ-সৰল জনজাতীয় মানুহবোৰ এতিয়া সচেতন আৰু সজাগ হল। যান্ত্ৰিকতাৰ বিপৰীতে চহা জীৱন পৰিক্ৰমাৰে ভৰপূৰ গাঁওবাসীয়ে এতিয়া দূৰ দূৰণিৰ পৰা অহা লোকসকলক আদৰিবলৈ সাজু হ'ল। এদেও দুদেওকৈ গ্ৰাম্য পৰ্যটনৰ সুন্দৰ পৰিৱেশেৰে অঞ্চলটো ভৰাই তুলিলে। য'ত থকা খোৱাৰ সুন্দৰ ব্যৱস্থাও হ'বলৈ ধৰিছে। গাওবাসীয়ে কচু- ঢেকীয়াৰ পৰা গাহৰি- শামুকলৈকে থলুৱা খাদ্য-সম্ভাৰেৰে অপ্যায়ন কৰিবলৈ প্ৰয়াস কৰিলে। অতিথি পৰায়ণতাৰে অৰ্থাৎ গ্ৰাম্য পৰ্যটনৰ পৰিকল্পনাৰে বহুতেই এতিয়া অৰ্থনীতিৰ সুচল বাট বিচাৰিবলৈ প্ৰয়াস কৰাটো সঁচাকৈয়ে প্ৰশংসনীয় দিশ। ▶▶

## সম্পাদকীয়

# অসমৰ ঐতিহাসিক অৰ্থনৈতিক যাত্ৰা

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ (RBI) তথ্যই অসমৰ অৰ্থনৈতিক যাত্ৰাত এটা উজ্জ্বল অধ্যায়ৰ সূচনা কৰিছে। ২০২০-২০২৫ চনৰ মাজত ৰাজ্যখনৰ অৰ্থনীতি প্ৰায় ৪৫ শতাংশ বৃদ্ধি পাইছে, যাৰ ফলত ইয়াৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP) ২.৪ লাখ কোটি টকাৰ পৰা ৩.৫ লাখ কোটি টকালৈ উন্নীত হৈছে। এই হাৰে তামিলনাড়ু, কৰ্ণাটক বা উত্তৰ প্ৰদেশকে ধৰি দেশৰ ডাঙৰ ৰাজ্যসমূহক পিছ পেলাই অসমক ভাৰতৰ আটাইতকৈ দ্ৰুত বিকাশমান ৰাজ্যৰ মৰ্যাদা দিছে। এই উন্নয়ন কেৱল সংখ্যাৰ খেল নহয়, ই এক ঐতিহাসিক পৰিৱৰ্তনৰ ইংগিত। ব্ৰিটিছ শাসনৰ পৰা আৰম্ভ কৰি দীৰ্ঘদিন ধৰি দেশৰ কেঁচামাল যোগোৱা "নিৰ্ভৰশীল" অঞ্চল হৈ থকা অসমে এই তথ্যই এক নতুন আত্মবিশ্বাসৰ জন্ম দিছে। এই দ্ৰুতগতিত অগ্ৰগতিৰ মূল কাৰণ হৈছে বহুমুখী। কৃষিখণ্ডৰ স্থিৰতা, তেল-গেছ উদ্যোগৰ ঐতিহাসিক ভূমিকা, আন্তঃগাঁথনিৰ বিকাশ আৰু বৃহৎ বিনিয়োগে ইয়াত গুৰুত্বপূৰ্ণ অৱদান যোগাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা উন্নয়নমুখী নীতি আৰু বিনিয়োগকাৰী অনুকূল পৰিৱেশেও অৰ্থনীতিৰ চক্ৰক গতিশীল কৰাত সহায় কৰিছে। লগতে, ১৯৮৫ চনত স্বাক্ষৰিত ঐতিহাসিক অসম চুক্তিৰ লক্ষ্য অনুসৰি ৰাজ্যখনৰ সামাজিক-অৰ্থনৈতিক উন্নয়নৰ প্ৰতি দিয়া গুৰুত্বও ইয়াৰ এটা পৃষ্ঠভূমি। তথাপি, RBIৰ এই সংখ্যাবোৰে সাধাৰণ নাগৰিকৰ মনত এক সুকীয়া ধৰণৰ প্ৰশ্নৰ উদয় কৰিছে। সমষ্টিগত অৰ্থনৈতিক বিকাশ (Economic Growth) আৰু ব্যক্তিপৰ্যায়ৰ অৰ্থনৈতিক উন্নয়ন (Economic Development)ৰ মাজত থকা পাৰ্থক্যৰ প্ৰসংগই ইয়াত গুৰুত্বপূৰ্ণ হৈ পৰিছে। ৰাজ্যৰ GSDP বৃদ্ধি পালেও, সেই উন্নয়নৰ ফল প্ৰত্যেক গাঁৱলৈ, প্ৰত্যেক নাগৰিকৰ জীৱনলৈ সমানে আৰু ন্যায়সঙ্গতভাৱে প্ৰসাৰিত হৈছে নে নাই, সেই সন্দৰ্ভত প্ৰশ্ন ওলাইছে। ১৯৫০ চনত দেশৰ ভিতৰত জনমুৰি আয়ত অসমৰ স্থান আছিল পঞ্চম। কিন্তু এতিয়া ৰাজ্যৰ জনমুৰি আয় (৭৪, ২০৪ টকা) জাতীয় গড় (১,২৬,৪০৬ টকা)তকৈ বহু তলত। গতিকে প্ৰশ্ন হয়- মুঠ উৎপাদনৰ দ্ৰুত বৃদ্ধিয়ে কিমান লোকে কিমান উপকৃত হৈছে? নতুন সম্পদৰ সৃষ্টি হৈছে নে আগতে থকা সম্পদৰ কেন্দ্ৰীভৱনহে হৈছে? দ্বিতীয়তে গড় হাৰত অগ্ৰগতিৰ অৰ্থ এইটোৱে নহয় যে শিক্ষা, স্বাস্থ্য, নিৰাপদ খাদ্যৰ দৰে মানৱ উন্নয়নৰ মূল সূচকবোৰত সমানে উন্নতি হৈছে। উন্নয়নৰ সুফল জনসাধাৰণলৈ কেনেকৈ বিলাই দিব পাৰি, তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। অসমৰ দৰে এখন কৃষিপ্ৰধান ৰাজ্যত, য'ত ৮৬ শতাংশ লোক গ্ৰামাঞ্চলত বাস কৰে, সেউজীয়া বিপ্লৱৰ সুফল সঠিকভাৱে নপৰাৰ বাবে ৰাজ্যখন খাদ্য উৎপাদনত আজিও পৰনিৰ্ভৰশীল। বছৰি প্ৰায় ৩০ হাজাৰ কোটি টকাৰ খাদ্য আমদানি কৰিবলগীয়া হৈ থকা ৰাজ্যখনৰ বাবে GSDPৰ উচ্চ বৃদ্ধিৰ্ডে এই পৰনিৰ্ভৰশীলতা কমাব পাৰিছে নে? RBIৰ তথ্য উন্নয়নৰ গতিশীলতা দেখুৱায়। কিন্তু এই গতিশীলতা স্থায়ী হ'ব নে, সেইটো নিৰ্ভৰ কৰিব নীতি আৰু প্ৰশাসনিক কাৰ্যকৰীকৰণৰ ওপৰত। ১৯৮৫ চনৰ অসম চুক্তিৰ দৰেই বহু ঐতিহাসিক চুক্তি বা নীতিৰ সম্পূৰ্ণ ৰূপায়ণৰ ক্ষেত্ৰত বিলম্ব বা অস্পষ্টতা থকাৰ অভিযোগ নাইবা নাটকীয়তাৰ অভিযোগ থকাৰ কথাও জনসাধাৰণে উল্লেখ কৰে। সেয়েহে, বৰ্তমানৰ অৰ্থনৈতিক গতিশীলতাক স্থায়ী ৰূপ দিবলৈ নীতিৰ স্থিৰতা আৰু পাৰদৰ্শী কাৰ্যকৰীকৰণৰ প্ৰয়োজন। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্যই অসমৰ সামূহিক পৰিশ্ৰম, সম্পদ আৰু সম্ভাৱনাক দেশৰ দৃষ্টিপটলৈ আনিছে। এই সংখ্যাবোৰে পূৰ্বৰ সেই সময়কো সোঁৱৰাই দেয়, যেতিয়া অসম আছিল চাহ, তেল আৰু কাঠৰ এখন সমৃদ্ধ ভূমি। ইয়াৰ পৰাই স্পষ্ট হয় যে অসমৰ সম্পদ সদায়েই আছিল; প্ৰয়োজন আছিল সেই সম্পদ সঠিকভাৱে ব্যৱহাৰ কৰি আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়াৰ দূৰদৰ্শী নীতি আৰু ৰাজনৈতিক ইচ্ছাশক্তিৰ। এতিয়া যেতিয়া অসম উন্নয়নৰ দৌৰত শীৰ্ষস্থান লাভ কৰিছে, তেতিয়া আমাৰ লক্ষ্য কেৱল "দ্ৰুততম" হোৱাটোৱেই নহয়, "সৰ্বশ্ৰেষ্ঠ" হোৱাটো হ'ব লাগে- য'ত অৰ্থনৈতিক উন্নয়নৰ সংজ্ঞাটোৱে কেৱল টকা-পইচাৰ লেনদেনকে নুসুমায়, বৰঞ্চ শিক্ষিত, সুস্থ, সামাজিকভাৱে সুৰক্ষিত আৰু সুখী নাগৰিক সৃষ্টি কৰাকে সামৰি লয়। ২০২০-২৫ৰ এই সাফল্য যাতে কেৱল এটা পৰিসংখ্যা হৈ নাথাকে, বৰঞ্চ এনে এখন অসম গঢ়াৰ বাবে এক শক্তিশালী ভেটি হয়, য'ত উন্নয়নৰ পোহৰ ৰাজ্যখনৰ প্ৰতিটো কোণলৈ প্ৰসাৰিত হয়- সেইদিশে চিন্তা আৰু প্ৰচেষ্টা আগবঢ়োৱাটোৱেই হ'ব বৰ্তমানৰ প্ৰাপ্তিৰ সঠিক সদ্ব্যৱহাৰ।

# চিৰসেউজীয়া চানডুবি

# সম্ভাৱনা আৰু সংকট



**বিনন্দীয়া প্ৰকৃতিৰ অনন্য আকৰ চানডুবি ঃ** সপোনৰ সেউজীয়াৰে ভৰা নান্দনিক পৰিৱেশ। এদিন য'ত গছেও কথা কৈছিল। ঘনঘোৰ আৰণ্যক সেউজীয়াৰ বুকুত বন্যপ্ৰাণীৰে উভৈনদী আছিল। যাৰ গভীৰ জলৰাশিৰ নীলাত লুকাই আছিল ৰহস্যময় মাদকতা। ইতিহাস আৰু অলেখ কিম্বদন্তী বোকোচাত কঢ়িয়াই আজিও চিৰসেউজীয়া হৈ উজলি আছে। তাহানিৰ দিন আজি নাথাকিলেও সেয়াই চানডুবি। যাৰ পৰিচয় আজিও সুকীয়া, আজিও ৰহস্যময় মাদকতাৰ অনন্য আকৰ হৈয়ে উজলি আছে চানডুবি। গুৱাহাটী মহানগৰীৰ পৰা প্ৰায় যাঠি কিলোমিটাৰ নিলগত দক্ষিণ কামৰূপৰ অসম মেঘালয় সীমান্তত চিৰসেউজ আৱেশ আৰু মনোৰম জলৰাশিৰে উজলি আছে হেঁপাহভৰপূৰ চানডুবি। অলেখ ইতিহাস আৰু কিম্বদন্তী চিৰকাল বোকোচাত কঢ়িয়াই সাম্প্ৰতিক সময়তো যথেষ্ট গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে। যিয়ে আকুলতাৰে প্ৰতিপল প্ৰতিগৰাকী জিজ্ঞাসু লোককেই হাত বাউলি মাতে। দূৰ বিদেশৰ পৰাও বছৰৰ বিভিন্ন সময়ত পৰ্যটকে আহি ভিৰ কৰে। যাৰ নাম আৰু পৰিচয় সৰ্বদা সুকীয়া। আজিও যি চঞ্চলা গাভৰুৰ দৰেই চিৰসেউজীয়া আকৰ হৈ আছে, সেয়াই চানডুবি। দুৰ্গম অথবা জয়াল পৰিৱেশৰ মাজেৰেই সৌন্দৰ্য পিপাসু লোকসকলে এদিন ঢপলিয়াই আহিছিল। প্ৰায় দহ বছৰ আগলৈ যাতায়াতৰ বাবে যিদৰে যথেষ্ট প্ৰত্যাহ্বান আছিল, ঠিক তেনেদৰেই সৌন্দৰ্যৰো অনন্য আকৰ আছিল। সময়ৰ অগ্ৰগতিৰ লগে লগেই পৰিৱেশৰ উত্তৰণ ঘটিল। এই পৰিৱৰ্তন স্বভাৱিক হ'লেও চৌপাশৰ সেউজ পৰিৱেশ এতিয়া নিশেষ হবলৈ ধৰিছে। এতিয়াৰ চানডুবিৰ যেন জয়াল পৰিৱেশৰ বিপৰীতে অন্য এক ৰূপ মধুৰতা বিৰাজমান। য'ত এতিয়া প্ৰতিদিনেই শ শ লোকৰ আগমন ঘটে। এয়াই হেঁপাহ ভৰপূৰ চানডুবি, যাৰ অনাবিল পৰিৱেশে প্ৰতিপল হাত বাউলি মাতে।

**ইতিহাস আৰু কিম্বদন্তীৰ বোকোচাত চানডুবি ঃ** সঁচা অৰ্থত অতি সাম্প্ৰদায়িক সময়ত চানডুবিৰ প্ৰতি মানুহৰ আকৰ্ষণ বাঢ়িছে। অথচ চানডুবিৰ প্ৰকৃত পৰিচয় আজিও কিম্বদন্তীত পৰিণত। চানডুবিৰ নৈশৰ্গিক পৰিৱেশে প্ৰতিগৰাকী জিজ্ঞাসু ব্যক্তিকেই ভাবিবলৈ বাধ্য কৰায়, চানডুবিৰ উৎপত্তি কেনেকৈ হল? আগতে হেনো চানডুবি বিলৰ দৰে নাছিল। সেই ঠাইখিনিত বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতি আছিল। মাথোঁ জনবসতি পূৰ্ণ অঞ্চলৰ মাজেৰে চিৰি নামৰ এখনি নৈ বৈ গৈছিল। এই চিৰি নদীৰ পানী কুলশী নৈৰে বৈ গৈ কাংকেৰী নৈত পৰিছিল। নদী পথেৰে উজাই আহি বহু বেপাৰী সদাগৰে বেপাৰ-বণিজ কৰিছিল। চম্পকনগৰৰ বিখ্যাত চান্দ সদাগৰেও বেপাৰ কৰিবলৈ নাও লৈ আহিছিল। তেওঁ নাও বান্ধি থোৱা নিৰ্দিষ্ট ঘাট আছিল। সেই ঘাটত পানীৰ গভীৰতা বেছি আছিল। গভীৰ পানীক স্থানীয় ভাষাত ডুবি বুলিছিল বাবেই চিৰি নদীৰ সেই বিশেষ ঘাটটোক চান্দৰ ডুবি বুলিছিল। বিৰাট ভূমিকম্পৰ ফলত পাহাৰৰ চূড়াবোৰ খহি পৰিল আৰু চিৰি নদীৰ গতিপথ ৰুদ্ধ কৰিলে। পাহাৰৰ মাজৰ ঠাই এটুকুৰা ডুবি গৈ ডাঙৰ জলাশয়ৰ সৃষ্টি হল। এই জলাশয়ে বিৰাট আকাৰৰ বিলৰ সৃষ্টি কৰিলে। কিন্তু নামটো চান্দৰ ডুবি অৰ্থাৎ চানডুবি হৈয়ে থাকিল। মানুহে কয়, চান্দ সদাগৰৰ বণিজৰ জাহাজ দেৱী মনসাৰ চলনাত ইয়াতেই ডুবিছিল। আন এক জনশ্ৰুতি অনুসৰি- বগাশিলা, ছাগালছাৰি, মায়া, চাম্পে আৰু নাচৌচিলা নামৰ পাচখন পাহাৰৰ অংশ বিশেষ ডুবি গৈ এই বিলৰ সৃষ্টি হৈছিল। সেই সময়ত অঞ্চলটোত খাছী মানুহেও বসতি কৰিছিল। খাছী ভাষাত 'চান' মানে পাচ। চান পাহাৰ ডুবি গৈ সৃষ্টি হোৱা এই বিলখনৰ নামো চানডুবি হলগৈ। ঐতিহাসিক তথ্য মত, ১৮৯৭ চনৰ ১২ জুনৰ সন্ধিয়া হোৱা প্ৰবল ভূমিকম্পটোৰ ফলতেই চানডুবিৰ সৃষ্টি হৈছিল যদিও বুৰঞ্জীৰ এই তথ্য কিছু পৰিমাণে শুদ্ধ হলেও সম্পূৰ্ণৰূপে শুদ্ধ নহয়। কিম্বদন্তীয়ে কব খোজে যে, চানডুবি বিলৰ অস্তিত্ব ইয়াৰ আগতেও আছিল। ভূমিকম্পটোৰ ফলত পাহাৰ - জংঘলেৰে বিস্তৃত বহুখিনি ঠাই বহি যোৱাৰ ফলত বিলৰ পৰিসৰহে বৃদ্ধি হৈছিল। এই প্ৰলয়ংকৰী ভূমিকম্প বহু লোকে প্ৰত্যক্ষ কৰিছিল যদিও তেওঁলোক এতিয়া আৰু নাই। যাৰ ফলত চানডুবিৰ পৰিচয় আজিও কিম্বদন্তী হৈয়ে হল। বহু তথ্য আজিও ৰহস্যঘন হৈয়ে থাকিল।

হেঁ পাহৰ চানডু বিৰ ক্ষেত্ৰভিত্তিক অধ্যয়নেৰে ইতিহাস আৰু কিম্বদন্তীৰ সকলো বিষয় সামৰি এই লেখকে ৰচনা কৰা ' কেঁচা সোণ ' নামৰ উপন্যাসখনৰ বাবে অসম সাহিত্য সভাই ২০০৪ বৰ্ষত ছিপাঝাৰ অধিৱেশনত 'গিৰিধৰ শৰ্মা বটা' আগবঢ়াইছিল। মনোৰম চানডুবিক লৈ লেখক সাহিত্যিকসকলে সময়ে সময়ে বিভিন্ন লেখা লিখি আহিছে। সম্প্ৰতি চানডু বি শব্দটোক লৈ আন এটা প্ৰসংগয়ো ঠাই পাইছে। আন এক বিয়লি চানডুবিৰ বুকত সূৰ্যাস্তৰ পৰিৱেশটো নান্দনিক হৈ উঠে বাবেই আজিকালি বহুতেই ইংৰাজী চান শব্দটোৰ পৰা চানডু বি হোৱা বুলিও কব খোজে যদিও ইয়াৰ গ্ৰহণযোগ্যতা নাই যেন লাগে। কিয়নো এইখিনি কথা অতি সাম্প্ৰতিক সময়তহে মুখে মুখে শুনিবলৈ পোৱা যায়।

**প্ৰচুৰ সম্ভাৱনাৰ পিছতো সংকটৰ গৰাহত চানডুবি ঃ** অতি সাম্প্ৰতিক সময়ত লক্ষ্য কৰিলে দেখা যায় যে মনোৰম চানডুবি বিভিন্ন কাৰণত সংকটৰ গৰাহত পৰিছে। চৌপাশৰ বনাঞ্চল নিশেষ হবলৈ ধৰিছে, চানডুবিৰ বক্ষ ক্ৰমশঃ বাম আৰু পৰিসৰ সংকুচিত হৈ আহিছে, বন্যপ্ৰাণীৰ বিচৰণৰ পৰিৱেশ নাইকিয়া হৈছে, বহু বনাঞ্চল জনাঞ্চলত পৰিণত হ'ল ইত্যাদি ইত্যাদি। মুঠতে প্ৰাকৃতিক পৰিঘটনাই হওক অথবা আমিবোৰৰ সচেতনতাৰ অভাৱতেই হওক, এতিয়া মনোৰম চানডুবিয়ে অস্তিত্বৰ সংকটত ভুগিবলৈ ধৰিছে। তেনে সময়তেই এচাম আশাসুধীয়া লোকৰ সৎ প্ৰচেষ্টাত চানডুবিৰ সংৰক্ষণ আৰু সচেতনতা বৃদ্ধিৰ উদ্দেশ্যে আগত ৰাখি অঞ্চলবাসীৰ সহযোগত বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ নেতৃত্বত চানডুবি উৎসৱ অনুষ্ঠিত হৈ আহিছে। এয়া আজিৰ তাৰিখত সঁচাকৈয়ে প্ৰশংসনীয় পদক্ষেপ। পহিলা জানুৱাৰীৰ পৰা পাচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ অহা চানডুবি উৎসৱে অন্য এক মাত্ৰা বহন কৰিবলৈ সক্ষম হৈছে। আনহাতে, শীতৰ সময়ছোৱাত বনভোজ খাবলৈ অহা লোকে যাতে প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰিব নোৱাৰে তাৰ প্ৰতিও অঞ্চলবাসী সজাগ হোৱা দেখা গৈছে। এনেধৰণৰ সফল পদক্ষেপে চানডুবিক আগৰ দৰেই অনন্য ৰূপত ৰখাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হব বুলি ধাৰণা কৰিব পাৰি। পূৰ্বতে থকা ঘনঘোৰ সেউজীয়া পৰিৱেশ এতিয়া নোহোৱা হোৱাৰ ফলতেই প্ৰকৃতাৰ্থত বিলখনলৈ অশনি শংকেত নামি অহা বুলি বহুতেই কব খোজে।

**সৰ্বদা অৱহেলিত চানডুবি ঃ** সময়ৰ বোকোচাত পৰ্যটনস্থলী হিচাপে আদৰ বাঢ়িবলৈ ধৰা হেঁপাহৰ চানডুবি প্ৰচুৰ সম্ভাৱনাৰে আজিও উজলি আছে। অথচ ৰজাঘৰীয়াই এই চানডুবিৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ বিপৰীতে সদায়ে উদাসীন মনোভাৱ পোষণ কৰাহে দেখা যায়। সময়ে সময়ে মন্ত্ৰী-বিধায়ক, ৰাজনৈতিক নেতা-পালিনেতা অথবা পৰ্যটন বিভাগৰ বৰমূৰীয়াসকলে আহি ইয়াৰ নান্দনিক পৰিৱেশ উপভোগ কৰি উত্তৰণৰ ক্ষেত্ৰত নতুন নতুন পদক্ষেপ গ্ৰহণ কৰাৰ কথাৰে লম্ফ-জম্ফ মাৰি গুচি যায়। পিছত সকলো ফুটুকাৰ ফেনত পৰিণত হয়। এনেকৈয়ে ৰজাঘৰীয়াৰ অৱহেলাৰ বাবেই প্ৰচুৰ সম্ভাৱনা থকাৰ পিছতো পৰ্যটনৰ সা-সুবিধা আজিও নহল। চৰকাৰীভাৱে যিখিনি হৈছে, সেয়া নামমাত্ৰ। তাৰ বিপৰীতে স্থানীয় লোক এতিয়া যথেষ্ট সচেতন আৰু সজাগ হৈছে। দূৰ দুৰণিৰ পৰা অহা লোকৰ বাবে সকলো সা-সুবিধা দিয়াৰ চেষ্টা চলাইছে। কঠোৰ সংগ্ৰামেৰে চানডুবিক অনন্য মাত্ৰা দিবলৈ প্ৰয়াস কৰিছে। অৱশ্যে মিৰ্জাৰ পৰা চানডুবিলৈ যোৱা প্ৰায় ত্ৰিশ কিলোমিটাৰ পথ প্ৰসাৰিত হোৱাত যাতায়তৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হৈছে। এয়া আমাৰ বাবে ভাল খবৰ যদিও পথছোৱা বহল কৰাৰ বাবে ঠায়ে ঠায়ে পথৰ দাঁতিত থকা ডাঙৰ ডাঙৰ গছবোৰ কাটি পেলোৱাৰ ফলত প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হোৱা বুলি সচেতন লোকসকলে মন্তব্য কৰিছে। তাতোকৈ চিন্তনীয় কথা এয়ে সেই সমূহ গছত থকা দুস্প্ৰাপ্য পৰজীৱি অৰ্কিড জাতীয় গছবোৰো নোহোৱা হৈ গল। এইবোৰ পুনৰ সংৰক্ষণৰ বাবে কোনোৱে গুৰুত্ব নিদিলে। অৱশ্যে স্থানীয় এচাম লোকে তৎপৰতাৰে পথৰ দাঁতিত পৰি ৰোৱা অৰ্কিডবোৰ উঠাই নি চানডুবিৰ পাৰৰ গছবোৰত লগাই দিয়াৰ প্ৰয়াস কৰাটো সঁচাকৈয়ে চেতনাবোধৰ পৰিচয় দাঙি ধৰাৰ পিছতো কিন্তু সংৰক্ষিত নহল।

**গ্ৰাম্য অৰ্থনীতিৰ দৃষ্টিৰে চানডুবি ঃ** চানডু বিৰ চৌপাশৰ গাঁওবোৰৰ সহজ-সৰল জনজাতীয় মানুহবোৰ এতিয়া সচেতন আৰু সজাগ হল। যান্ত্ৰিকতাৰ বিপৰীতে চহা জীৱন পৰিক্ৰমাৰে ভৰপূৰ গাঁৱবাসীয়ে এতিয়া দূৰ দূৰণিৰ পৰা অহা লোকসকলক আদৰিবলৈ সাজু হল। এদেও দুদেওকৈ গ্ৰাম্য পৰ্যটনৰ সুন্দৰ পৰিৱেশেৰে অঞ্চলটো ভৰাই তুলিলে। যত থকা খোৱাৰ সুন্দৰ ব্যৱস্থাও হবলৈ ধৰিছে। গাওবাসীয়ে কচু- ঢেকীয়াৰ পৰা গাহৰি- শামুকলৈকে থলুৱা খাদ্য সম্ভাৰেৰে অপ্যায়ণ কৰিবলৈ প্ৰয়াস কৰিলে। অতিথি পৰায়ণতাৰে অৰ্থাৎ গ্ৰাম্য পৰ্যটনৰ পৰিকল্পনাৰে বহুতেই এতিয়া অৰ্থনীতিৰ সুচল বাট বিচাৰিবলৈ প্ৰয়াস কৰাটো সঁচাকৈয়ে প্ৰশংসনীয় দিশ। ৰজাঘৰীয়াৰ নিৰ্বিকাৰ ভূমিকাৰ বিপৰীতে অঞ্চলবাসীয়ে চানডুবিক সংৰক্ষণৰ সমান্তৰালভাৱে অৰ্থনীতিৰ সুচল বাট বিচাৰি লোৱাৰ প্ৰয়াসে আজি ভবাই তুলিছে সচেতন মহলক। সঁচা অৰ্থত অনগ্ৰসৰ পৰিৱেশৰ লোকসকলে জীৱনক উদ্‌যাপন কৰিবলৈ শিকিলে, জীৱনৰ ছন্দ বিচাৰিবলৈ প্ৰয়াস কৰিছে। অনাগত দিনতো হেঁপাহভৰপূৰ চানডুবিক একেদৰেই চিৰ যৌৱনা ৰূপত থৈ যাব বিচাৰে এইসকল সহজ সৰল মানুহে। এতিয়া চানডু বিয়েই অঞ্চলবাসীৰ বাবে যেন সপোনৰ সৌধ। এই মনোৰম চানডুবিক লৈ ৰজাঘৰীয়াৰ অপৰিসীম দায়িত্ব আছে যদিও প্ৰকৃততে জনসাধাৰণৰ সচেতনতা আৰু কাৰ্যব্যৱস্থাইহে চানডুবিক উজ্জিৱিত কৰি ৰাখিব পাৰিব। আমি সকলোৱে মিলি এই মনোৰম প্ৰকৃতিসৃষ্ট চানডুবিক সংকটৰ গৰাহৰ পৰা মুক্ত কৰাৰ মানসিকতা গঢ়ি তোলাটো অতিকৈ প্ৰয়োজন। তেতিয়াহে হেঁপাহভৰপূৰ চানডুবি চিৰকাল প্ৰাণ প্ৰাচুৰ্যৰে উজলি থাকিব বুলি আশা কৰিব পাৰি। তাৰ সুফল হিচাপে অঞ্চলবাসীৰ বাবে গ্ৰাম্য অৰ্থনীতিৰ বাট আৰু টনকিয়াল হব বুলি ধাৰণা কৰিব পাৰি।

চিৰসেউজীয়া চানডুবিৰ অনাবিল মধুৰতা পূৰ্বতেও আছিল, এতিয়াও আছে আৰু অনাগত ভৱিষ্যতেও অক্ষুণ্ণ থাকিব বুলি আমি মনে প্ৰাণে আশা কৰোঁ। ইয়াৰ বাবে প্ৰয়োজন মাথোঁ অঞ্চলবাসীৰ সৎ প্ৰচেষ্টা।

*(বিঃ দ্ৰঃ বিভিন্ন উৎসৰ সহায় লোৱা হৈছে।)*

কিশোৰ কুমাৰ কলিতা

# গ্ৰন্থমেলা আৰু যুৱ প্ৰজন্ম

সত্যব্ৰত বৰা

আজিৰ দ্ৰুতগতিৰ ডিজিটেল যুগত গ্ৰন্থমেলাৰ দৰে সাংস্কৃতিক অনুষ্ঠানসমূহৰ গুৰুত্ব অপৰিসীম। গ্ৰন্থমেলা কেৱল কিতাপ বিক্ৰীৰ স্থান নহয়, ই এক সাহিত্যিক উৎসৱ য'ত লেখক, প্ৰকাশক আৰু পাঠক মিলিত হয়, চিন্তাৰ আদান-প্ৰদান কৰে আৰু জ্ঞানৰ পোহৰ বিলায়। কিন্তু যদি পাঠকৰ সংখ্যা নাবাঢ়ে, তেন্তে এনে মেলাৰ আয়োজনৰ একো অৰ্থ নাথাকে। এই কথা অতি সত্য, কিয়নো গ্ৰন্থমেলাৰ মূল উদ্দেশ্যেই হৈছে পঢ়াৰ সংস্কৃতি বৃদ্ধি কৰা আৰু সমাজত জ্ঞানৰ প্ৰসাৰ ঘটোৱা। গ্ৰন্থমেলাৰ দৰে অনুষ্ঠানসমূহ বছৰেকীয়া উৎসাহেৰে আয়োজিত হয়, কিন্তু যদি যুৱ প্ৰজন্মই কিতাপৰ পৰা আঁতৰি যায়, তেন্তে এই মেলাসমূহ কেৱল ব্যৱসায়িক কাৰ্য্যলৈ পৰিণত হ'ব আৰু সাংস্কৃতিক মূল্য হেৰুৱাব।

আজিকালিৰ প্ৰজন্ম কিতাপ পঢ়াৰ পৰা বহু দূৰত। ভাৰতত বিভিন্ন সমীক্ষাৰ পৰা দেখা গৈছে যে যুৱক-যুৱতীসকলৰ মাজত পঢ়াৰ অভ্যাস হ্ৰাস পাইছে। নেচনেল বুক ট্ৰাষ্টৰ যুৱ পাঠক সমীক্ষা অনুসৰি, যদিও সাক্ষৰতাৰ হাৰ বাঢ়িছে, কিন্তু অৱসৰত কিতাপ পঢ়াসকলৰ সংখ্যা কমি গৈছে। ইণ্টাৰনেটৰ আগমনৰ লগে লগে যুৱক যুৱতীসকলে অনলাইনত তথ্য বিচাৰি লয়। কিতাপৰ পৰা আঁতৰি যায়। অসমতো চিত্ৰখন একে। অসম চৰকাৰে ২০২৫ চনটোক গ্ৰন্থবৰ্ষ বুলি ঘোষণা কৰিছে আৰু গ্ৰন্থমেলাসমূহ জিলা পৰ্যায়লৈ বিস্তাৰ কৰিছে। গুৱাহাটী গ্ৰন্থমেলাত দৈনিক ৫০,০০০ দৰ্শক আহিছে আৰু অধিক কিতাপো বিক্ৰী হৈছে। এই উদ্যোগে পাঠক বৃদ্ধিৰ আশা জগাইছে, কিন্তু যুৱ প্ৰজন্মৰ অংশগ্ৰহণ এতিয়াও কম।

যুৱ প্ৰজন্মই কিতাপ নপঢ়াৰ মূল কাৰণ হৈছে সামাজিক মাধ্যমৰ প্ৰভাৱ। ফেচবুক, ইনষ্টাগ্ৰাম, টিকটক আদি প্লেটফৰ্মত সময় অতিবাহিত কৰি আজিৰ প্ৰজন্মই চুটি ভিডিঅ', ৰিলছ আৰু প'ষ্টত মগ্ন হৈ থাকে। বিশ্বজুৰি সমীক্ষাত দেখা গৈছে যে সামাজিক মাধ্যমে দীৰ্ঘসময়ৰ বাবে পঢ়াৰ ক্ষমতা হ্ৰাস কৰে আৰু মনোযোগৰ অভাৱ সৃষ্টি কৰে। ভাৰততো একে অৱস্থা। টাইমছ অৱ ইণ্ডিয়াৰ খবৰ অনুসৰি, টেলিভিছন আৰু ইণ্টাৰনেটৰ বাবে যুৱকসকলৰ পঢ়াৰ অভ্যাস হ্ৰাস পাইছে। অসমত শিক্ষা মন্ত্ৰীয়ে কৈছে যে পাঠকৰ সংখ্যা কমি গৈছে আৰু চৰকাৰে বিদ্যালয়ত পঢ়াৰ পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। যি কেইজনে অলপ পঢ়ে, সেয়াও প্ৰায়ে সামাজিক মাধ্যমতহে পঢ়ে।

অৱশ্যে পঢ়ুৱৈ এতিয়াও আছে, কিন্তু সংখ্যাত বহুত কম। পুৰণি প্ৰজন্ম এতিয়াও কিতাপৰ প্ৰতি আকৰ্ষিত। কিন্তু যুৱকসকলৰ মাজত এই সংস্কৃতি যেন কমি গৈছে। ভাৰতত ওৱেল্ট কালচাৰ স্ক'ৰ ইণ্ডেস্কত পঢ়াৰ সময় বেছি বুলি দেখুৱাইছে। কিন্তু অধিকাংশই শিক্ষা বা চাকৰিৰ বাবেহে পঢ়ে, অৱসৰত নহয়। অসমতো গ্ৰন্থমেলাত শিশু সাহিত্য আৰু কল্পকাহিনীৰ বিক্ৰীয়ে দেখুৱাইছে যে কিছুমান পৰিয়ালে এতিয়াও পঢ়াৰ পৰম্পৰা বজাই ৰাখিছে। কিন্তু সামগ্ৰিকভাৱে যুৱক যুৱতীসকলৰ অংশগ্ৰহণ কম। সামাজিক মাধ্যমে যদিও #BookTok বা #Bookstagramৰ দৰে হেচটেগেৰে কিছু কিতাপৰ প্ৰচাৰ কৰিছে আৰু বিক্ৰী বঢ়াইছে, তথাপি ই চুটি সাৰাংশ বা ৰিভিউহে যোগান ধৰে।

এনে সমস্যাৰ সমাধানৰ বাবে কেইবাটাও পদক্ষেপ ল'ব লাগিব। প্ৰথমতে, বিদ্যালয়ত পঢ়াৰ ক্লাব বা ৰিডিং কেম্প স্থাপন কৰিব লাগিব। অসম চৰকাৰে ইতিমধ্যে যুৱ লেখকক সন্মান আৰু গ্ৰন্থমেলা বিস্তাৰ কৰি ভাল উদাহৰণ দিছে। দ্বিতীয়তে, অভিভাৱকসকলে ঘৰত পঢ়াৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব আৰু সামাজিক মাধ্যমৰ সময় সীমিত কৰিব লাগিব। তৃতীয়তে, প্ৰকাশকসকলে যুৱক যুৱতীসকলৰ বাবে আকৰ্ষণীয় কিতাপ- যেনে কল্পবিজ্ঞান, থ্ৰিলাৰ বা গ্ৰাফিক নভেল - প্ৰকাশ কৰিব লাগিব। চতুৰ্থতে, সামাজিক মাধ্যমৰ সদ্ব্যৱহাৰ কৰি কিতাপৰ প্ৰচাৰ কৰিব পাৰি, যাতে যুৱকসকলে ডিজিটেলৰ পৰা প্ৰিণ্টলৈ আহে।

পাঠকৰ সংখ্যা বৃদ্ধি নহ'লে গ্ৰন্থমেলাৰ আয়োজন কৰাৰ কোনো অৰ্থ নাথাকে। যুৱ প্ৰজন্মই যদি কিতাপৰ পৰা আঁতৰি থাকে, তেন্তে সমাজৰ বৌদ্ধিক বিকাশ বাধাগ্ৰস্ত হ'বই। কিন্তু আমাৰ ৰাজ্যখনে যিদৰে উদ্যোগ লৈছে, তাৰ ফলত আশাৰ ৰেঙণিও দেখা গৈছে। আমি সকলোৱে মিলি পঢ়াৰ সংস্কৃতি পুনৰ জাগ্ৰত কৰিলে, গ্ৰন্থমেলা কেৱল অনুষ্ঠান নহৈ, এক জ্ঞানৰ মহোৎসৱ হৈ উঠিব। পঢ়ক, পঢ়ুৱাওক আৰু সমাজক জ্ঞানময় কৰক।

# পৰিপূৰক দৃষ্টিভংগী

# বিজ্ঞান আৰু বিশ্বাস

অংকুৰজ্যোতি হাতীমূৰীয়া

পৃথিৱীখন আৰু ইয়াৰ ভিতৰত আমাৰ স্থান বুজিবলৈ মানৱীয় অভিযান ঐতিহাসিকভাৱে দুটা শক্তিশালী, অথচ মৌলিকভাৱে সুকীয়া কাঠামোৰ জৰিয়তে স্থানান্তৰিত হৈছে: ধৰ্ম আৰু বিজ্ঞান। এই ব্যৱস্থাসমূহক প্ৰায়ে বিৰোধী বুলি দেখা যায় যদিও জ্ঞানৰ বিভিন্ন সাংস্কৃতিক দৃষ্টিভংগীক প্ৰতিনিধিত্ব কৰে। ধৰ্মই মূলতঃ উত্তৰাধিকাৰী সূত্ৰে পোৱা পৰম্পৰা, প্ৰকাশিত সত্য আৰু সাম্প্ৰদায়িক বিশ্বাসৰ ওপৰত নিৰ্মিত বিশ্বাসৰ সংস্কৃতি হিচাপে কাম কৰে। ইয়াৰ বিপৰীতে বিজ্ঞান সন্দেহৰ সংস্কৃতি হিচাপে কাম কৰে, যাৰ বৈশিষ্ট্য হৈছে পদ্ধতিগত সন্দেহবাদ, অভিজ্ঞতাভিত্তিক পৰীক্ষা আৰু অস্থায়ী সিদ্ধান্ত। এই দ্বৈততাক বুজাটো প্ৰতিটো ক্ষেত্ৰই অৰ্থ, সত্য আৰু সমাজৰ নীতি-নিয়মসমূহ কেনেকৈ গঠন কৰে তাৰ মূল্যায়নৰ বাবে অতি গুৰুত্বপূৰ্ণ।

ধৰ্মই নিজৰ মূলত এনে এক সংস্কৃতিৰ খেতি কৰে য'ত বিশ্বাস নিৰপেক্ষ পৰীক্ষণৰ পূৰ্বে থাকে। ই হৈছে বিশ্বাস, প্ৰকাশ বা আধ্যাত্মিক অভিজ্ঞতাৰ জৰিয়তে প্ৰায়ে গ্ৰহণ কৰা বিশ্বাসৰ আশে-পাশে নিৰ্মিত এক সামাজিক আৰু ব্যক্তিগত গাঁথনি। বিশ্বাসে শিলাস্তৰ হিচাপে কাম কৰে, নৈতিক কাঠামো, অস্তিত্বৰ আৰাম আৰু মহাজাগতিক উৎপত্তি আৰু উদ্দেশ্যৰ এক বিস্তৃত আখ্যান প্ৰদান কৰে। এই সংস্কৃতিত প্ৰতিষ্ঠিত পবিত্ৰ গ্ৰন্থ আৰু কৰ্তৃত্বশীল পৰম্পৰাই মূল পাঠ্যক্ৰম গঠন কৰে। উদাহৰণস্বৰূপে, খ্ৰীষ্টান ধৰ্মত খ্ৰীষ্টৰ দেৱত্ব বা হিন্দু ধৰ্মত ধৰ্মৰ ধাৰণা আদি বিশ্বৰ প্ৰধান ধৰ্মসমূহৰ মূল নীতিসমূহ নিৰন্তৰ অভিজ্ঞতাভিত্তিক প্ৰত্যাহ্বানৰ পৰিৱৰ্তে আনুগত্য আৰু সাম্প্ৰদায়িক অনুশীলনৰ জৰিয়তে বজাই ৰখা হয়। ব্যক্তিগত ধৰ্মতত্ত্বৰ যাত্ৰাত কেতিয়াবা সন্দেহ উপস্থিত থাকিলেও সাধাৰণতে সামূহিক বিশ্বাস ব্যৱস্থাৰ স্থিৰতাৰ প্ৰতি ভাবুকি হিচাপে গণ্য কৰা হয়। ধৰ্মীয় সংস্কৃতিৰ শক্তি নিহিত হৈ আছে জীৱনৰ অন্তৰ্নিহিত অস্পষ্টতাৰ সন্মুখত গভীৰ সাম্প্ৰদায়িক বন্ধন গঢ়ি তোলা আৰু নিশ্চয়তা প্ৰদান কৰাৰ ক্ষমতাত।

**বিজ্ঞানত সন্দেহৰ সংস্কৃতি ঃ** ইয়াৰ সম্পূৰ্ণ বিপৰীতে বিজ্ঞান গাঁথনিগতভাৱে পদ্ধতিগত সন্দেহৰ নীতিৰ ওপৰত নিৰ্মিত। ই হৈছে বৰ্তমানৰ জ্ঞানক প্ৰত্যাহ্বান জনাবলৈ বিশেষভাৱে পৰিকল্পিত এক আত্মসংশোধন ব্যৱস্থা। বৈজ্ঞানিক পদ্ধতিয়ে অনুমানসমূহ পৰীক্ষাযোগ্য, ভুৱা আৰু নতুন প্ৰমাণৰ ভিত্তিত পুনৰীক্ষণৰ বাবে মুকলি হোৱাটো দাবী কৰে। কোনো বৈজ্ঞানিক তত্ত্বক কেতিয়াও নিৰপেক্ষভাৱে প্ৰমাণিত বুলি গণ্য কৰা নহয়; অধিক পৰীক্ষাই ইয়াক অপৰ্যাপ্ত বুলি প্ৰমাণ নকৰালৈকে ই কেৱল উপলব্ধ উত্তম ব্যাখ্যাহে। নিউটনৰ পদাৰ্থ বিজ্ঞানৰ পৰা আইনষ্টাইনৰ আপেক্ষিকতালৈ পৰিৱৰ্তন বিবেচনা কৰক; আইনষ্টাইনৰ যুগান্তকাৰী কামে নিউটনক সম্পূৰ্ণৰূপে বাতিল কৰা নাছিল বৰঞ্চ নিৰ্দিষ্ট পৰিস্থিতিত নিউটনৰ অনুমানৰ সীমা প্ৰদৰ্শন কৰিছিল। এই অহৰহ প্ৰশ্নই বৈজ্ঞানিক প্ৰগতিৰ ইঞ্জিন। বৈজ্ঞানিক গৱেষণা পত্ৰসমূহ সমনীয়াৰ পৰ্যালোচনাৰ অধীনত থাকে, যিটো প্ৰতিষ্ঠানিক সন্দেহৰ আনুষ্ঠানিক প্ৰক্ৰিয়া, যিয়ে নিশ্চিত কৰে যে দাবীসমূহ বৈজ্ঞানিক জ্ঞানৰ শৰীৰত গ্ৰহণ কৰাৰ আগতে কঠোৰভাৱে পৰীক্ষা কৰা হয়।

> সত্যৰ বিচ্ছিন্ন পথত এই দুটা সংস্কৃতিৰ মাজত মূল পাৰ্থক্য নিহিত হৈ আছে বৈধ জ্ঞান বা সত্যক কি গঠন কৰে সেই বিষয়ে তেওঁলোকৰ দৃষ্টিভংগীত। আধ্যাত্মিক কৰ্তৃত্বৰ ওপৰত ভিত্তি কৰি ধৰ্মীয় সত্যক প্ৰায়ে অপৰিৱৰ্তনীয় আৰু অতিক্ৰমণীয় বুলি গণ্য কৰা হয়।

সত্যৰ বিচ্ছিন্ন পথত এই দুটা সংস্কৃতিৰ মাজত মূল পাৰ্থক্য নিহিত হৈ আছে বৈধ জ্ঞান বা সত্যক কি গঠন কৰে সেই বিষয়ে তেওঁলোকৰ দৃষ্টিভংগীত। আধ্যাত্মিক কৰ্তৃত্বৰ ওপৰত ভিত্তি কৰি ধৰ্মীয় সত্যক প্ৰায়ে অপৰিৱৰ্তনীয় আৰু অতিক্ৰমণীয় বুলি গণ্য কৰা হয়। ইয়াৰ মূল্য নৈতিক আচৰণৰ পথ প্ৰদৰ্শন আৰু চূড়ান্ত অৰ্থ প্ৰদান কৰাৰ ক্ষমতাত পোৱা যায়। ইয়াৰ বিপৰীতে বৈজ্ঞানিক সত্য আকস্মিক আৰু অন্তৰ্নিহিত, পৰ্যবেক্ষণযোগ্য পৰিঘটনাৰ পৰা উদ্ভৱ হোৱা। ইয়াৰ মূল্য ইয়াৰ ভৱিষ্যদ্বাণীমূলক শক্তি আৰু ভৌতিক জগতখনক হেঁচা মাৰি ধৰিব পৰা আৰু বুজিব পৰা ক্ষমতাত নিহিত হৈ আছে। যেতিয়া কোনো বৈজ্ঞানিক তথ্যই ধৰ্মীয় গ্ৰন্থৰ আক্ষৰিক ব্যাখ্যাৰ বিৰোধিতা কৰে, তেতিয়া সন্দেহৰ সংস্কৃতিয়ে প্ৰকৃতিৰ বুজাবুজিক নবীকৰণ কৰাৰ ওপৰত জোৰ দিয়ে, আনহাতে বিশ্বাসৰ সংস্কৃতিয়ে প্ৰায়ে গ্ৰন্থখনৰ সংহতি বজাই ৰাখিবলৈ ৰূপক বা প্ৰসংগভিত্তিকভাৱে পুনৰ ব্যাখ্যা কৰাৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে, আধুনিক ব্ৰহ্মাণ্ডবিজ্ঞানে সৃষ্টিৰ আখ্যানৰ কিছুমান আক্ষৰিক ব্যাখ্যাক প্ৰত্যাহ্বান জনায়, বিশ্বাসীসকলক অভিজ্ঞতাভিত্তিক তথ্যৰ সৈতে বিশ্বাসৰ মিলন ঘটাবলৈ বাধ্য কৰে, যিটো এই দুটা ক্ষেত্ৰৰ মাজৰ সীমা পৰিচালনাৰ অন্তৰ্নিহিত প্ৰক্ৰিয়া।

সামগ্ৰিকভাৱে ক'ব পাৰি যে ধৰ্ম আৰু বিজ্ঞানে সেয়েহে বাস্তৱৰ সৈতে মানুহৰ জড়িততাৰ বাবে পৰিপূৰক কিন্তু সুকীয়া পথ আগবঢ়ায়। ধৰ্মই বিশ্বাসক আঁকোৱালি লোৱাৰ জৰিয়তে স্থিৰতা, অৰ্থ আৰু সাম্প্ৰদায়িক পৰিচয়ক প্ৰতিপালন কৰে, 'কিয়' প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে। বিজ্ঞানে সন্দেহৰ কঠোৰ প্ৰয়োগৰ জৰিয়তে অগ্ৰগতি, নিখুঁততা আৰু অভিযোজন ক্ষমতাক লাভান্বিত কৰে, 'কেনেকৈ' প্ৰশ্নৰ উত্তৰ দিয়ে। য'ত এটা ব্যৱস্থাই আনটোৰ স্থান বেদখল কৰিবলৈ চেষ্টা কৰিছে তাত ঐতিহাসিক উত্তেজনা বিদ্যমান যদিও ইয়াক সুকীয়া সাংস্কৃতিক পদ্ধতি হিচাপে স্বীকৃতি দিলে—এজনে প্ৰতিশ্ৰুতিক অগ্ৰাধিকাৰ দি আনটোৱে সমালোচনাক অগ্ৰাধিকাৰ দি-মানৱ জ্ঞান উৎপাদনৰ বিষয়ে অধিক চহকী বুজাবুজিৰ সুবিধা দিয়ে। মানৱ বুজাবুজিৰ বহুমুখী প্ৰচেষ্টাত দুয়োটাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে যদিও বেলেগ বেলেগ।

# আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ নৱনিৰ্বাচিত সভাপতি-সম্পাদক ৰাণাজ্যোতি নেওগ আৰু বিপ্লৱ চেতিয়াৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৭ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ ২০২৫-২৭ বৰ্ষৰ নৱনিৰ্বাচিত সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে ৰাণাজ্যোতি নেওগ আৰু বিপ্লৱ চেতিয়াই আজি আনুষ্ঠানিকভাৱে নিজৰ দায়িত্বভাৰ গ্ৰহণ কৰে। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ নৱনিৰ্মিত ভৱনত আয়োজিত ন-পুৰণি সমিতিৰ যুটীয়া বৈঠকত এই আনুষ্ঠানিকতা সম্পন্ন হয়। উক্ত বৈঠকত বিদায়ী সভাপতি ড° ঋষি দাসে নৱনিৰ্বাচিত সভাপতি ৰাণাজ্যোতি নেওগ, উপ-সভাপতি ৰাতুল কলিতা আৰু সাধাৰণ সম্পাদক বিপ্লৱ চেতিয়াক জনগোষ্ঠীয় গামোছা আৰু চেলেঙেৰে আদৰণি জনাই আনুষ্ঠানিকভাৱে দায়িত্বভাৰ অৰ্পণ কৰে। ইয়াৰ বিপৰীতে নৱনিৰ্বাচিত সভাপতি ৰাণাজ্যোতি নেওগে বিদায়ী সভাপতি ড° ঋষি দাসক সম্বৰ্ধনা জনাই তেওঁৰ আশীৰ্বাদ গ্ৰহণ কৰে। ড° ঋষি দাসৰ পৌৰোহিত্যত অনুষ্ঠিত ন-পুৰণি সমিতিৰ বৈঠকত প্ৰাক্তন সভাপতি অনুজ কলিতা আৰু প্ৰাক্তন উপ-সভাপতি কমল তালুকদাৰে নতুন সমিতিক সংগঠন পৰিচালনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ দিহা-পৰামৰ্শ আগবঢ়ায়। বিদায়ী সভাপতি ড° ঋষি দাসে নিজ বক্তব্যত বহু গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াই বক্তব্য প্ৰদান কৰে। তেওঁ ডিজিটেল মাধ্যমৰ সাংবাদিকতাকে ধৰি বহু বিষয় ভাষণত উল্লেখ কৰে। নিজ ভাষণত নৱনিৰ্বাচিত সভাপতি ৰাণাজ্যোতি নেওগে সংগঠনৰ ওপৰত প্ৰদৰ্শিত বিশ্বাস আৰু দায়িত্বক গভীৰ সন্মান জনাই ঐক্য, অনুশাসন আৰু সতীৰ্থসকলৰ সহযোগিতাৰে সংগঠনটোক অধিক শক্তিশালী ৰূপত আগবঢ়াই লৈ যাব বুলি আশ্বাস প্ৰদান কৰে। সংগঠন তথা সাংবাদিক সমাজৰ স্বাৰ্থত সকলো একত্ৰিত হৈ কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে জ্যেষ্ঠসকলৰ পৰামৰ্শ সদায় গ্ৰহণযোগ্য বুলি তেওঁ মন্তব্য কৰে। নৱনিৰ্বাচিত সাধাৰণ সম্পাদক বিপ্লৱ চেতিয়াই সকলোৰে সহযোগিতাৰে কাম কৰি যাব বুলি কয়। উল্লেখযোগ্য যে, ১৯৭৫ চনৰ ৩০ নৱেম্বৰত প্ৰতিষ্ঠিত তিনিচুকীয়া জিলা সাংবাদিক সন্থা ৰাজ্যখনৰ অন্যতম সক্ৰিয় আৰু শক্তিশালী সাংবাদিক সংগঠন হিচাপে সুপৰিচিত। ভাৰতীয় বাৰ্তাজীৱী মহাসংঘ আৰু অসম বাৰ্তাজীৱী সংঘৰ অন্তৰ্গত এই সংগঠনটোৱে জিলাখনৰ ৮টা প্ৰেছ ক্লাবৰ জৰিয়তে শতাধিক সাংবাদিক সদস্যক একত্ৰিত কৰি আহিছে। সন্থাৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী সমাৰোহৰ সামৰণি অনুষ্ঠান আৰু চতুৰ্বিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশন ডুমডুমা প্ৰেছক্লাব আৰু ডুমডুমাবাসীৰ আতিথ্যত ৯ৰ পৰা ১৩ ডিচেম্বৰলৈ ডুমডুমা নগৰ খেলপথাৰত সফলভাৱে অনুষ্ঠিত হয়। উক্ত অধিৱেশনৰ প্ৰতিনিধি সভাত তিনিটা কাৰ্যকাল ধৰি সাধাৰণ সম্পাদক হিচাপে দায়িত্ব পালন কৰা ৰাণাজ্যোতি নেওগক সভাপতি, ৰাতুল কলিতাক উপ-সভাপতি আৰু বিপ্লৱ চেতিয়াক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। ইয়াৰ লগতে মনোজ বৰুৱা, প্ৰাঞ্জলপ্ৰতীম ভূঞা আৰু সমৰজ্যোতি গগৈক সহ-সাধাৰণ সম্পাদক, দেবেন ডেকাক মুখপত্ৰ সম্পাদক, দীনেশ গোয়েলক কোষাধ্যক্ষ, বিকাশ বৰুৱাক কাৰ্যালয় সম্পাদক আৰু একাধিক সদস্যক কাৰ্যনিৰ্বাহক সদস্য হিচাপে লৈ ২০ জনীয়া নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। লগতে ৰঞ্জিত দত্তক সভাপতি আৰু কৃষ্ণা উপাধ্যায়কক সচিব হিচাপে লৈ ন্যাস সমিতিও গঠন কৰা হয়। ইফালে দায়িত্বভাৰ গ্ৰহণৰ পাছতেই নৱনিৰ্বাচিত সভাপতি ৰাণাজ্যোতি নেওগৰ পৌৰোহিত্যত ২০২৫-২৭ বৰ্ষৰ নতুন সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক বিপ্লৱ চেতিয়াই। বৈঠকত আগন্তুক ৪-৫ জানুৱাৰীত অনুষ্ঠিত হ'বলগা অসম বাৰ্তাজীৱী সংঘৰ সোণালী জয়ন্তী অনুষ্ঠানলৈ সন্থাৰ প্ৰতিনিধি নিৰ্বাচনৰ লগতে আগন্তুক বৰ্ষৰ বিস্তৃত কৰ্মসূচী সন্দৰ্ভত আলোচনা কৰা হয়। এই কৰ্মসূচীৰ ভিতৰত ১১ জানুৱাৰীত নৱবৰ্ষৰ প্ৰীতিভোজ, ফেব্ৰুৱাৰীত সাংবাদিক কৰ্মশালা, মাৰ্চ মাহত অসম বাৰ্তাজীৱী সংঘৰ নেতৃত্বৰে মুখামুখি অনুষ্ঠান, এপ্ৰিলত বহাগী আদৰণি অনুষ্ঠান, ১৭ মে'ত পৰাগ কুমাৰ দাস স্মৃতি দিৱস, প্ৰয়াত প্ৰাক্তন সভাপতিসকলৰ স্মৰণত বক্তৃতানুষ্ঠান, মাহজোৰা সমষ্টি ভিত্তিত ৰাইজৰ আদালত অনুষ্ঠান, ১৯ আগষ্টত বিশ্ব ফটোগ্ৰাফী দিৱস পালন, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতিসকলৰ জীৱন-কৃতি লৈ গ্ৰন্থ প্ৰকাশ আৰু ৩০ নৱেম্বৰত ৫২তম প্ৰতিষ্ঠা দিৱসৰ লগতে মধ্যকালীন অধিৱেশন আয়োজন কৰাৰ বিষয়ে সিদ্ধান্ত লোৱা হয়। অন্যহাতে সভাই সংবিধান সংশোধনী সমিতি এখন গঠন কৰি তিনিমাহৰ ভিতৰত সংশোধনী কাম সম্পন্ন কৰাৰ সিদ্ধান্ত ঘোষণা কৰে। সভাত ন্যাস সমিতিখনো পুণাঙ্গকৰণ কৰা হয়।

## চামগুৰিৰ মাগুৰমাৰীত প্ৰধান মন্ত্ৰীৰ ১২৯ সংখ্যক 'মন কী বাত' অনুষ্ঠানত বিজেপি নেতা নাজিৰ হুছেইন

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ ডিচেম্বৰ ঃ** চামগুৰি সমষ্টিৰ মাগুৰমাৰী পঞ্চায়তত আজি প্ৰধানমন্ত্ৰীৰ ১২৯ সংখ্যক জনপ্ৰিয় ৰেডিঅ' অনুষ্ঠান 'মন কী বাত'ত উপস্থিত থাকে বিজেপি নেতা তথা চামগুৰি সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থীত্বৰ দাবীদাৰ নাজিৰ হুছেইন। প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' অনুষ্ঠানত প্ৰায় দুই শতাধিক পুৰুষ মহিলা উপস্থিত থাকি প্ৰধানমন্ত্ৰীৰ অনুষ্ঠানটি একান্তমনে শুনে। উক্ত অনুষ্ঠানত বিজেপিৰ সংখ্যালঘু মৰ্চাৰ কাৰ্যনিৰ্বাহক সদস্য শ্বাজিবুল ইছলামৰ লগতে বুথৰ কাৰ্যকৰ্তা সকল উপস্থিত থাকে।

# বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত মুলবাৰী আইডিয়েল একাডেমিৰ শুভাৰম্ভণি

**অসম বাৰ্তা, লেংটিছিঙা, ২৭ ডিচেম্বৰ ঃ** শিক্ষাক্ষেত্ৰত নতুন আশাৰ পোহৰ পূৰ্ব জপেয়া বজাৰৰ ওচৰৰ মূলবাৰীত আজি "আইডিয়েল একাডেমি" নামৰ এখন নতুন বিদ্যালয়ৰ শুভাৰম্ভণি কৰা হয়। স্থানীয় ৰাইজৰ উপস্থিতিত আয়োজিত এই শুভাৰম্ভণি অনুষ্ঠানটি উৎসৱমুখৰ পৰিবেশত সম্পন্ন হয়। শিক্ষা ক্ষেত্ৰত এক নতুন অধ্যায় সংযোজন কৰা এই বিদ্যালয়খন অঞ্চলটোৰ শিক্ষাৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। আইডিয়েল একাডেমিত ইংৰাজী আৰু অসমীয়া- দুয়োটা মাধ্যমত পাঠ্যক্ৰম চলোৱা হ'ব। আধুনিক শিক্ষাব্যৱস্থা আৰু পৰম্পৰাগত মূল্যবোধৰ সমন্বয়েৰে ছাত্ৰ-ছাত্ৰীক গঢ়ি তোলাই বিদ্যালয়খনৰ মূল লক্ষ্য বুলি বিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে। গুণগত শিক্ষা, শৃংখলাবদ্ধ পাঠদান ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব বুলি তেওঁলোকে উল্লেখ কৰে। শুভাৰম্ভণি অনুষ্ঠানত বক্তৃতা আগবঢ়াই বিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা পৰিচালনা সমিতিৰ সদস্যসকলে কয় যে, আজিৰ প্ৰতিযোগিতামূলক যুগত কেৱল পাঠ্যপুথিৰ জ্ঞানেই যথেষ্ট নহয়। ছাত্ৰ-ছাত্ৰীৰ নৈতিক শিক্ষা, চৰিত্ৰ গঠন, আত্মবিশ্বাস বৃদ্ধি আৰু সৃষ্টিশীল চিন্তাধাৰাৰ বিকাশৰ বাবে এখন আদৰ্শ শিক্ষানুষ্ঠানৰ প্ৰয়োজন। সেই লক্ষ্য আগত ৰাখিয়েই আইডিয়েল একাডেমিৰ যাত্ৰা আৰম্ভ কৰা হৈছে। বিদ্যালয়খনত অভিজ্ঞ আৰু প্ৰশিক্ষিত শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা পাঠদান কৰা হ'ব বুলি জানিবলৈ দিয়া হয়। লগতে আধুনিক শিক্ষাসামগ্ৰী, সু-ব্যৱস্থিত শ্ৰেণীকক্ষ আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে অনুকূল শিক্ষাপৰিৱেশ সৃষ্টি কৰাৰ ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। ভৱিষ্যতে খেলাধূলা, সাংস্কৃতিক কাৰ্যসূচী আৰু সহ-পাঠ্যক্ৰমীয় কাৰ্যকলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ নিশ্চিত কৰাৰ পৰিকল্পনা কৰা হৈছে। স্থানীয় ৰাইজে এই নতুন বিদ্যালয়খনক আদৰণি জনাই সন্তোষ প্ৰকাশ কৰে। তেওঁলোকৰ মতে, আইডিয়েল একাডেমিৰ স্থাপনে অঞ্চলটোৰ অভিভাৱকসকলৰ বাবে এক ডাঙৰ সহায় হ'ব আৰু ছাত্ৰ-ছাত্ৰীসকলে নিজৰ গাঁও-চহৰতেই গুণগত শিক্ষা লাভ কৰাৰ সুযোগ পাব। সাৰ্বিকভাৱে, আইডিয়েল একাডেমিয়ে শিক্ষাক্ষেত্ৰত এক নতুন যাত্ৰা আৰম্ভ কৰিছে, যি যাত্ৰাই আগন্তুক দিনত বহু ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত গঢ়াত সহায় কৰিব বুলি সকলোৱে বিশ্বাস।

# অসম সাহিত্য সভাৰ ১০৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৭ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত আৰু বৰডুবি স্বৰ্ণ শাখা সাহিত্য সভাৰ আতিথ্যত অসম সাহিত্য সভাৰ ১০৯ সংখ্যক প্ৰতিষ্ঠা দিৱসটি আজি বৰডুবি জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। পুৱা পতাকা উত্তোলন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই, স্মৃতি তৰ্পণ কৰে উপ সভাপতি চন্দ্ৰ কুমাৰ বৰুৱাই, অসম সাহিত্য সভা প্ৰতিষ্ঠাপক সভাপতি পদ্মনাথ গোহাঞিঃ বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি বন্তিপ্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি তৰংগমল্ল বৰুৱাই, হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি বন্তিপ্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বৰডুবি শাখাৰ সভাপতি অৰ্চনা ফুকনে, অনাতাঁৰ শিল্পী চৈয়দ ছাদুল্লাৰ প্ৰতিছবিৰ সন্মুখত এগছি বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বৰডুবি মহাবিদ্যালয়ৰ অধ্যক্ষ অতুল চন্দ্ৰ গগৈয়ে। বৰডুবি শাখাৰ শিল্পীসকলে পৰিবেশন কৰা চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা মুকলি সভাখনত সভাপতিত্ব কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই। জিলা সম্পাদক অৰূপ কুমাৰ চাংমাইয়ে আঁত ধৰা সভাখনত উপস্থিত থাকে জিলা উপ সভাপতি চন্দ্ৰ কুমাৰ বৰুৱা, প্ৰাক্তন উপ সভাপতি তৰংগমল্ল বৰুৱা, প্ৰাক্তন সম্পাদক পুলক কুমাৰ গগৈ দুলিয়াজান শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰঞ্জন মহন্ত, দুলিয়াজান শাখা সাহিত্য সভাৰ সভাপতি ড° অজিত শইকীয়া। আদৰণি ভাষণ প্ৰদান কৰে বৰডুবি স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি অৰ্চনা ফুকনে। সভাৰ মাজত গীত পৰিৱেশন কৰে নৱমী শইকীয়া, চয়নিকা ডেকা, পূবালী দুৱৰা, কাব্য আকৱ মেধিয়ে। বৰডুবি শাখাৰ সম্পাদক দেৱব্ৰত ফুকনে শলাগৰ শৰাই জ্ঞাপন কৰাৰ পাছত জাতীয় সংগীতেৰে সভাৰ কাৰ্যসূচী সামৰণি পৰে।

## জাঁজীৰ সাংবাদিক প্ৰসেনজিত গগৈলৈ সাহিত্য সভাৰ সংবাদ জ্যোতি বঁটা

**অসম বাৰ্তা, জাঁজী, ২৮ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ জাঁজীৰ জ্যেষ্ঠ সাংবাদিক প্ৰসেনজিত গগৈক অহা ৪ আৰু ৫ জানুৱাৰীত ডিমৌত অনুষ্ঠিত হ'ব লগা শিৱসাগৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনত আনুষ্ঠানিক ভাৱে "সংবাদ জ্যোতি বঁটাঞ্চ প্ৰদান কৰা হ'ব। উল্লেখ্য যে এই অনুষ্ঠানতেই শিৱসাগৰ জিলাৰ আন প্ৰায় ত্ৰিশজন সাংবাদিকক বঁটা প্ৰদান কৰিব। আনহাতে গগৈ জাঁজীৰ পৰা দৈনিক জনমভূমি কাকতত সংবাদ সেৱা আগবঢ়াই আহিছে। সাংবাদিক জনে এই বঁটাৰ বাবে নিৰ্বাচিত হোৱাত জাঁজীবাসী ৰাইজৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে সন্তোষ প্ৰকাশ কৰিছে।

**নাৰী সমাজৰ বৌদ্ধিক, সাংস্কৃতিক জাগৰণ অবিহনে উন্নতি সাধন অসম্ভৱ ঃ বিনু ডেকা**

# সদৌ অসম লেখিকা সমাৰোহ সমিতি, ওদালগুৰি জিলা সমিতিৰ প্ৰতিষ্ঠা দিৱস পালন

**অসম বাৰ্তা, টংলা, ২৮ ডিচেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অন্যতম শাখা ওদালগুৰি জিলা সমিতিৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱসটি দলংঘাট শাখাৰ উদ্যোগত উদ্‌যাপন কৰে। বন্তিপ্ৰজ্বলনেৰে শুভাৰম্ভণী কৰে দলংঘাটৰ জ্যেষ্ঠা মহিলা পাৰুল দেৱীয়ে। জিলা সমিতিৰ সভানেত্ৰী চন্দ্ৰপ্ৰভা দত্তই পতাকা উত্তোলন কৰাৰ পিছতে দলংঘাট দলৈপাৰাৰ জাতীয় শ্বহীদ প্ৰবীন মহন্তৰ পবিত্ৰ স্মৃতিত জ্যেষ্ঠ ভাতৃ জয়দেৱ মহন্তই বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধা জনায়। দলৈপাৰাৰ গিৰীজা নাথে গছপুলি ৰোপণ কৰে। মুকলি সভাৰ আৰম্ভণীতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত শাখা সমিতিৰ সভানেত্ৰীয়ে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধা তৰ্পণ কৰে আৰু সমূহীয়াভাৱে মায়াবিনী গীত গাই শ্ৰদ্ধাঞ্জলি জনায়। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ জন্মদাতা ড° শীলা বৰঠাকুৰৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু ঘোষা পৰিৱেশনেৰে শ্ৰদ্ধা জ্ঞাপন কৰে। জিলা সমিতিৰ সম্পাদিকা ক্ষীৰা শইকীয়া ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখন চিৰ চেনেহী মোৰ ভাষা জননী সমবেত গীতেৰে আৰম্ভ হয়। ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী চন্দ্ৰপ্ৰভা দত্তই সঞ্চালনা কৰা অনুষ্ঠানটোত দলংঘাট শাখাৰ নৱপ্ৰজন্মৰ সদস্যা নিশিতা শিৰমে আদৰণি ভাষণ দিয়ে। ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী আৰু দৰং জিলা লেখিকা সমাৰোহ সমিতিৰ বৰ্তমানৰ সভানেত্ৰী বিনু ডেকাই নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি নাৰী সমাজৰ বাটকটীয়া নাৰীৰ উদাহৰণ দাঙি ধৰি, নাৰীৰ বৌদ্ধিক সাংস্কৃতিক জাগৰণ অবিহনে সমাজৰ উন্নতি হ'ব নোৱাৰে বুলি মন্তব্য কৰে। দলংঘাট মিলন হাইস্কুলৰ শিক্ষক দীনেশ ডেকাই নাৰী সমাজৰ বৌদ্ধিক, সাংস্কৃতিক জাগৰণ অবিহনে সমাজৰ উন্নতি সাধন অসম্ভৱ বুলি প্ৰকাশ কৰে। সাহিত্যৰ লগতে বাঁহীবাদক ৰূপে স্বীকৃতি লাভ কৰা ডেকাই বাঁহী শীৰ্ষক কবিতা এটি পাঠ কৰে। সভাত আমন্ত্ৰিত কেইবাগৰাকীও ব্যক্তিয়ে ভাষণ ৰখাৰ লগতে শাখা সমূহেও গীত, কবিতা, অভিনয় প্ৰদৰ্শন কৰি মনোৰম কৰি তোলে। শিশু শিল্পী আকাংক্ষা আৰু দীপাঞ্জলিয়ে গুৰুজনাৰ সত্ৰীয়া নৃত্য পৰিবেশন কৰে। সভাত জিলা সমিতিৰ সম্পাদিকা ক্ষীৰা শইকীয়া ডেকাই আগন্তুক কৰ্মসূচীৰ বিষয়ে অৱগত কৰায়। উক্ত অনুষ্ঠানতে জিলা সমিতিৰ উপদেষ্টা চম্পা হাজৰিকা ডেকাক সম্বৰ্দ্ধনা জনোৱা হয়। সভাৰ শেষত সভানেত্ৰীৰ বক্তব্য মন্তব্যৰ পিছত অসম সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি পৰে।

## মৰিগাঁৱত অনুষ্ঠিত সদৌ অসম এথলেটিক চেম্পিয়নশ্বিপত ডিব্ৰুগড়ৰ সাফল্য



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত ৩১সংখ্যক আন্তঃজিলা সদৌ অসম মাষ্টাৰচ্‌ এথলেটিক চেম্পিয়নচিপ ২০২৫ অনুষ্ঠিত হৈ যায়। এই প্ৰতিযোগিতাত ডিব্ৰুগড় জিলা মাষ্টাৰচ্‌ এথলেটিক এচছিয়েচনৰ তৰফৰ পৰা পুৰুষ মহিলাসহ মুঠ ৫৯ গৰাকী প্ৰবীণ খেলুৱৈয়ে অংশ গ্ৰহণ কৰে। মৰিগাৱত অনুষ্ঠিত হোৱা আন্তঃজিলা ক্ৰীড়া সমাৰোহত অংশ গ্ৰহণ কৰি পুৰুষ মহিলা উভয়ে বিভিন্ন প্ৰতিযোগিতাত সোণৰ ৩৭ টা, ৰূপৰ ২৮টা আৰু ব্ৰঞ্জৰ ১২টা মুঠ ৭৭টা পদক আজুৰি অনাৰ লগতে শ্ৰেষ্ঠ দল হিচাপে পুৰস্কৃত হ'বলৈ সক্ষম হল। এই প্ৰবীণ খেলুৱৈ সকলক অনুষ্ঠানিক ভাবে অভিনন্দন জনাবলৈ ডিব্ৰুগড় জিলা মাষ্টাৰচ এথ্‌লেটিক এচছিয়েচনৰ তৰফৰ পৰা সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হৈ যায়। স্থানীয় আমোলাপট্টি নিবাসী দীপক বৰুৱাৰ বাসগৃহ প্ৰাঙ্গনত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সভাপতিত্ব কৰে ডিব্ৰুগড় জিলা মাষ্টাৰচ এথ্‌লেটিক এচছিয়েচনৰ সভাপতি তৰুণ গগৈয়ে। সভাখনিৰ আঁত ধৰি এচছিয়েচনৰ সম্পাদক অজয় কুমাৰ দত্তই কয় যে এই সাফল্য ডিব্ৰুগড় জিলাখনৰ বাবে অতি গৌৰবৰ বিষয় আৰু ইয়াৰ দ্বাৰা নৱ-প্ৰজন্ম অনুপ্ৰাণিত হব। লগতে অহা যোৱা আৰু খোৱা বোৱা সকলোখিনি নিজৰ পকেটৰ ধন খৰচ কৰি খেলুৱৈ সকলে নিজৰ জিলাখনলৈ সন্মান কঢ়িয়াই আনিলে তাৰ বাবে তেখেতে খেলুৱৈ সকলক অভিনন্দন জনায়। অনুষ্ঠানটিত কেইবা গৰাকীও প্ৰাক্তন বিশিষ্ট খেলুৱৈ আৰু সমাজসেৱকৰ উপস্থিতি থাকে। সভাত পদক প্ৰাপক সকলক ডিব্ৰুগড় জিলা মাষ্টাৰচ এথ্‌লেটিক এচছিয়েচনৰ তৰফৰ একোখন চেলেং চাদৰেৰে সম্বৰ্দ্ধনা জনোৱা হয়।

## দুলীয়াজানৰ পোৱালি পথাৰ গাঁৱত ভয়ংকৰ অগ্নিকাণ্ড

### লক্ষাধিক টকাৰ জলজীৱন মিছনৰ পাইপ জুইত ভস্মীভূত, দুষ্কৃতিকাৰীৰ অগ্নিসংযোগৰ সন্দেহ

**অসম বাৰ্তা, দুলীয়াজান, ২৭ ডিচেম্বৰ ঃ** দুলীয়াজান সমষ্টিৰ পোৱালি পথাৰ গাঁৱত কালি পুৱতি নিশা এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। গাঁওখনৰ খেলপথাৰত জলজীৱন মিছনৰ অধীনত বিভিন্ন প্ৰকল্পৰ বাবে মজুত কৰি ৰখা মূল্যবান পানীৰ পাইপত হঠাতে জুই লাগি অঞ্চলজুৰি তীব্ৰ আতংকৰ সৃষ্টি হয়। জানিব পৰা মতে, দুলীয়াজান সমষ্টিৰ কেইবাটাও অঞ্চলত চলি থকা জলজীৱন মিছনৰ কামৰ বাবে এই পাইপসমূহ পোৱালি পথাৰ খেলপথাৰত অস্থায়ীভাৱে সংৰক্ষণ কৰি ৰখা হৈছিল। পুৱতি নিশা কোনো দুষ্কৃতিকাৰীয়ে পৰিকল্পিতভাৱে অগ্নিসংযোগ কৰাৰ ফলতেই এই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে অইলৰ অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ দীঘলীয়া সময় ধৰি চলোৱা অহৰহ প্ৰচেষ্টাৰ অন্তত জুই সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়। অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতাৰ ফলতেই বৃহত্তৰ অঞ্চলটোত জুই বিস্তাৰ হোৱাৰ পৰা ৰক্ষা পৰে। অগ্নিকাণ্ডৰ সময়ত দুষ্কৃতিকাৰীয়ে স্থানীয় বাসিন্দা জগত বৰাৰ বাসগৃহতো বিস্তৰ ক্ষতি সাধন কৰাৰ অভিযোগ উঠিছে। এই ঘটনাত কেইবাটাও বাসগৃহ কথমপি ৰক্ষা পৰে যদিও অঞ্চলটোত কিছু সময়ৰ বাবে অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হয় আৰু আতংকিত হৈ পৰে স্থানীয় ৰাইজ। এই ভয়ংকৰ অগ্নিকাণ্ডত লক্ষাধিক টকা মূল্যৰ জলজীৱন মিছনৰ পাইপ সম্পূৰ্ণৰূপে জুইত জাহ যোৱা বুলি অনুমান কৰা হৈছে। সৌভাগ্যক্ৰমে এই ঘটনাত কোনো লোক হতাহত হোৱাৰ খবৰ পোৱা নাই। ইফালে, ঘটনাৰ গুৰুত্ব বিবেচনা কৰি আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ আৰু ইয়াৰ সৈতে জড়িত দুষ্কৃতিকাৰী চিনাক্ত কৰিবলৈ আৰক্ষীয়ে স্থানীয় লোকৰ পৰা তথ্য সংগ্ৰহ কৰি তদন্ত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, জলজীৱন মিছনৰ দৰে গুৰুত্বপূৰ্ণ জনকল্যাণমূলক আঁচনিৰ সামগ্ৰী নষ্ট হোৱাত অঞ্চলটোৰ উন্নয়নমূলক কামত প্ৰভাৱ পৰিব বুলি আশংকা প্ৰকাশ কৰিছে সচেতন মহলে।

# ভূ-মাফিয়াৰ দৌৰাত্ম্য; অস্তিত্বৰ সংকটত ঐতিহাসিক দলনি বিল, প্ৰতিবাদকাৰীক আতিশয্য আৰক্ষীৰ



**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২৮ ডিচেম্বৰ ঃ** ভূ-মাফিয়াৰ অবাধ দৌৰাত্যই অস্তিত্বৰ সংকটত পেলাইছে বঙাইগাঁও জিলাৰ ঐতিহাসিক দলনি বিল। এসময়ত নামনি অসমৰ মাছ উৎপাদনস্থলীৰূপে বিখ্যাত দলনি বিলত এতিয়া নিতৌ এক্সেভেটৰ আৰু ডাম্পাৰ লগাই চলিছে ব্যাপক অবৈধ খনন কাৰ্য। খননৰ ফলত বিলখনত সৃষ্টি হৈছে প্ৰকাণ্ড গাত, যাৰ ফলত পৰিৱেশ তন্ত্ৰৰ লগতে স্থানীয় ৰাইজৰ জীৱন-জীৱিকালৈও গভীৰ সংকট আহি পৰিছে। প্ৰাপ্ত তথ্য অনুসাৰি, দলনি বিলৰ সমীপৱৰ্তী মাণিকঝৰা, বৰজুলি, গণকঘুলি, খেৰপুজি, টিলাপাৰা আৰু সৃষ্টিপাৰা গাঁওসমূহত ভূ-মাফিয়াই অবাধে মাটি কাটি নিবলৈ ধৰিছে। এই অবৈধ খনন কাৰ্যত বাধা দিয়া গাঁওবাসীক ভাবুকি প্ৰদান কৰাৰ ভয়ংকৰ অভিযোগ উত্থাপন হৈছে। ভু-মাফিয়াৰ সৈতে প্ৰশাসনৰ গোপন সম্পৰ্ক থকাৰ উমান পাই সন্ত্ৰস্ত ৰাইজে অবৈধ খননৰ বিৰুদ্ধে মুখ খুলিবলৈ সাহস নকৰাৰ অভিযোগ প্ৰণিধানযোগ্য। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, সকলো দেখিও বনবিভাগে চকু মুদা কুলিৰ ভাওঁ ধৰাৰ বাবে এই অবৈধ খনন চলি আছে। আনকি বনবিভাগৰ জ্ঞাতসাৰেই খনন কাৰ্য চলা বুলিও অভিযোগ উত্থাপিত হৈছে। উল্লেখযোগ্য যে, যোৱা ২২ ডিচেম্বৰত এজন ছাত্ৰই গছ কটা দৃশ্য মোবাইলত বন্দী কৰাৰ বাবেই ভূ-মাফিয়াই ঔডুবীৰ মাজেৰ আলগা নদী আৰক্ষীৰ সহায়ত ছাত্ৰজনক আটক কৰাৰ অভিযোগ উত্থাপিত হৈছে। পৰৱৰ্তী সময়ত ৰাইজে কেইখনমান ডাম্পাৰ আৱদ্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰাত আৰক্ষীয়ে "ডাম্পাৰ এৰি দিলে ছাত্ৰ জনক এৰি দিম" বুলি নিৰ্লজ্জ চৰ্ত আগবঢ়ায় বুলি অভিযোগ কৰিছে ভুক্তভোগী ছাত্ৰ জনৰ মাতৃয়ে। ভূ-মাফিয়াৰ অবৈধ খননৰ ফলত দলনি বিলৰ পৰিৱেশ তন্ত্ৰ বিঘ্নিত হোৱাৰ উপৰিও ওচৰৰ গাঁওসমূহলৈ ভয়ংকৰ ভাবুকি নামি আহিছে। নিতৌ শ শ ডাম্পাৰে মাটি কঢ়িওৱাৰ ফলত অঞ্চলটোৰ পথসমূহ সম্পূৰ্ণৰূপে তছনছ হৈ পৰিছে। লগতে খননৰ ফলত সৃষ্টি হোৱা গভীৰ গাতত পৰি ইতিমধ্যে কেইবাজনো লোকৰ আহত হোৱা বুলি জনাইছে গাঁওবাসীয়ে। এই সমগ্ৰ পৰিস্থিতিক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰি স্থানীয় ৰাইজে অনতিপলমে দলনি বিলত চলি থকা অবৈধ খনন আৰু ভূ-মাফিয়াৰ দৌৰাত্ম বন্ধ কৰিবৰ বাবে জিলা প্ৰশাসনৰ দৃঢ় হস্তক্ষেপ দাবী কৰিছে। অন্যথা ঐতিহাসিক দলনি বিল অচিৰেই সম্পূৰ্ণৰূপে নিশ্চিহ্ন হোৱাৰ লগতে পৰিৱেশ তন্ত্ৰ সমূলি বিনষ্ট হোৱাৰ আশংকা কৰা হৈছে।

**প্ৰায় ১৭৫১৮ গ্ৰাম গাঞ্জা উদ্ধাৰ কৰিবলৈ সক্ষম হয় মৰিগাঁও আৰক্ষী**

# মৰিগাঁও ভূৰবন্ধাত বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৭ ডিচেম্বৰ ঃ** ৰবিবাৰে নিছেই পুৱাতে মৰিগাঁও ভূৰবন্ধাত এক বিশেষ সূত্ৰৰ পৰা উমান পাই মৰিগাঁও ভূৰবন্ধাত জাগিৰোডৰ পৰা AS 21 A C3735 নম্বৰৰ এখন এক বেটেৰিচালিত বাহনত তালাচি চলাই মুঠ ১৭ কেজি পাঁছশ ১৮ গ্ৰামৰ দুটি এক বৃহৎ পৰিমাণৰ পেকেট জব্দ কৰিবলৈ সক্ষম হয় মৰিগাওঁ আৰক্ষী। মৰিগাঁও সদৰ থানা নৱ নিযুক্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভবেন দাসৰ নেতৃত্বত চলা এই অভিযানত এই বৃহৎ পৰিমাণৰ গাঞ্জাৰ সহ এটি মবাইল আৰু কিছু নগদ ধনৰ সহ গাঞ্জা সৰবৰাহী আছাদুল হকক আটক কৰে মৰিগাঁও আৰক্ষীয়ে। জানিবলৈ পাৰি যে এইজন গাঞ্জা সৰবৰাহি আছাদুল হকে ডিমাপুৰৰ পৰা এই বৃহৎ পৰিমাণৰ গাঞ্জাখিনি প্ৰথমে ৰে'লেৰে জাগিৰোডলৈ লৈ আনে। পৰৱৰ্তী সময়ত জাগীৰোডৰ পৰা AS 21 A C3735 নম্বৰৰ এখন এক বেটেৰিচালিত বাহনেৰে লাহৰিঘাট মৈৰাবাৰি অভিমুখে আহি থকা অবস্থাত ভূৰবন্ধাত মৰিগাঁও আৰক্ষিয়ে এই গাঞ্জা সৰবৰাহকাৰি গৰাকীক আটক কৰে। এই ক্ষেত্ৰত গাঞ্জা সৰবৰহকাৰী ধৃত আছাদুলে কয় যে আজিৰ পৰা তেওঁ এই অবৈধ ব্যৱসায় কৰি আহিছে। এই গাঞ্জা সমূহ তেওঁ ডিমাপুৰৰ পৰা আনি লাহৰীঘাট, মৈৰাবাৰী আদি চৰত নি বিক্ৰী কৰে বুলি জানিবলৈ দিয়ে। আজি নিছেই পুৱা ভাগত গাঞ্জা সৰবৰাহকাৰি আছাদুলৰ পৰা মৰিগাঁও এই বৃহৎ পৰিমাণৰ গাঞ্জা লগতে এটি তেওঁ ব্যৱহিত ম'বাইলফোন, আৰু কিছু ব্যৱহিত সামগ্ৰী জব্দ কৰে। পৰৱৰ্তী সময়ত অধিক তথ্যৰ উদঘাটনৰ বাবে ইতিমধ্যে মৰিগাঁও আৰক্ষীয়ে ধৃত আছাদুলক মৰিগাঁও আৰক্ষী থানালৈ লৈ যায়।

## বজৰং দলৰ সমৰ্থনত সাংসদ

কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত নিজৰ মত প্ৰকাশ কৰিছে। নলবাৰীৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত নিজৰ বুথত আয়োজিত এই অনুষ্ঠানত যোগদান কৰাৰ পিছত সাংসদগৰাকীয়ে বজৰং দলৰ কাৰ্যকলাপ, ধৰ্মীয় অধিকাৰ আৰু মিত্ৰজোটৰ সম্পৰ্কৰ বিষয়ে স্পষ্টভাৱে মন্তব্য আগবঢ়াইছে। শেহতীয়াকৈ নলবাৰীত সংঘটিত হোৱা বজৰং দলৰ সৈতে জড়িত উদ্ভাগুলিৰ অভিযোগক লৈ সাংবাদিকসকলে প্ৰশ্ন কৰাত দিলীপ শইকীয়াই বজৰং দলৰ প্ৰতি সমৰ্থন জনাই কয় যে, “বজৰংগীসকলে দেশৰ কাৰণে জীৱন দিব পাৰে। ৰাষ্ট্ৰৰ স্বাৰ্থত কাম কৰি আছে বজৰং দলে।” ইয়াৰ উপৰি তেওঁ নিজেই বজৰং দলৰ সৈতে জড়িত বুলি স্পষ্টকৈ ঘোষণা কৰে। সাংসদগৰাকীৰ এই মন্তব্যই ৰাজ্যিক ৰাজনীতিত নতুন চৰ্চাৰ সূত্ৰপাত কৰিছে। ধৰ্মীয় স্বাধীনতা আৰু অধিকাৰৰ প্ৰসংগত দিলীপ শইকীয়াই কয় যে, ভাৰতীয় সংবিধানে প্ৰতিগৰাকী নাগৰিকক নিজৰ ধৰ্মীয় উৎসৱ পালন কৰাৰ সম্পূৰ্ণ অধিকাৰ প্ৰদান কৰিছে। কিন্তু এই অধিকাৰৰ সুযোগ লৈ ধৰ্মান্তৰকৰণৰ কাৰ্যকলাপ চলোৱা কোনোপধ্যেই সহ্য কৰা নহ'ব। তেওঁ অভিযোগ উত্থাপন কৰি কয় যে, খ্ৰীষ্টান ধৰ্মৰ একাংশ লোকে দুখীয়া-দৰিদ্ৰ লোকক সহায় কৰাৰ নামত ধৰ্ম পৰিৱৰ্তনৰ প্ৰক্ৰিয়া চলাই আছে আৰু এই কাৰ্য বন্ধ কৰিব লাগে। লগতে হিন্দু সমাজক উদ্দেশ্যি তেওঁ আহ্বান জনায় যে, কোনো প্ৰলোভনত পৰি নিজৰ সনাতন ধৰ্ম ত্যাগ কৰি আন ধৰ্ম গ্ৰহণ নকৰিব। এই মন্তব্যই ধৰ্মীয় সম্প্ৰীতিৰ প্ৰসংগত নতুন বিতৰ্কৰ সৃষ্টি কৰিব পাৰে বুলি ৰাজনৈতিক মহলত আলোচনা হৈছে। মিত্ৰজোটৰ সম্পৰ্কৰ বিষয়ে প্ৰশ্ন কৰাত সাংসদ দিলীপ শইকীয়াই অসম গণ পৰিষদক (এজিপি) বিজেপিৰ অতি বিশ্বাসী সহযোগী দল বুলি অভিহিত কৰে। তেওঁ দৃঢ়তাৰে কয় যে, আগন্তুক সময়তো এই মিত্ৰতা অটুট হৈ থাকিব আৰু আসন বুজাবুজিৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধা নহ'ব। এই বক্তব্যই ৰাজ্যত এনডিএ জোটৰ ঐক্যৰ বাৰ্তা প্ৰেৰণ কৰিছে। সাংসদগৰাকীৰ এই মন্তব্যসমূহে ৰাজ্যিক ৰাজনীতিৰ লগতে ধৰ্মীয় আৰু সামাজিক বিষয়ত বহু চৰ্চাৰ সৃষ্টি কৰিছে। ‘মন কি বাত’ অনুষ্ঠানৰ জৰিয়তে প্ৰধানমন্ত্ৰীৰ বাৰ্তা গ্ৰহণ কৰাৰ পিছত এনে গুৰুত্বপূৰ্ণ প্ৰতিক্ৰিয়া ব্যক্ত কৰাটোৱে তেওঁৰ ৰাজনৈতিক সক্ৰিয়তাৰো পৰিচয় দিছে।

## অসম দেশৰ আটাইতকৈ

উৎপাদন (GSDP)ৰ ভিত্তিত ২০২০ চনৰ পৰা ২০২৫ চনলৈকে অসমৰ অৰ্থনীতি প্ৰায় ৪৫ শতাংশ বৃদ্ধি পাইছে, যি দেশৰ আন যিকোনো ডাঙৰ ৰাজ্যতকৈয়ো অধিক আৰু ৰাষ্ট্ৰীয় গড় বৃদ্ধি হাৰ ২৯ শতাংশতকৈ বহু ওপৰত। এই দ্ৰুতগতিৰ অৰ্থনৈতিক অগ্ৰগতিৰ ফলত অসমৰ GSDPৰ আকাৰ ২.৪ লাখ কোটি টকাৰ পৰা বৃদ্ধি পাই ৩.৫ লাখ কোটি টকালৈ উন্নীত হৈছে। এই সাফল্যই অসমক দেশৰ আটাইতকৈ দ্ৰুত বিকশিত ৰাজ্যৰ শীৰ্ষস্থানত অধিষ্ঠিত কৰিছে। উল্লেখযোগ্য যে, এই বৃদ্ধি হাৰে তামিলনাডুৰ ৩৯ শতাংশ, কৰ্ণাটকৰ ৩৬ শতাংশ আৰু উত্তৰ প্ৰদেশৰ ৩৫ শতাংশকো পিছ পেলাইছে। RBIৰ তথ্য অনুসৰি, দেশৰ সামগ্ৰিক GDP ইয়াৰ মাজতে ১৪৫.৩৫ লাখ কোটি টকাৰ পৰা ১৮৭.৯৭ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। কিন্তু অসমকে ধৰি শীৰ্ষ দহখন দ্ৰুত বিকশিত ৰাজ্যই ৰাষ্ট্ৰীয় গড়ক বহু পিছ পেলাইছে। এই পৰিৱৰ্তনে ভাৰতৰ অৰ্থনৈতিক বিকাশৰ ছবিখন সলনি কৰি তুলিছে, য'ত পূৰ্বতে কেইখনমান ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল বৃদ্ধি এতিয়া বিভিন্ন অঞ্চললৈ বিস্তৃত হৈছে। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ অৱদান এতিয়া ৰাষ্ট্ৰীয় পৰ্যায়ত উল্লেখযোগ্য হৈ উঠিছে। এই অগ্ৰগতিৰ মূল কাৰণসমূহৰ ভিতৰত কৃষি খণ্ডৰ শক্তিশালী প্ৰদৰ্শন, তেল আৰু প্ৰাকৃতিক গেছ উদ্যোগৰ অৱদান লগতে আন্তঃগাঁথনি উন্নয়নৰ বিশাল বিনিয়োগ অন্যতম। পথ-দলং, উদ্যোগ, শক্তি আৰু যোগাযোগ ব্যৱস্থাৰ দ্ৰুত বিস্তাৰে ৰাজ্যখনৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গ্ৰহণ কৰা উন্নয়নমুখী নীতি, জনকল্যাণকৰী আঁচনি আৰু বিনিয়োগকাৰী অনুকূল পৰিৱেশে এই বৃদ্ধিৰ গতি ত্বৰান্বিত কৰিছে। ৰাজ্য চৰকাৰৰ প্ৰধান লক্ষ্য হৈছে অসমক দেশৰ শীৰ্ষ পাঁচখন উন্নত ৰাজ্যৰ ভিতৰত স্থান দিয়া। এই দিশত আগবাঢ়ি যোৱাত কৃষক, শ্ৰমিক, উদ্যোগপতি, যুৱসমাজকে ধৰি সৰ্বস্তৰৰ জনগণৰ কঠোৰ পৰিশ্ৰম আৰু সক্ৰিয় অংশগ্ৰহণে মুখ্য ভূমিকা পালন কৰিছে। এই ঐতিহাসিক সাফল্য কেৱল অৰ্থনৈতিক উন্নতিৰ চিন নহয়, বৰঞ্চ অসমৰ বাবে এক উজ্জ্বল ভৱিষ্যতৰ সংকেতো বহন কৰিছে। ৰাজনৈতিক আৰু অৰ্থনৈতিক বিশ্লেষকসকলে এই তথ্যক এক বৃহৎ পৰিৱৰ্তনৰ চিন বুলি অভিহিত কৰিছে। অসমৰ এই দ্ৰুত বিকাশে উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে প্ৰতিষ্ঠা কৰাতো সহায় কৰিব বুলি আশা কৰা হৈছে। পৰৱৰ্তী সময়ত এই গতি অব্যাহত ৰখাৰ বাবে নীতিগত স্থিৰতা আৰু অবিৰত বিনিয়োগৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

## খেৰণিত হিংসাৰ বলি

(এপিচিচি) এটা প্ৰতিনিধি দল আজি পীড়িত পৰিয়ালসমূহৰ ওচৰত উপস্থিত হয়। বিশেষভাৱে সক্ষম যুৱক সুৰুয দে (যাক প্ৰতিবাদকাৰীয়ে জীৱন্তে জ্বলাই দিয়াৰ অভিযোগ উঠিছে)ৰ বাসগৃহত প্ৰথমে উপস্থিত হয় কংগ্ৰেছ নেতৃবৃন্দই। প্ৰতিনিধি দলটোত অন্তৰ্ভুক্ত আছিল অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উপ-সভাপতি তথা প্ৰাক্তন মন্ত্ৰী প্ৰণয় ৰাভা, দুধনৈৰ বিধায়ক যাদৱ চৈগিয়াৰী, এপিচিচিৰ সাধাৰণ সম্পাদক বিতুপন শইকীয়া, প্ৰাক্তন বিধায়ক মানছিং ৰংপি, পশ্চিম কাৰ্বি আংলঙ জিলা কংগ্ৰেছৰ সভাপতি আগষ্টিন ইংতিৰ লগতে বহুকেইগৰাকী নেতা-কৰ্মী। তেওঁলোকে সুৰুয দেৰ পৰিয়ালৰ সৈতে ঘটনাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে দুৰ্ভগীয়া পৰিয়ালটিলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। কংগ্ৰেছ নেতাসকলে দুষ্কৃতিকাৰীসকলৰ ওপৰত উচিত আৰু নিৰপেক্ষ তদন্তৰ দাবী উত্থাপন কৰি প্ৰশাসনৰ ফালৰ পৰা তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ আশা প্ৰকাশ কৰে। তাৰ পিছতে নেতৃবৃন্দই আৰক্ষীৰ গুলীত নিহত হোৱা লিনুচ ফাংচোৰ বাসগৃহলৈ ৰাওনা হয় আৰু তেওঁৰ পৰিয়ালকো সমবেদনা জ্ঞাপন কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত কংগ্ৰেছ নেতাসকলে বৰ্তমানৰ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ হেমাহি আৰু অৱহেলাৰ বাবেই এনে দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হ'বলৈ সুবিধা হৈছে বুলি অভিযোগ উত্থাপন কৰে। তেওঁলোকে কয় যে, জিলাখনত দীৰ্ঘদিনীয়া ভূমি সমস্যা আৰু সম্প্ৰদায়ৰ মাজত উত্তেজনা নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে যথোচিত পদক্ষেপ গ্ৰহণ নকৰাৰ ফলতেই এই পৰিস্থিতিৰ সৃষ্টি হৈছে। প্ৰতিনিধি দলে সমগ্ৰ অঞ্চলত শান্তি পুনৰ স্থাপনৰ আহ্বান জনোৱাৰ লগতে সকলো পক্ষক সংযম পালন কৰিবলৈ অনুৰোধ কৰে। প্ৰশাসনে এতিয়াও জিলাখনত অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰি ৰখাৰ লগতে পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখিছে।

## নিৰ্বাচনী ৰণডংকা বজাবলৈ

নিৰাপত্তা বৃদ্ধিৰ বাবে সংহত কমাণ্ড এণ্ড কণ্ট্ৰল চিষ্টেম (integrated command and control system চমুকৈ ICCS) উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এ'ত পোষ্ট কৰি কয়, “গুৱাহাটীৰ সুৰক্ষাৰ বাবে এক বৃহৎ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্ত আৰু এটা ইণ্টিগ্ৰেটেড কমাণ্ড এণ্ড কণ্ট্ৰ'ল চিষ্টেম উদ্বোধন কৰিবলৈ সাজু হৈছে, যিয়ে নিৰাপত্তা আৰু জৰুৰীকালীন সঁহাৰি ব্যৱস্থাক শক্তিশালী কৰিবলৈ ২০০০ৰো অধিক চিচিটিভি নিৰীক্ষণ কৰিব।” উল্লেখ্য যে, এসময়ত একাংশ লোকে বেদখল কৰি থকা বটদ্ৰৱাৰ ভূমি বেদখলমুক্ত কৰি বিজেপি চৰকাৰে হাতত লৈছিল বটদ্ৰৱা প্ৰকল্প নিৰ্মাণৰ কাম। বৃহত্তৰ বটদ্ৰৱাৰ ৮০০ বিঘা চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ পাছত গুৰুজনাৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱা থানৰ কাষৰ ১০০ ৰো অধিক বিঘা ভূমিত এই বটদ্ৰৱা প্ৰকল্পৰ নিৰ্মাণকাৰ্য কৰা হৈছে। ২০০ কোটি টকীয়া এই প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পাচত ভকত-বৈষ্ণৱ তথা দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হ'ব।

## ’২৬ত ১০০খন আসনত

কৰিছে। বিশেষকৈ বিৰোধী শিবিৰত বিজেপি চৰকাৰক পৰাস্ত কৰাৰ লক্ষ্যৰে ঐক্য গঢ়াৰ প্ৰচেষ্টা চলি আছে, যদিও আসন ভাগ-বতৰাৰ ক্ষেত্ৰত এতিয়াও কোনো চূড়ান্ত সিদ্ধান্ত হোৱা নাই। এনে পৰিস্থিতিত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে এক উল্লেখযোগ্য মন্তব্য প্ৰকাশ কৰিছে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১৪১তম স্থাপন দিৱস উপলক্ষে তেজপুৰত অনুষ্ঠিত এক জনসভাত গগৈয়ে ঘোষণা কৰে যে কংগ্ৰেছে ১২৬খন বিধানসভা আসনৰ ভিতৰত ১০০ৰো অধিক আসনত প্ৰাৰ্থী দাঙি প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বাকী আসনসমূহ আলোচনাৰ মাজেৰে মিত্ৰ দলসমূহৰ মাজত ভাগ কৰা হ'ব বুলিও তেওঁ স্পষ্ট কৰে। গগৈয়ে কয়, “বিৰোধী দলসমূহ একেলগে মিলি বিজেপিৰ দৰে জনবিৰোধী চৰকাৰক পৰাজিত কৰিবলৈ আমি সংকল্পবদ্ধ। কংগ্ৰেছে মুখ্য ভূমিকা পালন কৰি ১০০ৰো অধিক আসনত প্ৰতিদ্বন্দ্বিতা কৰিব, আৰু বাকী আসনসমূহ মিত্ৰ দলসমূহৰ সৈতে আলোচনা কৰি নিৰ্ধাৰণ কৰা হ'ব।” তেওঁ লগতে উল্লেখ কৰে যে AIUDFৰ দৰে সাম্প্ৰদায়িক শক্তিৰ সৈতে কোনো ধৰণৰ মিত্ৰতা নহ'ব, কাৰণ তেনে দলসমূহকো বিজেপিৰ দৰেই সাম্প্ৰদায়িক বুলি গণ্য কৰা হয়। ইপিনে, ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে শেহতীয়াকৈ কেইখনমান আসনত প্ৰাৰ্থী ঘোষণা কৰাৰ পিছত এই বিষয়ে সোধাত গৌৰৱ গগৈয়ে কয় যে প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত এতিয়াও কোনো চূড়ান্ত আলোচনা হোৱা নাই। তেওঁ কয়, “শেহতীয়াকৈ অসম কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু অখিল গগৈৰ মাজত সৌহাৰ্দ্যপূৰ্ণ বাৰ্তালাপ হৈছে। কিন্তু কংগ্ৰেছে ১০০ৰো অধিক আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্তত অটল।” গৌৰৱ গগৈৰ এই ঘোষণাই বিৰোধী শিবিৰৰ আন দলসমূহৰ মাজত কিছু অস্বস্তিৰ সৃষ্টি কৰিছে বুলি ৰাজনৈতিক মহলত আলোচনা চলিছে। কাৰণ অসমত মুঠ ১২৬খন আসনৰ ভিতৰত কংগ্ৰেছে ১০০ৰো অধিক দাবী কৰিলে বাকী মাত্ৰ ২৬খন আসনহে আন ১৫খনমান বিৰোধী দলৰ মাজত ভাগ হ'ব। ইতিমধ্যে ৰাইজৰ দল, অসম জাতীয় পৰিষদ (AJP), আঞ্চলিক গণ মৰ্চা (AGM), চিপিএম, চিপিআই, চিপিআই(এমএল) আৰু আন কেইবাটাও দলে কংগ্ৰেছৰ আহ্বানত বৈঠকত অংশগ্ৰহণ কৰি ঐক্যৰ প্ৰতিশ্ৰুতি দিছে। কিন্তু আসন ভাগ-বতৰাৰ ক্ষেত্ৰত এতিয়াও কোনো সমঝোতা হোৱা নাই। ৰাজনৈতিক বিশ্লেষকসকলে মন্তব্য কৰিছে যে গৌৰৱ গগৈৰ এই দৃঢ় অৱস্থানে বিৰোধী ঐক্যত নতুন চ্যালেঞ্জৰ সৃষ্টি কৰিব পাৰে। পূৰ্বৰ উপ-নিৰ্বাচনসমূহতো কংগ্ৰেছ আৰু আন দলসমূহৰ মাজত সমন্বয়ৰ অভাৱ দেখা গৈছিল, যাৰ ফলত ভোট বিভাজন হৈ বিজেপিয়ে লাভৱান হৈছিল। যদি এইবাৰো আসন ভাগ-বতৰাত মতানৈক্যৰ সৃষ্টি হয়, তেন্তে বিজেপিৰ বাবে ই এক সুবিধাজনক পৰিস্থিতি হ'ব পাৰে। অৱশ্যে গৌৰৱ গগৈয়ে আশ্বাস দিছে যে বিৰোধী দলসমূহৰ সৈতে আলোচনা অব্যাহত আছে আৰু ঐক্যবদ্ধভাৱে বিজেপিক পৰাস্ত কৰাটোহে মুখ্য লক্ষ্য। পৰৱৰ্তী সময়ত এই আলোচনাৰ ফলাফল কি হয়, সেয়া লক্ষণীয় হ'ব।

## বাঘমাৰীত বেদখলীকৃত ভূমিত

১৫ লেচা পৰিমাণৰ চৰকাৰী ভূমি (পিজিআৰ আৰু ভিজিআৰ) অবৈধ দখলৰ পৰা মুক্ত কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছে। অভিযানত বিপুল সংখ্যক আৰক্ষী বাহিনীৰ লগতে জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী মোতায়েন কৰা হৈছে। কিন্তু উচ্ছেদ অভিযানৰ স্থলীত জিলা প্ৰশাসনে সাংবাদিকসকলৰ প্ৰৱেশ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ সিদ্ধান্তই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ফলত সাংবাদিকসকলে ঘটনাস্থলীত উপস্থিত হৈ প্ৰত্যক্ষভাৱে বাতৰি সংগ্ৰহ কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। উচ্ছেদৰ ছবি বা ভিডিঅ' লোৱাৰ কথা তো দূৰৈৰ, ঘটনাৰ সঠিক তথ্য লাভ কৰাতো কঠিন হৈ পৰিছে বুলি সাংবাদিকসকলে অভিযোগ উত্থাপন কৰিছে। আনকি সাংবাদিকৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ পিছতো জিলা প্ৰশাসনৰ ফালৰ পৰা কোনো বিষয়াক নিয়োজিত কৰি উচ্ছেদ অভিযানৰ আনুষ্ঠানিক তথ্য বা বিৱৰণী প্ৰদান কৰা হোৱা নাই বুলিও সাংবাদিক মহলে অভিযোগ উত্থাপন কৰিছে। এই পদক্ষেপক সাংবাদিকতাৰ স্বাধীনতাৰ ওপৰত আঘাত আৰু তথ্যৰ প্ৰৱাহত বাধা সৃষ্টি কৰা বুলি সমালোচনা কৰা হৈছে। সাংবাদিকসকলে প্ৰশ্ন উত্থাপন কৰিছে যে, উচ্ছেদ অভিযান যদি সম্পূৰ্ণৰূপে বৈধ আৰু স্বচ্ছ হয়, তেন্তে সাংবাদিকৰ প্ৰৱেশত কিয় এনে নিষেধাজ্ঞা আৰোপ কৰা হ'ল? এই সিদ্ধান্তই প্ৰশাসনৰ স্বচ্ছতাৰ ওপৰত প্ৰশ্নৰ সৃষ্টি কৰিছে বুলি বহুতে মত প্ৰকাশ কৰিছে। উল্লেখ্য যে, বিহালী অঞ্চলত দীৰ্ঘদিন ধৰি চৰকাৰী ভূমিৰ অবৈধ দখলৰ সমস্যা চলি আহিছে। প্ৰশাসনে এই অভিযানক সফল বুলি দাবী কৰিলেও সাংবাদিকৰ প্ৰৱেশ নিষিদ্ধকৰণৰ বিষয়টোৱে নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। অভিযান এতিয়াও অব্যাহত আছে বুলি সূত্ৰই জানিবলৈ দিছে।

## বটদ্ৰৱা প্ৰকল্পস্থলী

বটদ্ৰৱা প্ৰকল্প শুভ উদ্বোধন কৰিবলৈ কাইলৈলৈ ২৯ ডিচেম্বৰত বটদ্ৰৱালৈ আহিব গৃহমন্ত্ৰী অমিত শ্বাহ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানৰ ঐতিহ্যমণ্ডিত আকাশীগংগাৰ তীৰত নিৰ্মাণ হৈছে পাছতাকৈ সভাকক্ষ। গায়ন বায়নসকলে খোল প্ৰসংগ আখৰা কৰি আছে। যুৱক যুৱতীসকলে আৰু আই মাতৃসকলে নাম কীৰ্তন কৰি গৃহমন্ত্ৰী গৰাকীক আদৰিবৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰা তুলিছে। এই উপলক্ষে বৰ্তমান প্ৰকল্পস্থলিত উপস্থিত হৈছেহি ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বটদ্ৰৱা প্ৰকল্পৰ কামৰ বুজ লবলৈ উপস্থিত হয়। উল্লেখ্য যে, ২৯ ডিচেম্বৰত বটদ্ৰৱাত উপস্থিত হৈ মাংগলিক অনুষ্ঠানৰ মাজেৰে নামকীৰ্তন, গায়ন বায়নৰ অনুষ্ঠানৰ মাজেৰে ৰাইজৰ বাবে মুকলি কৰিব গৃহমন্ত্ৰী অমিত শ্বাহে। দুহেজাৰ গায়ন বায়ন আৰু আয়তীৰ নামকীৰ্তনেৰে অমিত শ্বাহক আদৰণি জনোৱা হ'ব। ৬০ হেজাৰ ভক্ত বৈষ্ণৱ, আইমাতৃৰ উপস্থিতিত অনুষ্ঠিত হ'ব।

## নিজৰ ভাতৃ বিধায়কৰ

বিৰুদ্ধেও প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু বুলি ঘোষণা কৰিছে জিলা সভাপতি ব্ৰজেন গামে। বিশ্বৰ আটাইতকৈ ডাঙৰ নদীদ্বীপ মাজুলীত লাহে লাহে ৰাজনৈতিক উত্তাপ বাঢ়িছে। শাসকীয় এনডিএ মিত্ৰজোঁটৰ অন্তৰ্গত অগপৰ জিলা নেতৃত্বই বিজেপিৰ বিৰুদ্ধে মিত্ৰতাৰ মৰ্যাদা নিদিয়াৰ অভিযোগ তুলি বিদ্ৰোহৰ সুৰ তুলিছে। জিলা সভাপতি ব্ৰজেন গামে স্পষ্টভাৱে কয় যে, বিগত দহ বছৰত মাজুলীত অগপই মিত্ৰতাৰ প্ৰকৃত সোৱাদ লাভ কৰা নাই। তেওঁ ক্ষোভ প্ৰকাশ কৰি কয়, “অগপ, সন্মিলিত গণশক্তি আৰু বিজেপিৰ মাজত থকা মিত্ৰতাৰ সোৱাদ আমি নাপালো। আমি কেন্দ্ৰীয় নেতৃত্বকো এই বিষয়ে জনাইছো।” অগপ নেতাগৰাকীয়ে আৰু অভিযোগ কৰে যে, অৰুণোদয় আঁচনিৰ হিতাধিকাৰী নিৰ্বাচনতো দলটোক বঞ্চিত কৰা হৈছে। “অৰুণোদয়ৰ ফৰ্ম বিতৰণত অগপক মাত্ৰ ৩০০খন ফৰ্ম দিয়া হৈছিল, কিন্তু সেইসকলৰ একাউণ্টত এতিয়াও ধন সোমোৱা নাই আৰু প'ৰ্টেলতো নাম অন্তৰ্ভুক্ত হোৱা নাই। অথচ বিজেপিৰ তালিকাত থকাসকলৰ ধন সোমাইছে,“ বুলি তেওঁ কয়। এইসমূহ কাৰ্যই দলৰ কৰ্মীসকলৰ মাজত বঞ্চনাৰ অনুভৱ জগাই তুলিছে। সৰ্বোচ্চ আকৰ্ষণীয় কথা হৈছে ব্ৰজেন গামৰ ব্যক্তিগত সম্পৰ্কক অতিক্ৰম কৰি দলীয় কৰ্তব্যক প্ৰাধান্য দিয়াৰ ঘোষণা। তেওঁ কয়, “নিজৰ ভাতৃ হ'লেও বিধায়ক ভুবন পেগুৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা নিশ্চিতভাৱে হ'ব। তেজৰ সম্পৰ্ক কোনো বিবেচনাৰ বিষয় নহয়। মই অগপৰ কৰ্মী আৰু তেওঁ বিজেপিৰ। দলৰ ঊৰ্ধতন কৰ্তৃপক্ষই যদি প্ৰাৰ্থিত্ব দিয়ে, তেন্তে ভাতৃ হ'লেও প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু।” ২০২৬ চনৰ নিৰ্বাচনক সন্মুখত ৰাখি অগপৰ জিলা সমিতিয়ে ইতিমধ্যে সাংগঠনিক ভেঁটি শক্তিশালী কৰাৰ প্ৰচেষ্টা আৰম্ভ কৰিছে। ঊৰ্ধতন নেতৃত্বকো এই সাংগঠনিক অৱস্থাৰ বিষয়ে অৱগত কৰা হৈছে বুলি জিলা সভাপতিগৰাকীয়ে উল্লেখ কৰে। এই ক্ষোভই ৰাজ্যৰ এনডিএ মিত্ৰজোঁটত নতুন চৰ্চাৰ সৃষ্টি কৰিছে আৰু আগন্তুক নিৰ্বাচনত অগপৰ স্বতন্ত্ৰ ভূমিকাৰ সম্ভাৱনা উজ্জ্বল কৰি তুলিছে। ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে যে, এই বিদ্ৰোহে ওপৰ অসমৰ অন্যান্য অগপৰ দুৰ্গতো প্ৰভাৱ পেলাব পাৰে।

## ধেমাজিত ৰাইজৰ দলৰ

বিধানসভা সমষ্টিৰ উদ্যোগত এক বিশাল কৰ্মী যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। বিয়লি ১ বজাত আৰম্ভ হোৱা এই কাৰ্যসূচীত প্ৰায় তিনি শতাধিক কৰ্মীয়ে আনুষ্ঠানিকভাৱে ৰাইজৰ দলত যোগদান কৰে। কাৰ্যসূচীৰ আদৰণি ভাষণ দি ৰাইজৰ দলৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বাবুল সোণোৱালে নৱ যোগদানকাৰী কৰ্মীসকলক স্বাগতম জনায়। মুখ্য অতিথি হিচাপে উপস্থিত থাকি দলৰ সভাপতি তথা শিৱসাগৰ বিধায়ক অখিল গগৈয়ে কৰ্মীসকলক উদ্দেশ্যি এক তাৎপৰ্যপূৰ্ণ বক্তব্য ৰাখে। বক্তব্যত অখিল গগৈয়ে ২০২৬ চনৰ নিৰ্বাচনক লক্ষ্য কৰি দলৰ সকলো কৰ্মীক সম্পূৰ্ণৰূপে সাজু হৈ উঠিবলৈ আহ্বান জনায়। তেওঁ কয় যে, নিৰ্বাচনী ৰণকৌশল প্ৰস্তুত কৰিবলৈ প্ৰত্যেক গাঁৱে-গাঁৱে কৰ্মীসকলক নিৰ্দেশ দিয়া হৈছে। ইপিনে, আহিবলগীয়া নিৰ্বাচনত বিজেপিক প্ৰধান শত্ৰু বুলি চিহ্নিত কৰি গগৈয়ে কয় যে, যিকোনো প্ৰকাৰে বিজেপি চৰকাৰক পৰাস্ত কৰাটোৱেই দলৰ মুখ্য লক্ষ্য। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে কৰা তীব্ৰ সমালোচনাত অখিল গগৈয়ে অভিযোগ কৰে যে, শৰ্মাই হিন্দু-মুছলমানৰ নামত সাম্প্ৰদায়িক ৰাজনীতি কৰি জাতি-জনগোষ্ঠীৰ মাজত সংঘাতৰ বাতাৱৰণ সৃষ্টি কৰিছে। লগতে ৰাজ্যৰ উন্নয়নৰ নামত ব্যাপক দুৰ্নীতি আৰু কেলেংকাৰীত লিপ্ত হৈ হাজাৰ হাজাৰ কোটি টকাৰ ঋণ লৈ কেৱল ভোটৰ বাবে বেনিফিচিয়াৰী সৃষ্টি কৰাৰ নাটক অভিনয় কৰিছে বুলি তেওঁ মন্তব্য কৰে। গগৈয়ে কয়, “ৰাইজে এতিয়া এই সকলোবোৰ ভালদৰে বুজি পাইছে আৰু প্ৰতাৰণাত নপৰে।” কংগ্ৰেছৰ সৈতে মিত্ৰতাৰ প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত অখিল গগৈয়ে স্পষ্ট কৰে যে, দুয়োটা দলৰ মাজত প্ৰাৰ্থীত্বক লৈ কোনো সংঘাত নাই। তেওঁ কয়, “শেহতীয়াকৈ লখিমপুৰত প্ৰদেশ কংগ্ৰেছে প্ৰেৰণ কৰা বিশেষ প্ৰতিনিধিৰ সৈতে মোৰ কথাবাৰ্তা হৈছে। য'ত ৰাইজৰ দলৰ ভাৱমূৰ্তি শক্তিশালী, তাতেই আমি কংগ্ৰেছৰ পৰা আসন দাবী কৰিম।” ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়তো গগৈয়ে তীব্ৰ সমালোচনা কৰে। তেওঁ অভিযোগ কৰে যে, বিজেপি আৰু কংগ্ৰেছ উভয়ে ছয় জনগোষ্ঠীক প্ৰতাৰণা কৰিছে। বিশেষকৈ একাংশ ছয় জনগোষ্ঠীৰ নেতাৰ বিজেপি আৰু মুখ্যমন্ত্ৰীৰ সৈতে থকা ঘনিষ্ঠ সম্পৰ্কৰ বাবেই এই প্ৰতিশ্ৰুতি পূৰণ হোৱা নাই বুলি তেওঁ মন্তব্য কৰে। গগৈয়ে ছয় জনগোষ্ঠীৰ লোকসকলক পুনৰ আন্দোলনৰ পথত নামিবলৈ পৰামৰ্শ দিয়ে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণৰ প্ৰসংগতো অখিল গগৈয়ে কঠোৰ ভাষা ব্যৱহাৰ কৰে। তেওঁ অভিযোগ কৰে যে, শ্বাহ অসমলৈ হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক ৰাজনীতি কৰি সমাজত সংঘাত সৃষ্টি কৰিবলৈহে আহিছে। গগৈয়ে গৃহমন্ত্ৰীক এনে ৰাজনীতিৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিয়ে। সভাত বিজেপি, কংগ্ৰেছ, অগপ, গণশক্তি আৰু জাতীয় পৰিষদকে ধৰি বিভিন্ন দল আৰু সংগঠনৰ প্ৰায় তিনি শতাধিক কৰ্মীয়ে ৰাইজৰ দলত যোগদান কৰে। সভাপতি অখিল গগৈয়ে নিজ হাতেৰে প্ৰত্যেককে দলীয় গামোচাৰে সন্মান জনাই স্বাগতম জনায় আৰু শেষত সকলোকে শপত বাক্য পাঠ কৰায়। সভাত ৰাইজৰ দলৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক নৱজিৎ গগৈ, ভাষিক সংখ্যালঘু কোষৰ সভাপতি ৰনজিৎ ৰয়, জাতীয় যুৱ বাহিনীৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক ৰুদ্ৰ ভুঞা, চিচিবৰগাঁও বিধানসভা সমষ্টিৰ সভাপতি ভৱেশ পেগু আৰু নাৰায়ণ বৰাৰ লগতে দলৰ অন্যান্য নেতৃত্ব উপস্থিত থাকে। এই যোগদান কাৰ্যসূচীয়ে ধেমাজি অঞ্চলত ৰাইজৰ দলৰ সাংগঠনিক ভিত্তি আৰু শক্তিশালী কৰাৰ লগতে ২০২৬ৰ নিৰ্বাচনত দলৰ আত্মবিশ্বাস বৃদ্ধি কৰিছে বুলি ৰাজনৈতিক মহলত আলোচনা চলিছে।

## আজি মুকলি হ'ব উত্তৰ-

উত্তৰ-পূব ভাৰতৰ ভিতৰতে আটাইতকৈ ডাঙৰ হ'ব বুলি জানিব পৰা গৈছে। দেওবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকল্পটো পৰিদৰ্শন কৰি ফেচবুক লাইভযোগে ইয়াৰ সবিশেষ বিৱৰণ ৰাইজৰ আগত তুলি ধৰে। তেওঁ কয় যে, অসমৰ সাংস্কৃতিক নৱজাগৰণত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদানক আমি কেতিয়াও পাহৰিব নোৱাৰো। এই দুগৰাকী মহান ব্যক্তিৰ সন্মানাৰ্থে গুৱাহাটীৰ মাজমজিয়াত কৃষি বিভাগৰ কাৰ্যালয়ৰ সমীপত ৰাজ্য চৰকাৰে এই সুন্দৰ কলা মন্দিৰ নিৰ্মাণ কৰিছে। প্ৰেক্ষাগৃহটোত ৫ হাজাৰ আসনৰ ব্যৱস্থা আছে আৰু ইয়াত অহা কালি আবেলি ৪ বজাত গৃহমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰিব। এই প্ৰকল্পই অসমৰ দীৰ্ঘদিনীয়া এক অভাৱ পূৰণ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰেক্ষাগৃহৰ বাহিৰত বিশাল পাৰ্কিং ব্যৱস্থা কৰা হৈছে, য'ত একে সময়তে ৪৫০খন গাড়ী ৰখাৰ সুবিধা থাকিব। লগতে ৯ হাজাৰ বৰ্গমিটাৰ এলেকা জুৰি এখন সুন্দৰ বাগিচা নিৰ্মাণ কৰা হৈছে, য'ত মিউজিকেল ফাউণ্টেইন, ফুড ক'ৰ্ট আদি সুবিধা উপলব্ধ হ'ব। মিউজিকেল ফাউণ্টেইনত জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতসমূহ অনবৰত বজি থাকিব। চাৰিখন ফুড ক'ৰ্টো থাকিব আৰু অনুষ্ঠান নথকা সময়ত ৰাইজে এই কলা মন্দিৰৰ সৌন্দৰ্য উপভোগ কৰিব পাৰিব। প্ৰেক্ষাগৃহৰ দুয়োফালে জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব। উদ্বোধনৰ দিনাৰ পৰাই এখন আকৰ্ষণীয় ভিডিঅ' স্ক্ৰীণত বিভিন্ন অনুষ্ঠান প্ৰদৰ্শন কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে লাইভত কয় যে, প্ৰেক্ষাগৃহত প্ৰৱেশ কৰাৰ লগে লগে অসমৰ গৌৰৱ এশিঙীয়া গঁড়ে দৰ্শকক আদৰণি জনাব। বাহিৰত অসমৰ ঐতিহ্যবাহী বাদ্যযন্ত্ৰসমূহৰ প্ৰদৰ্শনী থাকিব আৰু এটা স্ক্ৰীণত বুটাম টিপিলে সেই যন্ত্ৰৰ সুৰ বাজি উঠিব। ১১ হাজাৰ বৰ্গমিটাৰ এলেকা সামৰি নিৰ্মিত এই কলা মন্দিৰত অত্যাধুনিক দৃশ্য-শ্ৰাব্য ব্যৱস্থা, এক লাখ ৱাটৰ প্ৰফেচনেল চাউণ্ড চিষ্টেম, সৰু কনভেনচন চেণ্টাৰ, লাইভ ষ্ট্ৰিমিঙৰ সুবিধা আৰু অতিথিশালাৰ ব্যৱস্থা আছে। বিদ্যুতৰ পৰিৱৰ্তে সৌৰশক্তি ব্যৱহাৰ কৰা হ'ব আৰু চ'লাৰ পেনেলৰ জৰিয়তে প্ৰতিদিনে ১১, ৯৩১ কিলোৱাট বিদ্যুৎ উৎপাদন কৰা হ'ব। এই অত্যাধুনিক প্ৰেক্ষাগৃহই অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক নতুন মাত্ৰা প্ৰদান কৰিব বুলি বিশ্বাস কৰা হৈছে। ইয়াত ডাঙৰ ডাঙৰ সাংস্কৃতিক অনুষ্ঠান, নাট্য প্ৰদৰ্শনী, ৰাষ্ট্ৰীয় সন্মিলন আদি আয়োজন কৰিব পৰা যাব। অসমৰ শিল্পী আৰু সাংস্কৃতিক সংগঠনসমূহৰ বাবে এয়া এক স্থায়ী মঞ্চ হিচাপে কাম কৰিব। এই উদ্বোধনী অনুষ্ঠানে অসমৰ সাংস্কৃতিক ঐতিহ্যক জাতীয় মঞ্চত অধিক প্ৰতিষ্ঠিত কৰাত সহায় কৰিব বুলি ৰাজনৈতিক আৰু সাংস্কৃতিক মহলত আশা প্ৰকাশ কৰা হৈছে।

## কাৰ্বিভূমিলৈ উভতি আহিছে

পৰিস্থিতি এতিয়া ক্ৰমাৎ স্বাভাৱিক হোৱাৰ দিশে আগবাঢ়িছে। গত কেইদিনমানৰ পৰা এখন দুখনকৈ দোকান-পোহাৰ খুলিবলৈ আৰম্ভ কৰিছে, বেপাৰ-বাণিজ্যই পুনৰ গতি লাভ কৰিছে। পেট্ৰল পাম্পসমূহ খোলা হৈছে আৰু যাত্ৰীবাহী বাহনৰ চলাচলো স্বাভাৱিক হৈ উঠিছে। ফলত স্তব্ধ হৈ পৰা দৈনন্দিন জীৱনযাত্ৰা এতিয়া লাহে লাহে পূৰ্বৰ ছন্দ ঘূৰাই পাবলৈ ধৰিছে। উল্লেখযোগ্য যে, ২৩ ডিচেম্বৰত সংঘটিত হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত কাৰ্বি আংলঙ আৰু পশ্চিম কাৰ্বি আংলঙ জিলাত মোবাইল ইণ্টাৰনেট সেৱা বন্ধ কৰি দিয়া হৈছিল। কিন্তু আজি পুৱা ৮ বজাৰ পৰা দুয়োখন জিলাতে এই সেৱা পুনৰ আৰম্ভ কৰা হৈছে। গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে এই সন্দৰ্ভত এখন নিৰ্দেশনা জাৰি কৰি জানিবলৈ দিছে যে, আইন-শৃংখলাৰ পৰিস্থিতি উন্নত আৰু স্বাভাৱিক হোৱা বুলি বিবেচনা কৰি পূৰ্বৰ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছে। সকলো মোবাইল সেৱা প্ৰদানকাৰীক তাৎক্ষণিকভাৱে সেৱা পুনৰুদ্ধাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। যদিও এতিয়াও কিছু অঞ্চলত ইণ্টাৰনেট সেৱা সম্পূৰ্ণৰূপে উপলব্ধ হোৱা নাই। বিশেষকৈ খেৰণিৰ দৰে কেইবাটাও এলেকাত এতিয়াও সেৱা বিঘ্নিত হৈ আছে, যাৰ ফলত স্থানীয় বাসিন্দাসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। প্ৰশাসনে এই সমস্যাৰ সোনকালে সমাধানৰ আশ্বাস দিছে। প্ৰশাসনীয় সূত্ৰই জনোৱা অনুসৰি, অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰি ৰখা হৈছে যদিও পৰিস্থিতি নিয়ন্ত্ৰণাধীন হৈ আহিছে। জিলাবাসীয়ে এতিয়া স্বস্তিৰ নিশাহ লৈছে আৰু দৈনন্দিন কাম-কাজত ঘূৰি আহিছে। প্ৰশাসনে সকলোকে শান্তি বজাই ৰখাৰ আহ্বান জনাইছে।

## অগপ-বিজেপিৰ মাজত আসন ভাগ-বাটোৱাৰাৰ

মিত্ৰজোঁটৰ আসন ভাগ-বাটোৱাৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেওবাৰে সংবাদ মাধ্যমৰ আগত বিস্তৃত প্ৰতিক্ৰিয়া ব্যক্ত কৰে। তেওঁ স্পষ্ট কৰি কয় যে, অগপ আৰু বিজেপিৰ মাজত আসন ভাগ-বাটোৱাৰাৰ কোনো সমস্যা নাই আৰু দুয়োপক্ষৰ মাজত সম্পূৰ্ণ বুজাবুজি আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, “বুজাবুজিৰ অভাৱ হ'লেহে বিষয়টো গৃহমন্ত্ৰীৰ পৰ্যায়লৈ যাব। অন্যথা আমি নিজৰ ভিতৰতে আলোচনা কৰি ল'ম। বিজেপিৰ আসন সন্দৰ্ভত দিলীপ শইকীয়া আৰু মই পাতিম।” তেওঁ লগতে উল্লেখ কৰে যে, এইবাৰ গৃহমন্ত্ৰীগৰাকীৰ লগত কোনো আনুষ্ঠানিক ৰাজনৈতিক আলোচনা ৰখা হোৱা নাই। স্বাভাৱিকতে তেওঁ বৰদোৱাত কেশৱ মহন্তক আৰু শ্বহীদ স্মাৰকক্ষেত্ৰত অতুল বৰাক লগ পাব, কিন্তু আসন ভাগ-বাটোৱাৰাৰ বিষয়ে কোনো আনুষ্ঠানিক কথা-বতৰা নাই। যদি কোনো বুজাবুজিৰ অভাৱ ঘটে তেন্তে গৃহমন্ত্ৰীগৰাকীয়ে হস্তক্ষেপ কৰিব বুলিও তেওঁ মন্তব্য কৰে। অমিত শ্বাহৰ ভ্ৰমণৰ সময়সূচী সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে, আজি নিশা ১১ বজাত গৃহমন্ত্ৰীগৰাকী গুৱাহাটীত উপস্থিত হ'ব আৰু কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নিশা কটাব। সোমবাৰে পুৱা ১০ বজাত তেওঁ বৰাগাঁৱৰ নৱনিৰ্মিত ‘শ্বহীদ স্মাৰকক্ষেত্ৰ'ত অসম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। তাৰ পিছত বৰদোৱালৈ গৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ ক্ষেত্ৰৰ শুভ উদ্বোধন কৰিব। প্ৰায় ২০০ কোটি টকা ব্যয়েৰে নিৰ্মিত এই প্ৰকল্পৰ আধাৰশিলা আগতে অমিত শ্বাহে স্থাপন কৰিছিল। দিনৰ দ্বিতীয় অৰ্ধভাগত গৃহমন্ত্ৰীগৰাকী গুৱাহাটীলৈ উভতি আহি গুৱাহাটী মহানগৰ পুলিচ আয়ুক্তালয়ৰ নতুন আধুনিক কাৰ্যালয় উদ্বোধন কৰিব। এই কাৰ্যালয়ৰ পৰা গুৱাহাটীৰ ট্ৰেফিক নিয়ন্ত্ৰণ আৰু সকলো চিচিটিভি নিৰীক্ষণ কৰা হ'ব। লগতে নতুন ফৌজদাৰী আইনৰ ক্ষেত্ৰত অসমৰ সফলতা সম্পৰ্কীয় এখন প্ৰদৰ্শনীও অনুষ্ঠিত হ'ব। বিয়লি ৪ বজাত খানাপাৰাত অৱস্থিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰৰ উদ্বোধন কৰিব গৃহমন্ত্ৰীগৰাকীয়ে। উত্তৰ-পূবৰ আটাইতকৈ ডাঙৰ এই পাঁচ হাজাৰ আসনযুক্ত অত্যাধুনিক প্ৰেক্ষাগৃহটো ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নামেৰে নামকৰণ কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ উদ্যোগত বিভিন্ন ৰোগৰ অস্ত্ৰোপচাৰৰ যোগেদি সুস্থ হোৱা প্ৰায় এহেজাৰ যুৱক-যুৱতী উপস্থিত থাকিব আৰু এই প্ৰচেষ্টাৰ দহ হাজাৰ অতিক্ৰমণৰ উদযাপনো কৰা হ'ব। উদ্বোধনী অনুষ্ঠানৰ পিছত অমিত শ্বাহ নতুন দিল্লীলৈ উভতি যাব। এই ভ্ৰমণে অসমৰ উন্নয়নমূলক প্ৰকল্পসমূহৰ লগতে সাংস্কৃতিক আৰু নিৰাপত্তাৰ ক্ষেত্ৰত নতুন মাত্ৰা যোগ কৰিব বুলি ৰাজনৈতিক মহলত আশা কৰা হৈছে।

## খেৰণিত ‘কাৰ্বি গ'বেক’

হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত নতুন মোড় এটা লৈছে। ‘কাৰ্বি গ'বেক’ (Karbi Go Back) ধৰণৰ উসকে দিয়া ধ্বনি দিয়াৰ অভিযোগত তিনি অভিযুক্তৰ বিৰুদ্ধে খেৰণি আৰক্ষী থানাত এজাহাৰ দাখিল কৰা হৈছে। উল্লেখযোগ্য যে, হিন্দীভাষী ছাত্ৰ সংগঠন, বঙালী সমাজ আৰু ভাৰতীয় গোৰ্খা পৰিসংঘৰ দৰে সংগঠনসমূহে যুটীয়াভাৱে এই এজাহাৰ দাখিল কৰিছে। অভিযুক্তকেইগৰাকী হ'ল বিকাশ চৌহান, যুৱৰাজ পাঠক আৰু ধনু বাৰ্মা। সংগঠনকেইটাৰ অভিযোগ অনুসৰি, হিংসাৰ সময়ত এই তিনিওজনে কাৰ্বি সম্প্ৰদায়ৰ লোকক লক্ষ্য কৰি এনে ধৰণৰ বিদ্বেষমূলক ধ্বনি দি পৰিস্থিতি অধিক উত্তপ্ত কৰি তুলিছিল। সংগঠনকেইটাৰ ফালৰ পৰা প্ৰকাশিত মন্তব্যত কোৱা হৈছে যে, এনে ধৰণৰ বিদ্বেষমূলক মন্তব্য বা ধ্বনি কেতিয়াও গ্ৰহণযোগ্য নহয়। ই সমাজত বিভেদ সৃষ্টি কৰে আৰু শান্তি ভংগ কৰে বুলি তেওঁলোকে দৃঢ়তাৰে মত প্ৰকাশ কৰিছে। এই ঘটনাই জিলাখনৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত সৃষ্টি হোৱা উত্তেজনাক আৰু গভীৰ কৰি তুলিছে। আৰক্ষীয়ে এজাহাৰ গ্ৰহণ কৰি তদন্ত আৰম্ভ কৰিছে বুলি সূত্ৰই জানিবলৈ দিছে। প্ৰশাসনে সকলো পক্ষক সংযমী হৈ থাকিবলৈ আহ্বান জনোৱাৰ লগতে এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছে। জিলাখনত এতিয়াও অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰি ৰখা হৈছে যদিও পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হোৱাৰ দিশে আগবাঢ়িছে। সম্প্ৰদায়সমূহৰ মাজত সংলাপৰ জৰিয়তে সমস্যা সমাধানৰ প্ৰয়াস অব্যাহত আছে বুলি প্ৰশাসনীয় সূত্ৰই প্ৰকাশ কৰিছে।

## কুঁৱলীৰ বাবে গৃহমন্ত্ৰীৰ

অনুসৰি, অমিত শ্বাহ সোমবাৰে পুৱা প্ৰায় ১০: ৩০ বজাত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰত অৱতৰণ কৰিব। তাৰ পাছত তেওঁ পূৰ্বনিৰ্ধাৰিত কাৰ্যসূচীসমূহত অংশগ্ৰহণ কৰিব। নিশাৰ যাত্ৰা বাতিল হ'লেও কাইলৈৰ কাৰ্যসূচীত কোনো পৰিৱৰ্তন নাই বুলি চৰকাৰী বিষয়াই জানিবলৈ দিছে। এই ভ্ৰমণৰ মুখ্য আকৰ্ষণ হৈছে নগাঁৱ জিলাৰ বৰদোৱাস্থিত ঐতিহাসিক বটদ্ৰৱা থানৰ পুনৰুন্নয়ন প্ৰকল্পৰ শুভ উদ্বোধন। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক বিশ্বমানৰ আধ্যাত্মিক আৰু পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে গ্ৰহণ কৰা এই প্ৰকল্পত প্ৰায় ২২২ কোটি টকাৰো অধিক ব্যয় হৈছে। অমিত শ্বাহে এই প্ৰকল্প উদ্বোধনৰ লগতে তাত এক ৰাজহুৱা সভাত ভাষণ দিব। ইয়াৰ উপৰি গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীত অসম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব নৱনিৰ্মিত ‘শ্বহীদ স্মাৰক ক্ষেত্ৰ'ত। লগতে তেওঁ গুৱাহাটী আৰক্ষী আয়ুক্তালয়ৰ নতুন ভৱন, নগৰীৰ নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ বাবে একীভূত কমাণ্ড এণ্ড কণ্ট্ৰ'ল চিষ্টেম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ ডাঙৰ জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰেক্ষাগৃহৰো উদ্বোধন কৰিব। এই কাৰ্যসূচীসমূহ নিয়াৰিকৈ সম্পন্ন কৰিবলৈ ৰাজ্য প্ৰশাসনে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। উল্লেখ্য যে, শীতকালত উত্তৰ ভাৰতকে ধৰি অসমতো প্ৰবল কুঁৱলীৰ ফলত বিমান যাতায়াতত প্ৰায়ে ব্যাঘাত জন্মে। এইবাৰো সেই কাৰণতে গৃহমন্ত্ৰীৰ যাত্ৰাত বিলম্ব ঘটিছে। কাইলৈৰ কাৰ্যসূচীসমূহে অসমৰ সাংস্কৃতিক ঐতিহ্য আৰু উন্নয়নৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

## টীয়কত ‘শিকলি'ৰ বাতৰি-কাকত বিতৰকক বিশেষ সম্বৰ্ধনা

**অসম বাৰ্তা, আমগুৰি, ২৮ ডিচেম্বৰঃ** যোৰহাট জিলাৰ টীয়কৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান শিকলিৰ উদ্যোগত আজি বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বৃহত্তৰ টীয়ক অঞ্চলৰ দহজন হকাৰক বিশেষ সম্বৰ্ধনা জনোৱা হয়। তেওঁলোকৰ ত্যাগ, সাহস আৰু বাদান্যতাক সন্মান জনোৱা উদ্দেশ্যে শিকলিয়ে বৃহত্তৰ টীয়ক আৰু মৰিয়নি সমষ্টিৰ দহগৰাকী বাতৰি-কাকত বিতৰকক সম্বৰ্ধনা জনায়। নৱ-প্ৰজন্মৰ কবি কাব্যশ্ৰী গগৈয়ে এজন হ'কাৰৰ আত্মকথা কবিতাৰে কাৰ্যসূচী শুভাৰম্ভ কৰে। শিকলিৰ মুখ্য সম্পাদক অৰূপজ্যোতি হাজৰিকাই আঁত ধৰা অনুষ্ঠানত লেখিকা যোগমায়া সন্দিকৈ শইকীয়া, সাংবাদিক বিকাশ সন্দিকৈ, দেৱ বিকাশ দত্ত, টীয়ক প্ৰেছ ক্লাবৰ সভাপতি বিজু তনুৱাল, সমাজকৰ্মী অসীম বৰুৱা, শিক্ষক ৰোহিত বৰা, ৰূপালী দত্ত, বিচিত্ৰ দাস, ঋষভ জ্যোতি বৰা, হেমন্ত জ্যোতি গগৈ, সুশান্ত বৰবৰাকে ধৰি বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে। আটাইকেইজন হ'কাৰক একোখনকৈ সম্বৰ্ধনা পত্ৰ, গামোচা, মাৰ্ফলা, বেগ, গ্ৰন্থৰ টোপোলা, চল, একোটাকৈ ৰেইন কোট প্ৰদান কৰে। বতাহ-বৰষুণ একাকাৰ কৰি পুৱাই বাতৰি কাকতৰ যোগান ধৰা বাতৰি-কাকত বিতৰক সকলৰ সম্বৰ্ধনা জনোৱাৰ কাৰ্যক শলাগ লৈছে সচেতন মহলে।

# এক'লেও একাডেমীৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস সম্পন্ন



**অসম বাৰ্তা, উজনী মাজুলী, ২৮ ডিচেম্বৰ ঃ** মাজুলীৰ ভিতৰতে এখন ব্যক্তিগত খণ্ডৰ আগশাৰী শিক্ষানুষ্ঠান এক'লেণ্ড একাডেমীয়ে আজি প্ৰতিষ্ঠা হোৱা নৱম বৰ্ষত ভৰি দিয়ে। নৱম বৰ্ষৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয় খনে উলহ মালহেৰে আয়োজন কৰে এখন সভাৰ। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পুৱা ৯.০০ বজাত পতাকা উত্তোলন কৰে বিদ্যালয়ৰ সঞ্চালক যতিন পায়েঙে। পুৱা ৯.৩০ বজাত গছ পুলি ৰোপণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গোবিন চিন্তেই। পুৱা ৯.৪৫ বজাত সদ্য প্ৰয়াত অসমৰ আবেগ তথা হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়ৰ সংগীতেৰে মঞ্চ মুকলি কৰে। পুৱা ১০.১৫ বজাত আমন্ত্ৰিত অতিথিৰ চিনাকি পৰ্ব আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা ১০.৩০ বজাত উদ্বোধনী ভাষণ প্ৰদান কৰে বিদ্যালয় উন্নয়ন তথা পৰিচালনা সমিতি, এক'লেণ্ড একাডেমীৰ সভাপতি মুনিন্দ্ৰ শইকীয়াই। ইয়াৰ পিছতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে মাজুলী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ দিব্যজ্যোতি বৰাই। লগতে বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকল আৰু অভিভাৱক সকলক উদ্দেশ্য কৰি বক্তব্য প্ৰদান কৰে। প্ৰতিষ্ঠা দিৱসত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী সকলে মত বিনিময় কৰে। অনুষ্ঠানতে বিদ্যালয়ৰ সঞ্চালক যতিন পায়েঙে বিদ্যালয়খন প্ৰতিষ্ঠা কালৰ পৰা বৰ্তমানলৈকে ঘাট প্ৰতিঘাটৰ মাজত কি দৰে আগবঢ়াই নিছে কাৰ কাৰ অৱদানৰ বাবে বিদ্যালয়খন আজি এই ঠাইত উপনিত হ'বলৈ সক্ষম হৈছে তাক অৱগত কৰাৰ লগতে বহু গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে অনুষ্ঠানত বিভিন্ন গীত -নৃত্যৰে অনুষ্ঠানতো মনোগ্ৰাহী কৰি তোলে। আজি অনুষ্ঠানতো সূচাৰুৰূপে আট ধৰে বিদ্যালয়ৰ শিক্ষক প্ৰাণজ্যোতি ৰাজখোৱাৰ লগতে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী মেঘালী পায়েঙে। শেষত শলাগৰ শৰাই আগবঢ়াই জয় চন্দ্ৰ বৰাই।

# ধ্বংসপ্ৰায় অৱস্থাত বাক্সাৰ দিৰিং নদীৰ বাঁহৰ দলং; যাতায়ত ৰাইজৰ দুৰ্ভোগ

**অসম বাৰ্তা, বাগানপাৰা, ২৮ ডিচেম্বৰ ঃ** অসম চৰকাৰ তথা বি টি চি প্ৰশাসনে উন্নয়নৰ ঢাক-ঢোল বজাই আহিছে যদিও প্ৰকৃততে উন্নয়নৰ ফোঁপোলা স্বৰূপটো উদঙাই দিয়াহে পৰিলক্ষিত হৈছে। তেনে এটি উদাহৰণ হ'ল বাক্সা জিলাৰ অন্তৰ্গত ভাৰত ভূটান সীমান্তবৰ্তী দুই বৃহৎ অঞ্চল সুৱণখাটা আৰু নিকাচি সংযোগ কৰা দিৰিং নদীৰ ওপৰৰ বাঁহৰ দলংখনৰ প্ৰতিচ্ছবি মনলৈ আহে। বিগত বহু বছৰ ধৰি ধ্বংস প্ৰায় অৱস্থাত থকা দলং খনৰ দুৰৱস্থাত ৰাইজে যাতায়তৰ ক্ষেত্ৰত নৰক যন্ত্ৰণা ভুগি আহিছে। বহু বছৰ ধৰি অঞ্চলবাসী ৰাইজে যাতায়তৰ সুবিধাৰ্থে ধ্বংস প্ৰাপ্ত দলং খনৰ ওপৰত বাঁহেৰে বাঁহৰ দলং নিৰ্মাণ কৰি আহিছে যদিও বাৰিষা অহাৰ লগে লগে ৰাইজৰ মাজত ভীষণ শংকা উপজিছে। কিয়নো কোন মুহূৰ্তত বাঁহৰ দলং খনৰ ভাঙি ছিন্ন বিছিন্ন হৈ পৰে তাৰ কোনো নিশ্চয়তা নাই। এই ভগ্ন প্ৰায় বাঁহৰ দলং খনৰ ওপৰেদি দৈনিক স্কুলীয়া ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, বৃদ্ধ-মহিলাকে ধৰি শতাধিক লোকে যাতায়তৰ পথ হিচাপে ব্যৱহাৰ কৰি আহিছে। উল্লেখযোগ্য যে বহু বছৰ নিৰ্মিত পকী দলং বিধ্বস্ত হোৱাৰ পিছতো আজিলৈকে জনপ্ৰতিনিধিয়ে নতুনকৈ পকী দলং নিৰ্মাণ কৰাৰ বাবে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই। সেয়েহে দিৰিং নদীৰ ওপৰত পকী দলং নিৰ্মাণ কৰি যাতায়তৰ সুচল কৰিবলৈ ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষ তথা চৰকাৰক দাবী জনাইছে।

# ধমধমাত খাদ্য বিচাৰি দুটাকৈ পৰিয়ালৰ ঘৰ ভাঙিলে হাতীয়ে

**অসম বাৰ্তা, বাগানপাৰা, ২৮ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ উত্তৰাঞ্চল আৰু বাক্সা জিলাত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। খাদ্য সন্ধানত ভূটান পাহাৰৰ পৰা নামি অহা এটা বৃহৎ বন্য হস্তীৰ দলে অঞ্চলটোত সন্ত্ৰাস চলাই আহিছে। নিশা হ'লেই হাতীৰ জাকটোৱে কেইবাটাও ভাগত বিভক্ত হৈ মানুহৰ ঘৰত খাদ্য বিচাৰি উপদ্ৰৱ চলায়। এই হাতীৰ জাকটোক প্ৰতিৰোধ কৰাৰ বাবে কিছু অংশত বন বিভাগে বৈদ্যুতিক তাৰৰ ব্যৱস্থা কৰিছে যদিও অধিকাংশ উন্মুক্ত হৈ থকাত হাতীৰ জাকটোক প্ৰতিৰোধ কৰাত বন বিভাগ ব্যৰ্থ হৈছে। আনহাতে কিছু সংখ্যক হাতী বাক্সা পাৰ হৈ নলবাৰী জিলাত প্ৰৱেশ কৰাৰ লগে লগে নলবাৰীৰ বন বিভাগে খেদি পুনৰ বাক্সাৰ সীমান্তত থৈ যোৱাত ক্ষুধাতুৰ বন্য হস্তীয়ে মানুহৰ ঘৰ-বাৰী ভাঙি পেলায়। কালি নিশাও হাতীৰ জাক এটাই ধমধমাৰ নিকটৱৰ্তী উত্তৰ বৰশিৰাল গাঁৱত প্ৰৱেশ কৰি কেইবাগৰাকীও পৰিয়ালত উপদ্ৰৱ চলায়। হাতীৰ জাকটোৱে গাঁওখনৰ গোসাঁই চুবুৰিৰ মণ্টু গোস্বামীৰ দুটাকৈ ঘৰ ভাঙি ধান খাই পেলোৱাৰ উপৰি বৰাখাট চুবুৰিৰ ৰবীন নাথৰ ঘৰতো উপদ্ৰৱ চলায়। অঞ্চলটোৰ ভেৰভেৰী, নিজ বৰশিৰাল আদিতো হাতীৰ জাকে খেতি পথাৰত শস্য খাই উপদ্ৰৱ চলায়। উল্লেখ্য যে খাদ্য বিচাৰি অঞ্চলটোত বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই থকাৰ পিচতো বন বিভাগে হাতীৰ জাকটোক প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা নাই। বন বিভাগৰ হেমাহিৰ ফলতেই অঞ্চলটোত হাতী-মানুহৰ সংঘাত তুংগত উঠিছে আৰু কেইবাগৰাকীও লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে।

## জলজীৱন মিচনৰ অসম্পূৰ্ণ আঁচনিৰ চৌহদত কংগ্ৰেছৰ প্ৰতিবাদ

# JJM মানে জয়ন্তৰ জেপত Money




**অসম বাৰ্তা, লেংটিছিঙা, ২৭ ডিচেম্বৰ ঃ** নল আছে পানী নাই এই কথাষাৰ সত্যত পৰিণত হৈছে। জলজীৱন মিচন আঁচনিৰ বিফলতা আৰু দুৰ্নীতিৰ বিৰুদ্ধে বঙাইগাঁও জিলাৰ অভয়াপুৰীত কংগ্ৰেছৰ প্ৰতিবাদী সভা। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আহ্বানত টাপাট্টাৰী আৰু সৃজনগ্ৰাম ব্লক কংগ্ৰেছৰ সহযোগত আজি টাপাট্টাৰীত এটা অসম্পূৰ্ণ জল জীৱন মিচন আঁচনিৰ চৌহদত কংগ্ৰেছৰ নেতা-কৰ্মী সকলে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী লোক সকলে বিজেপি চৰকাৰৰ বিশুদ্ধ খোৱা পানী যোগান আঁচনিৰ জল জীৱন মিচন আঁচনিৰ বিফলতা আৰু ব্যাপক দুৰ্নীতিৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ৰূপায়ণ হৈ থকা জল জীৱন মিচন আঁচনিৰ কাম অসম্পূৰ্ণ আৰু দুৰ্নীতিৰ অভিযোগ তুলি প্ৰতিবাদী লোক সকলে হাতে হাতে বেনাৰ, পোষ্টাৰ, প্লেকাৰ্ড আদি লৈ বিভাগীয় মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ কমিচন ৰাজৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী লোক সকলে বিজেপি চৰকাৰ হায় হায়, জয়ন্ত মল্ল বৰুৱা মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, নল আছে পানী নাই, জল জীৱন মিচন আঁচনিৰ সফল ৰূপায়ণ কৰক আদি শ্লোগান দিয়ে।

# যোৰহাটৰ কেন্দুগুৰীস্থ শৈশৱ শাখাৰ দ্যা নে'ক্স যেন স্মাৰ্ট স্কুলত ড্ৰাগছ বিৰোধী সজাগতা সভা

**অসম বাৰ্তা, যোৰহাট, ২৭ ডিচেম্বৰ ঃ** যোৰহাটৰ উপকণ্ঠ কেন্দুগুৰীস্থ শৈশৱ শাখাৰ দ্যা নে'ক্স যেন স্মাৰ্ট স্কুলত ২৭ ডিচেম্বৰত বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ লগত সংগতি ৰাখি এখনি ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। এণ্টিকৰাপচন ফাউণ্ডেশ্যন অৱ ইণ্ডিয়াৰ উদ্যোগত অনুষ্ঠিত সভাত অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত জনসংযোগ বিভাগৰ সঞ্চালক দুষ্যন্ত মাধৱ শৰ্মাৰ সভাপতিত্ব কৰে। সজাগতা সভাত ভোগদৈ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আকাশ গগৈ, গড়মূৰ আৰক্ষী চকীৰ বিষয়া যতিন মহন, এণ্টিকৰাপচন ফাউণ্ডেশ্যন অৱ ইণ্ডিয়াৰ বিষয়া বিপুল হাজৰিকাই ভাষণ প্ৰশংগত ড্ৰাগছৰ ভয়াবহতাৰ পৰা যুৱ প্ৰজন্মক উদ্ধাৰ কৰা কৌশল, ৰাইজৰ সহযোগিতা অতি প্ৰয়োজন বুলি উল্লেখ কৰে। বিশিষ্ট অধিবক্তা বিজয় শংকৰ বৰবৰাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু আতধৰা সভাত মানৱ শৰীৰত ৰাগীয়াল সামগ্ৰীৰ অপকাৰিতা উঠি অহা প্ৰজন্মক নিচামুক্ত ভাৰত গঢ়াৰ আহ্বান জনোৱাৰ লগতে ড্ৰাগছ আসক্তৰ পৰা কিশোৰ কিশুৰী সকলক উদ্ধাৰৰ বিভিন্ন কৌশল আহ্বান জনায় উদ্দেশ্য ব্যাখ্যা আগবঢ়ায়। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিকাশ জ্যোতি বৰা উপস্থিত থকা সজাগতা সভাখনত সমাজ কৰ্মী সৰু পাই দাসে ছাত্ৰ-ছাত্ৰী সকলৰ লগতে অভিভাৱক সকলৰ উপস্থিতিত বক্তব্য আগবঢ়ায়। এণ্টিকৰাপচন ফাউণ্ডেশ্যনৰ কৰ্মী দীপক হাজৰিকাক সমাজত সেৱা আগবঢ়ায় থকা বাবে বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা সজাগতা সভাত সমল ব্যক্তি হিচাবে সমাজ কৰ্মী জগন্নাথ অগ্নি বৰাই নিচামুক্ত ভাৰত গঢ়াৰ ক্ষেত্ৰত নিজৰ ঘৰখনৰ পৰা সংস্কাৰমুখী পৰিৱেশ গঢ়া, মাতৃ সকলৰ ভূমিকা অবিহনে এনে পৰিৱেশৰ পৰা মুক্ত হ'ব নোৱাৰি বুলি বহলভাৱে বুজায় কয়। উক্ত সভাত কেইবাগৰাকীও সমাজ সচেতন নাগৰিক উপস্থিত থাকে।

# দক্ষিণ কামৰূপ জিলা বিজেপিৰ বনগাঁও-ছয়গাঁও মণ্ডলৰ ২২৫ নং বুথৰ জনপ্ৰিয় অনুষ্ঠান ১২৯ সংখ্যক 'মন কী বাত' অনুষ্ঠান



**অসম বাৰ্তা, বকো, ২৭ ডিচেম্বৰ ঃ** আজি প্ৰধানমন্ত্ৰীৰ নৰেন্দ্ৰ মোদীৰ জনপ্ৰিয় অনুষ্ঠান ১২৯ সংখ্যক 'মন কী বাত' অনুষ্ঠান। দক্ষিণ কামৰূপ জিলা বিজেপিৰ বনগাঁও ছয়গাঁও মণ্ডলৰ ২২৫নং বুথৰ দলেদঙা গাঁৱত অনুষ্ঠিত কৰা হয় জনপ্ৰিয় মন কী বাত' অনুষ্ঠান। ৰেডিঅ' যোগে সম্প্ৰচাৰিত জনপ্ৰিয় অনুষ্ঠানটোৰ জৰিয়তে সমগ্ৰ দেশবাসীক সম্বোধন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আজি বকো ছয়গাঁও সমষ্টিৰ অন্তৰ্গত বনগাঁও ছয়গাঁও মণ্ডলৰ ২২৫ নং বুথৰ দলেদঙা গাঁৱত দেখা গ'ল জনপ্ৰিয় মন কী বাত' অনুষ্ঠান। এই 'মন কী বাত' শুনিবলৈ দক্ষিণ কামৰূপ জিলা ভাৰতীয় জনতা পাৰ্টিৰ অন্তৰ্গত বনগাঁও ছয়গাঁও মণ্ডলৰ ২২৫নং বুথত ওলাই আহিল কেইবগৰাকীও মহিলা। আজি এই জনপ্ৰিয় অনুষ্ঠানটোত উপস্থিত থাকে কামৰূপ জিলা পৰিষদৰ সদস্য তথা যুৱ নেতা কম্বুৰাম ৰাভা, দক্ষিণ কামৰূপ জিলাৰ কৃষান মৰ্চাৰ সম্পাদক বিক্ৰম ৰাভা, বিজেপি কাৰ্যকৰ্তা শোন্তচ কছাৰী, বনগাঁও ছয়গাঁও মণ্ডলৰ ২২৫ নং বুথ সমিতিৰ সভাপতি মনোজ ৰাভা, সম্পাদক ৰঞ্জিত ৰাভা, শক্তিকেন্দ্ৰ আবায়ক বাবুল ৰাভা লগতে বুথৰ দলীয় কাৰ্যকৰ্তাও উপস্থিত থাকে। এনেদৰে ঠায়ে ঠায়ে বিজেপিৰ উদ্যোগত জনপ্ৰিয় অনুষ্ঠানৰ প্ৰচাৰৰ বাবে লোৱা হৈছে এই কাৰ্যসূচী।

# দুটাকৈ সোণৰ পদক লাভ কৰা ৰূপহীহাটৰ প্ৰাঞ্জল বসুমতাৰীক ৰূপহী সংবাদ ক্লাৱৰ সম্বৰ্দ্ধনা



**অসম বাৰ্তা, ৰূপহীহাট, ২৮ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ বেলগুৰি কছাৰী গাঁৱৰ যুৱক প্ৰাঞ্জল বসুমতাৰীয়ে মহাৰাষ্ট্ৰত অনুষ্ঠিত হোৱা কাৰেটিত দুটাকৈ সোণৰ পদক লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে। প্ৰাঞ্জল বসুমতাৰীয়ে চাৰিটা ৰাজ্য উত্তৰাখণ্ড, চেন্নাই, ইণ্ডোৰ আৰু মহাৰাষ্ট্ৰৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি দুটাকৈ সোণৰ পদক লাভ কৰি আন্তঃৰাষ্ট্ৰীয় খেলৰ বাবে নিৰ্বাচিত হয়। অহা ২০২৬ ত জাপানত অনুষ্ঠিত হব লগা কাৰাটে বিশ্ব চেম্পিয়নৰ বাবে নিৰ্বাচিত হয়। দুটাকৈ সোণৰ পদক লাভ কৰা প্ৰাঞ্জল বসুমতাৰীৰ ঘৰত আজি ৰূপহী সংবাদ ক্লাৱ সদস্য সকল উপস্থিত হৈ সম্বৰ্ধনা জনাই। ৰূপহী জ্ঞান বিকাশ বিদ্যাপীঠৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰৰ এনে সাফল্যত সমগ্ৰ ৰূপহীহাটত আনন্দৰ জোৱাৰ উঠিছে। অতি দুখীয়া পৰিয়ালৰ ঘৰৰ লৰা প্ৰাঞ্জল বসুমতাৰী। দেউতাকে দিন হাজিৰা কৰি কোনোমতে পৰিয়ালটো চলাই আছে। মাকে পৰিয়াল চলাবলৈ লোকৰ ঘৰত কাম কৰিব লগীয়া হয়। এই দুখীয়া ঘৰৰ প্ৰাঞ্জল বসুমতাৰীৰ সপোন হ'ল হিমা দাসৰ দৰে অসমৰ নাম উজলাই তোলা। অতি দৰিদ্ৰ পৰিয়ালৰ প্ৰাঞ্জল বসুমতাৰীৰ সপোন পূৰণ কৰিবলৈ সকলোৱে সহায়-সহয়োগিতা কৰিবলৈ ৰূপহী সংবাদ ক্লাৱে আহ্বান জনাইছে।

# কচুৱাৰ জুৰিৰপাৰত ইছলামিক এডুকেশ্বনাল কনফাৰেন্স অনুষ্ঠান সফল সামৰণি

**অসম বাৰ্তা, কচুৱা, ২৮ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱাৰ জুৰিৰপাৰত দুদিনীয়াকৈ কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা ইছলামিক এডুকেশ্বনাল কনফাৰেন্স আৰু দস্তাৰবন্দী অনুষ্ঠান যোৱা নিশা সফল সামৰণি পৰে। জুৰিৰপাৰ নুৰাণীয়া ইছলামীয়া আৰবীয়া মাদ্ৰাছাৰ উদ্যোগত অনুষ্ঠিত হৈছিল এই ইছলামিক এডুকেশ্বনাল কনফাৰেন্স সভা। সভাত উপস্থিত থকা দাৰুল উলুম আশ্বাফীয়া দেওবন্দৰ মুফতি আল্লামা ছালিম আশ্ৰাফ ন'বন্দী, বেৰিষ্টাৰ ইলিয়াছ আনচাৰী, আনোৱাৰ হুছেইন চৌধুৰী, নগাঁও এচ আৰ কে জুনিয়ৰ কলেজৰ সঞ্চালক প্ৰধান জাকিৰ হুছেইন ভূঞা, কচুৱা প্ৰেছ ক্লাবৰ সভাপতি বাহাৰুল ইছলাম, আব্দুল জববাৰ সহ বহু শিক্ষানুষ্ঠানৰ জ্যেষ্ঠ শিক্ষক, সমাজসেৱক, শিক্ষাবিদ, বিভিন্ন প্ৰান্তৰ পৰা অহা আলিম উলামা সকলক ফুলাম গামোচা, জাপিৰে আদৰণি জনাই। মৌলানা নুৰ উদ্দিনৰ সভাপতিত্বত কেইবা সহস্ৰাধিক লোক উপস্থিত থকা উক্ত অনুষ্ঠানত শৈক্ষিক দিশৰ গুৰুত্বৰ ওপৰত বহু মূল্যৱান বক্তব্য প্ৰদান কৰে আমন্ত্ৰিত সকলে। ইয়াৰ লগতে উক্ত অনুষ্ঠানত উপস্থিত হোৱা বেৰিষ্টাৰ ইলিয়াচ আনচাৰীয়ে কয় যে এই অঞ্চলৰ পৰা বহু ডাক্তৰ, ইঞ্জিনিয়াৰ, প্ৰশাসনিক বিষয়া হোৱাৰ প্ৰয়োজন আছে আৰু যুৱ প্ৰজন্মই নিচাজাতীয় দ্ৰব্য সেৱনৰ পৰা বিৰত থাকিব লাগে। উল্লেখ্য যে উক্ত মাদ্ৰাছাৰ পৰা চাৰি গৰাকী ছাত্ৰ কোৰআনৰ হাফিজ হয়।

## স্থানীয় নদী খনন কাৰ্যৰ ওপৰত আলোচনা

# ন-পুখুৰী গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত ৰাজহুৱা সভা



**অসম বাৰ্তা, গেলেকী, ২৮ ডিচেম্বৰ ঃ** গেলেকীৰ সীমান্তৱৰ্তী দৈখনা, দেনচি, নামদাং নদী খনন কাৰ্যৰ সন্দৰ্ভত ৰাজহুৱা সভা অনুষ্ঠিত হয় ন-পুখুৰী গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত। ৰাজহুৱা সভাখন আহ্বান কৰিছিল স্থানীয় কেইবাখনো গাঁৱৰ গাঁওপ্ৰধানে। উল্লেখযোগ্য যে প্ৰায় ৯ কোটি টকা ব্যয় সাপেক্ষে ওপৰত উল্লিখিত নদী কেইখনৰ খনন প্ৰক্ৰিয়া চলি আছে। কিন্তু এই খনন কাৰ্যৰ মাজতে একাংশ ঠাইত খনন কাৰ্যত কিছু প্ৰতিবন্ধকতাই দেখা দিছিল যাৰ বাবে কিছু কিছু ঠাইত নদী কেইখনৰ খনন কাৰ্য বৈ গৈছিল বা ব্যাঘাত জন্মিছিল। নদী কেইখন খনন কাৰ্যত সৃষ্টি হোৱা বাধাসমূহৰ বিষয়ে আলোচনা আৰু সমাধানৰ উদ্দেশ্যে এই ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে পাহাৰত চলা অবাধ কয়লা খননৰ ফলত সৃষ্টি হোৱা বোকা আৰু কয়লা মাটি বৈ আহি বৰ্তমান প্ৰায় পুত গৈছে উক্ত নদীকেইখন সমতল। যাৰ বাবে এই নদীৰ দাঁতি-কাষৰীয়া ৰাইজৰ লগতে গেলেকী বিভিন্ন অঞ্চলত বাৰিষা কৃত্ৰিম বানৰ সৃষ্টি হয়। প্ৰতি বছৰে এই কৃত্ৰিম বানে গেলেকীৰ ন-ন অঞ্চল সামৰি লৈছিল। বিভিন্ন সময়ত এই সমস্যাৰ সমাধানৰ বাবে দল সংগঠনৰ লগতে ৰাইজে দাবী জনাই আহিছিল। ৰাইজৰ লগতে দল সংগঠনৰ দাবীৰ প্ৰতি সঁহাৰি জনাই বৰ্তমান ৰাজ্য চৰকাৰে নদী কেইখন খননৰ বাবে প্ৰায় ৯ কোটি টকা মুকলি কৰি দিছে। বৰ্তমান নদীকেইখনৰ খননৰ কাম চলি আছে যদিও কিছু কিছু ঠাইত খনন কাৰ্যত ব্যাঘাত জন্মাৰ বাবে সমস্যাৰ সৃষ্টি হৈছিল। এই সমস্যা সমাধানৰ বাবে লগতে সম্পূৰ্ণ বৈজ্ঞানিক দৃষ্টিভংগীৰে নদী কেইখন খননৰ বাবে গেলেকীৰ ন-পুখুৰী গাঁও পঞ্চায়ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। স্থানীয় দল সংগঠনৰ লগতে ৰাইজৰ উপস্থিতিত সভাখনত নদী কেইখন বিজ্ঞানসন্মত ভাৱে খনন কৰাৰ ক্ষেত্ৰত বিভাগীয় বিষয়াক সহযোগিতা প্ৰদান কৰাৰ বাবে লগতে যি কেইটা বিষয়ৰ বাবে নদী কেইখন খননৰ বাবে প্ৰতিবন্ধকতা আহিছিল সেই সমূহ নিৰ্মূল কৰি নদী খননত সহযোগিতা প্ৰদানৰ বাবে সিদ্ধান্ত লোৱা হয়। ইয়াৰ উপৰিও নদী কেইখন খনন কাৰ্য চোৱা-চিতা কৰিবৰ বাবে এখন সমিতিও গঠন কৰা উক্ত ৰাজহুৱা সভাতে।

# গুৱাহাটীৰ জ্যোতি চিত্ৰবনত প্ৰশান্ত শইকীয়া আৰু কুসুম সোণোৱাল শইকীয়াৰ গ্ৰন্থৰ উন্মোচন




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ ডিচেম্বৰ ঃ** গ্ৰন্থমেলাৰ বতৰত অসমীয়া সাহিত্য জগতত ৰবিবাৰে চাৰিখন নতুন গ্ৰন্থ সংযোজন হয়। গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত এক সাহিত্য অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, লেখক আৰু সাহিত্যপ্ৰেমীসকলৰ উপস্থিতিত প্ৰশান্ত শইকীয়াৰ তিনিখন গ্ৰন্থ আৰু কুসুম সোণোৱাল শইকীয়াৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আৰম্ভ হোৱা সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰি আদৰণী ভাষণ আৰু উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় নুমলীগড় শোধনাগাৰৰ বিষয়া নিলয় দাসে। কলাগুৰু প্ৰেক্ষাগৃহ অনুষ্ঠানটোৰ প্ৰাৰম্ভতে বন্তি প্ৰজ্বলন কৰে পৰিয়ালৰ বয়োজ্যেষ্ঠা প্ৰতিমা শইকীয়াই আৰু প্ৰাৰ্থনা পৰিৱেশন কৰে দীপাঞ্জলি গগৈয়ে। অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল উন্মোচক হিচাপে উপস্থিত থকা বিশিষ্ট সাহিত্যিক অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামী আৰু স্তৱীয় সমালোচক, সাহিত্যাচাৰ্য ড° আনন্দ বৰমুদৈ। বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল বিশিষ্ট লেখকত্ৰয় ক্ৰমে চিত্তৰঞ্জন ওজা, জয়ন্ত কুমাৰ মান্তা, মৌচুমী বৰকটকী। এই অনুষ্ঠানত ড° বসন্তকুমাৰ গোস্বামীৰ দ্বাৰা প্ৰশান্ত শইকীয়াৰ গল্প-সংকলন 'ৰঙা বেণীৰ সাধু' আৰু প্ৰবন্ধ সংকলন 'সাহিত্য এষণা' উন্মোচন কৰা হয়। একেদৰে ড° আনন্দ বৰমুদৈৰ দ্বাৰা প্ৰশান্ত শইকীয়াৰ উপন্যাসিকা 'অপ্সৰা নহ'বা নীহাৰিকা' আৰু কুসুম সোণোৱাল শইকীয়াৰ গল্প-সংকলন 'হৃদয় বন্তি আৰু অন্যান্য অনুবাদ গল্প' উন্মোচন কৰা হয়। উন্মোচকদ্বয়ে নিজৰ ভাষণত সমকালীন অসমীয়া সাহিত্য, নতুন প্ৰজন্মৰ লেখকৰ ধাৰা আৰু সৃষ্টিশীল দায়বদ্ধতাৰ বিষয়ে গুৰুত্বপূৰ্ণ মতামত প্ৰকাশ কৰে। এই অনুষ্ঠানতে "ৰাইজে নবচালে প্ৰাইজে বচাব নোৱাৰে"। এইবুলি প্ৰথিতযশা সমালোচক ড° আনন্দ বৰমুদৈয়ে সাহিত্যৰ স্থায়িত্ব সম্পৰ্কত মন্তব্য কৰে। অনুষ্ঠানটোত গীত পৰিৱেশন কৰে পূৰবী ৰাভা আৰু নিলয় দাসে। সমজুৱাৰ ফালৰ পৰা সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ প্ৰথম মিলন সোণোৱালে সাহিত্য, সংস্কৃতি আৰু সমাজচেতনাৰ ওপৰত নিজৰ মতামত আগবঢ়ায়। শেষত শলাগৰ শৰাই আগবঢ়ায় প্ৰশান্ত শইকীয়াই।

# বাংলাদেশত হিন্দু যুৱকৰ নৃশংস হত্যাৰ বিৰুদ্ধে শিঙৰীত তীব্ৰ প্ৰতিবাদ

## ড° মহম্মদ ইউনুছৰ পুত্তলিকা দাহ



**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৮ ডিচেম্বৰ ঃ** বাঙালী পৰিষদ অসমৰ উদ্যোগত আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সহযোগত শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ বালিজানৰ সমিপত অসম মালা পথত আজি বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা ড° মহম্মদ ইউনুছৰ পুত্তলিকা দাহ কৰি তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখযোগ্য যে যোৱা ১৮ ডিচেম্বৰ ২০২৫ তাৰিখে বাংলাদেশত দীপু চন্দ্ৰ দাস নামৰ এগৰাকী নিৰীহ হিন্দু যুৱকক মিছা অপবাদ আৰোপ কৰি একাংশ মৌলবাদী ভাৱধাৰাৰ লোকে নৃশংসভাৱে প্ৰহাৰ কৰি হত্যা কৰাৰ লগতে গছত বান্ধি অগ্নিসংযোগ কৰিছিল। এইজঘন্য, অমানৱীয় আৰু বৰ্বৰ ঘটনাই সমগ্ৰ অঞ্চলটোৰ লগতে ভাৰততো গভীৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এইঘটনাৰ তীব্ৰ নিন্দা জনাই আজি বালিজানৰ সমিপত আয়োজিত পুত্তলিকা দাহ কাৰ্যসূচীত প্ৰতিবাদকাৰী সংগঠনসমূহে বাংলাদেশ চৰকাৰক কঠোৰ ভাষাত সমালোচনা কৰে আৰু দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদানৰ দাবী জনায়। লগতে সংখ্যালঘু হিন্দু সমাজৰ সুৰক্ষা নিশ্চিত কৰিবলৈ বাংলাদেশ চৰকাৰৰ পৰা দৃঢ়পদক্ষেপ গ্ৰহণৰ দাবী উত্থাপন কৰা হয়। আজিৰ উক্ত প্ৰতিবাদী কাৰ্যসূচীত বাঙালী পৰিষদ অসমৰ কেন্দ্ৰীয় নেতা বনতোষ মিত্ৰ, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতা লক্ষেশ্বৰ মিৰ্ধা, বাঙালী পৰিষদ অসমৰ শোণিতপুৰ জিলা সভাপতি শতদল চৌধুৰীৰ লগতে দুয়ো সংগঠনৰ বহু সংখ্যক নেতাকৰ্মী উপস্থিত থাকে। আজি প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ বাংলাদেশ চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দি ক্ষোভ প্ৰকাশ কৰে। ইফালে পুত্তলিকা দাহ কাৰ্যসূচীৰ খবৰ পাই পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখিবলৈ শিঙৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চমদন স্বৰ্গীয়াৰীৰ নেতৃত্বত বৃহৎ আৰক্ষী বাহিনী আৰু চিআৰপিএফৰ এটা দ'ল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীৰ তৎপৰতাত কাৰ্যসূচী শান্তিপূৰ্ণভাৱে সমাপ্ত হয়।

# সদৌ অসম কাৰাটে প্ৰতিযোগিতাত বিশেষভাৱে সক্ষম বশিষ্ঠ কলিতাৰ চমক, দুটাকৈ সোণৰ পদক অৰ্জন

**অসম বাৰ্তা, হাজো, ২৮ ডিচেম্বৰ ঃ** সদৌ অসম কাৰাটে প্ৰতিযোগিতাত বিশেষভাৱে সক্ষম খেলুৱৈ বশিষ্ঠ কলিতাৰ চমক। কামৰূপ জিলা দলক প্ৰতিনিধিত্ব কৰি হাজো বহ্নিমান কাৰাটে একাডেমীৰ খেলুৱৈ বশিষ্ঠ কলিতাই মণ্ডল আৰু ৰাজ্যিক কাৰাটে প্ৰতিযোগিতাৰ কাটা শাখাত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, অসম অলিম্পিক সন্থাৰ অধীনৰ সদৌ অসম কাৰাটে সন্থাই ৰাজ্যিক প্ৰতিযোগিতাত বিগত বৰ্ষৰ পৰা পেৰা ইভেণ্ট শাখা অন্তৰ্ভুক্ত কৰিছে। এইবেলি খানাপাৰাস্থিত গণেশ মন্দিৰ ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত ৰাজ্যিক কাৰাটে প্ৰতিযোগিতাত বিশেষভাৱে সক্ষম সকলৰ মাজত অনুষ্ঠিত পেৰা ইভেণ্ট শাখাত হাজোৰ বহ্নিমান কাৰাটে একাডেমীৰ খেলুৱৈ বশিষ্ঠ কলিতাই মণ্ডল আৰু ৰাজ্যিক উভয় শাখাত দুটাকৈ সোণৰ পদক আজুৰি আনিবলৈ সক্ষম হয়। বশিষ্ঠ কলিতা বৰ্তমান হাজো বহ্নিমান কাৰাটে একাডেমীত চেনচেই দিপাংকৰ মজুমদাৰ অধীনত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। বশিষ্ঠৰ এই সফলতাত বহ্নিমান কাৰাটে একাডেমীৰ সকলো খেলুৱৈ, অভিভাৱকৰ লগতে হাজোৰ প্ৰতিজন ক্ৰীড়াপ্ৰেমীয়ে আনন্দ প্ৰকাশ কৰিছে। আনহাতে অসম ৰাজ্যিক কাৰাটে সন্থাৰ সভাপতি তথা বিধায়ক দিগন্ত কলিতাই বশিষ্ঠৰ এই সাফল্যত খেলুৱৈ গৰাকীক বিশেষ ভাৱে অভিনন্দন জ্ঞাপন কৰে। ইফালে সদৌ অসম কাৰাটে সন্থাৰ সম্পাদক আদৰ্শ চৌধুৰীয়ে কয় যে বিশেষভাৱে সক্ষম খেলুৱৈ সকলক খেলৰ জৰিয়তে জগত জিনিবলৈ এখন মঞ্চ প্ৰদান কৰিছে সদৌ অসম কাৰাটে সন্থাই। বিশেষভাৱে সক্ষম খেলুৱৈ সকলৰ মাজত অনুষ্ঠিত এই প্ৰতিযোগিতাই আগন্তুক দিনত আৰু অধিক খেলুৱৈক কাৰাটে খেলিবলৈ উৎসাহ যোগাব। সদৌ অসম কাৰাটে সন্থাৰ এই পদক্ষেপক সকলোৱে শ'লাগ লয়।

# নগাঁও মাৰ্কাজ একাডেমীত আজমল চুপাৰ ফ'ৰটি প্ৰৱেশ পৰীক্ষাত দুশ শিক্ষাৰ্থী অৱতীৰ্ণ

## শৈক্ষিক উত্তৰণৰ অবিৰত যাত্ৰা

**অসম বাৰ্তা, বটদ্ৰৱা, ২৮ ডিচেম্বৰ** ঃ বন্ধুক তকৈ কলমৰ শক্তি বেছি! ঘৰে শিক্ষা তেতিয়াহে ৰক্ষা। শিক্ষা অবিহনে এটা জাতি মেৰুদণ্ডহীন হৈ পৰে। আজি নগাঁৰৰ হয়বৰগাঁৱত এইদৰে কয় নগাঁও মাৰ্কাজ একাডেমীৰ অধ্যক্ষ মোস্তাফা কামালে। নগাঁও মাৰ্কাজ একাডেমীত আজি অনুষ্ঠিত হয় আজমল চুপাৰ ফ'ৰটি প্ৰৱেশ পৰীক্ষা। মধ্য অসমৰ বিভিন্ন প্ৰান্তৰ ২০০ পৰীক্ষাৰ্থী অবতীৰ্ণ হয় নগাঁও মাৰ্কাজ একাডেমীত। ষষ্ঠ শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীলৈকে অনলাইন যোগে আবেদন কৰি আজি পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ সক্ষম হৈছে দুশ গৰাকী মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰী। পুৱাৰ ভাগত সমূহ পৰীক্ষাৰ্থীক উদ্দেশ্য কৰি একাডেমীৰ অধ্যক্ষ জনে কয় যে, আজমল ফ'ৰ এডুকেশ্বন আৰু এডুকেশ্বন ফ'ৰ অল। উত্তৰ পূৰ্বাঞ্চলৰ নামোজ্জল স্বেচ্ছাসেৱী সংগঠন মাৰ্কাজুল মা'ৰিফ আৰু আজমল ফাউণ্ডেশ্যনৰ জৰিয়তে আজমল পৰিয়ালে আমাৰ সমাজত এক শৈক্ষিক জাগৰণৰ সূচনা কৰিবলৈ সক্ষম হৈছে। নগাঁও মাৰ্কাজ একাডেমীকে আদি কৰি ৰাজ্য খনৰ বিভিন্ন জিলাত মুঠ ৫৩খন ইংৰাজী আৰু অসমীয়া মাধ্যমৰ ব্যতিক্ৰমী শিক্ষানুষ্ঠান চলাই আছে। তদুপৰি আজমল ৰেচিডেন্সিয়েল বিদ্যালয়, আজমল ল' কলেজ, নাজিৰ আজমল মেম'ৰিয়েল কলেজ, মৰিয়ম ছোৱালী মহাবিদ্যালয় আৰু আজমল চুপাৰ ফ'ৰটিৰ জৰিয়তে সমগ্ৰ ৰাজ্যজুৰি এক শৈক্ষিক জাগৰণৰ সৃষ্টি কৰিছে। মোক্তাৱ শিক্ষা, আৰবী শিক্ষা, ইহকাল পৰকালৰ প্ৰয়োজনীয় আধ্যাত্মিক শিক্ষাৰ লগতে প্ৰতিগৰাকী শিশুক সুনাগৰিক আৰু মানৱ সম্পদ ৰূপে গঢ় দিবলৈ আজমল ফাউণ্ডেশ্যনে দীৰ্ঘকাল ধৰি প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ ব্যতিক্ৰম নহয় নগাঁও মাৰ্কাজ একাডেমী। সম্পূৰ্ণ ইংৰাজী মাধ্যমৰ বিদ্যালয় খনে মৌলানা, হাফিজ, আলীমাৰ লগতে উচ্চ ডিগ্ৰী ধাৰী প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ জৰিয়তে ২০১৮ চনৰে পৰাই নগাঁও জিলাৰ সোণাইঘাট চলচলিত চলি আছে নগাওঁ মাৰ্কাজ একাডেমী নামৰ শিক্ষানুষ্ঠান খন। আজি চুপাৰ ফ'ৰটি পৰীক্ষাৰ বাবে নগাঁও মাৰ্কাজ একাডেমীৰ চৌহদত সহস্ৰাধিক অভিভাৱক অভিভাৱিকা আৰু শিক্ষাৰ্থী সকলে আহি ভিৰ কৰা পৰিলক্ষিত হৈছে। নিজৰ ভৱিষ্যতৰ সপোন একমাত্ৰ সন্তানক উচ্চ শিক্ষাৰ জৰিয়তে প্ৰকৃত মানৱ সম্পদ সৃষ্টি কৰাৰ মানসেৰে আজমল চুপাৰ ফ'ৰটি পৰীক্ষাত অৱতীৰ্ণ কৰাবলৈ হিল দ'ল ভাঙি ওলাই আহিছে সহস্ৰাধিক অভিভাৱক অভিভাৱিকা। সাম্প্ৰতিক সমাজ ব্যৱস্থাত শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত নিশ্চিত ভাৱে এয়া এক আশাব্যঞ্জক বাতৰি। আজি নগাওঁ মাৰ্কাজ একাডেমীত অনুষ্ঠিত হোৱা আজমল চুপাৰ ফ'ৰটি প্ৰৱেশ পৰীক্ষা চলি থকাৰ সময়তে স্থানীয় হয়বৰগাঁও প্ৰেছ ক্লাবৰ সাংবাদিকৰ আগত নিজৰ মন্তব্য প্ৰকাশ কৰি একাডেমীৰ পৰিচালন সঞ্চালক মহম্মদ জাকাৰিয়াই কয়, আজমল চুপাৰ ফ'ৰটিৰ জৰিয়তে গ্ৰাম্য অঞ্চলৰ বহু মেধা সম্পন্ন ছাত্ৰ ছাত্ৰীৰ কপাল ফুলিছে। বহুতে চিকিৎসক, অভিযন্তা বা অন্যান্য উচ্চ শিক্ষাৰ বাট বিচাৰি পাবলৈ সক্ষম হৈছে। জাকাৰিয়াই নগাঁও মাৰ্কাজত আজমল চুপাৰ ফ'ৰটি প্ৰৱেশ পৰীক্ষাৰ চেণ্টাৰ দিয়াৰ বাবে আজমল ফাউণ্ডেশ্যনক ধন্যবাদ জ্ঞাপন কৰিছে। ইফালে সোণাইঘাট চলচলিত অৱস্থিত জিনিয়াছ একাডেমী চিনিয়ৰ চেকেণ্ডেৰী স্কুলতো আজি আজমল চুপাৰ ফ'ৰটি প্ৰৱেশ পৰীক্ষাত প্ৰায় ডেৰশ ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে বুলি শিক্ষানুষ্ঠানটিৰ অধ্যক্ষ মোজাক্কিৰ হোছেইনে জানিবলৈ দিছে। আজি দুয়োখন শিক্ষানুষ্ঠানত আজমল চুপাৰ ফ'ৰটি প্ৰৱেশ পৰীক্ষা সুকলমে হৈছে বুলি আজমল ফাউণ্ডেশ্যনৰ সঞ্চালক ড° খছৰুল ইছলামে জনাইছে।

# বহিৰাগতৰ অসমত দপদপনি চলি থকাৰ বাবে মুখ্যমন্ত্ৰীয়ে অচিনাকি শব্দ ব্যৱহাৰ কৰিছেঃ আকাশ দলে

# তিনিচুকীয়াত মিঞাই আগ্ৰাসন চলোৱা নাই, আগ্ৰাসন চলাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিহাৰী, মাৰোৱাৰী, পাঞ্জাৰীসকলে




**অসম বাৰ্তা, কোকিলা, ২৮ ডিচেম্বৰ** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমত বিহাৰী, মাৰোৱাৰী, পাঞ্জাৰীৰ দপদপনি চলি থকাৰ ইছু ডাইভাৰ্ট কৰাৰ বাবে অচিনাকি মানুহ কৈ ইসু ডাইভাৰ্ট কৰাৰ চেষ্টা কৰিছে বুলি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক আকাশ দলে উল্লেখ কৰে। বঙাইগাওঁ জিলাৰ মাণিকপুৰ শিল্পী সংগত আজি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক আকাশ দলে সংবাদমেল সম্বোধন কৰে। সংবাদমেলত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ কৰে আকাশ দলে। তিনিচুকীয়াত মিঞাই আগ্ৰাসন চলোৱা বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰাৰ পিছতেই মুখ্যমন্ত্ৰীক উভতি ধৰে আকাশ দলে। তিনিচুকীয়া চহৰত মিঞা মুছলমানৰ আগ্ৰাসন নাই বুলি কৈ তিনিচুকীয়াৰ মাটিৰ মালিক হিমন্ত বিশ্ব শৰ্মাৰ পৰিয়াল আৰু বিহাৰী, মাৰোৱাৰী আৰু পাঞ্জাৰীলকল বুলি উল্লেখ কৰে। তিনিচুকীয়াৰ মুল চহৰৰ ওচৰত মুখ্যমন্ত্ৰীৰ দুটা বৃহৎ চাহ বাগান আছে। চানমাৰি চাহ বাগান আৰু শুকান পুখুৰী চাহ বাগানৰ মালিক ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰিয়াল বুলি উল্লেখ কৰে। মাজুলী, গুৱাহাটীৰ বিভিন্ন ঠাইৰ লগতে অসমৰ প্ৰায় সকলো ঠাইত মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ মাটি আছে বুলি উল্লেখ কৰে দলে। তিনিচুকীয়াত অসমীয়াক মাৰপিট কৰা বহিৰাগত বুলি দলে কয়। মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ পৰ্বতসম সম্পত্তিৰ তথ্য লুকাবলৈ আৰু সমান্তৰাল ভাৱে বহিৰাগত বিহাৰী, মাৰোৱাৰী, পাঞ্জাৰী আৰু বঙালী সকলৰ আগ্ৰাসন লুকাবলৈ এনেধৰণৰ মন্তব্য কৰা বুলি উল্লেখ কৰে। আদানী, আম্বাণী, ৰামদেৱ মাটি দিয়া আৰু বহিৰাগত বিহাৰী, বঙালী আৰু মাৰোৱাৰী সকলক ৰক্ষনা বেক্ষন দিয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে মোগলৰ শেষ ৰণ বুলি কৈ আছে। ২০১৪ চনৰ পৰা মোগলৰ ৰণ কেতিয়া শেষ হ'ব তাৰ উত্তৰ অসমবাসীয়ে জানিব বিচাৰে বুলি কয়। মুখ্যমন্ত্ৰীয়ে অসমৰ খিলঞ্জীয়া লোকৰ বিৰুদ্ধে গৈ বহিৰাগত সকলৰ ওচৰত আঁঠু কাঢ়িছে বুলিও কয়। অসমৰ আটাইতকৈ পুৰণি জনগোষ্ঠী কাৰ্বি সকলক হুমকি দিয়া আৰু গোবেগ দিয়া বিহাৰী সকলক ৰক্ষনা বেক্ষন দিছে মুখ্যমন্ত্ৰীয়ে। বিহাৰী, মাৰোৱাৰী, বঙালী সকল হৈছে বিজেপিৰ ভোট বেংক। সেই কাৰণে তেওঁলোকক ৰক্ষনাবেক্ষন দিবলৈ মুখ্যমন্ত্ৰীয়ে অসমবাসীক বিপথে পৰিচালিত কৰিবলৈ চেষ্টা কৰি আছে। সংবাদমেলত মুখ্যমন্ত্ৰীৰ বিশাল সম্পত্তিৰ পাহাৰৰ তথ্য দাঙি ধৰে আকাশ দলে। আনহাতে মুছলমানসকলক উচ্ছেদ কৰি সেই মাটি আদৱানি, আম্ভানী, ৰামদেৱক দিছে। বাঘহাজৰিকা আৰু আজান ফকিৰৰ ইতিহাস অসম বুৰঞ্জীত আছে, ইয়াক কোনেও নুই কৰিব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে খিলঞ্জীয়াৰ স্বাৰ্থৰ বিপৰীতে গৈ মিঞা ইসু সৃষ্টি কৰি পুনৰ ক্ষমতাত অহাৰ চেষ্টা কৰি আছে, সেয়ে অসমবাসীয়ে সেই কথা জনা উচিত বুলি সংবাদমেলত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক আকাশ দলে কয়।

# মাজুলী দ্বীপ সুৰক্ষা আৰু উন্নয়ন পৰিষদৰ ৰাজ্য সভাৰ সাংসদ ৰঞ্জন গগৈক সাক্ষাৎ



**অসম বাৰ্তা, উজনী মাজুলী, ২৮ ডিচেম্বৰ** ঃ ২৬ ডিচেম্বৰঃ মাজুলী দ্বীপ সুৰক্ষা আৰু উন্নয়ন পৰিষদৰ এটা প্ৰতিনিধি দলে ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ অতিথি শালাত আজি ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ অসম বৈভৱ তথা ৰাজ্য সভাৰ সাংসদ ৰঞ্জন গগৈক সাক্ষাৎ কৰি মাজুলীৰ আৰ্থসামাজিক উন্নয়ন আৰু সাংস্কৃতিক ঐতিহ্য সম্পৰ্কে ইউনেস্কো পৰা স্বীকৃতি লাভৰ সম্পৰ্কত আলোচনা কৰে। লগতে মাজুলী দ্বীপ সুৰক্ষা আৰু উন্নয়ন পৰিষদৰ সভাপতি জগত হাজৰিকা কাৰ্যকৰী সভাপতি ভৰেন কাকতি আৰু সম্পাদক সমীৰণ গোস্বামী স্বাক্ষৰিত এখনি সম্বৰ্ধনা পত্ৰৰে অসম গৌৰৱ ৰঞ্জন গগৈক সম্বৰ্ধনা জনায়। ইয়াৰ লগতে এখনি বেতৰ বিচনী চেলেং চাদৰ আৰু গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। আলোচনাৰ সময়ত ৰাজ্য সভাৰ সাংসদ গৰাকীয়ে পৰৱৰ্তী সময়ত প্ৰতিনিধি দলটোক তেখেতৰ গুৱাহাটী আবাস গৃহলৈ আমন্ত্ৰণ জনায় এই সন্দৰ্ভত বিতং আলোচনা কৰি আৱশ্যকীয় ব্যৱস্থা কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। প্ৰতিনিধি দলটোত আছিল মাজুলী দ্বীপ সুৰক্ষা আৰু উন্নয়ন পৰিষদৰ উপদেষ্টা ঘন কান্তনাথ, ড° আনন্দ হাজৰিকা ৰেনুমালা দত্ত, যুগল হাজৰিকা কোষাধক্ষ ব্ৰজেন গাম, সভাপতি জগত হাজৰিকা, কাৰ্যকৰী সভাপতি ভৰেন কাকতি উপস্থিত থাকে।

# বিজনীত স্বামী গৃহৰ শাৰীৰিক-মানসিক নিৰ্যাতন বলি এগৰাকী বোৱাৰী

**অসম বাৰ্তা, বিজনী, ২৮ ডিচেম্বৰ** ঃ চিৰাং জিলাৰ বিজনীত স্বামী গৃহৰ শাৰীৰিক-মানসিক নিৰ্যাতন বলি এগৰাকী বোৱাৰী। ছাহিনুৰ ইছলামগ্ধনামৰ এগৰাকী ২০ বছৰীয়া বোৱাৰীক বিষপাণ কৰোৱাৰ ফলত অৱশেষত সকৰুণভাৱে মৃত্যুক আঁকোৱালি ল'বলগীয়া হোৱাৰ এক ঘটনা সম্প্ৰতি পোহৰলৈ আহিছে। বোৱাৰী গৰাকীৰ পিতৃ গৃহৰ এজাহাৰৰ ভিত্তিত বিজনী থানাৰ আৰক্ষীয়ে অৱশেষত স্বামী খাইৰুল হুছেইন আৰু শহুৰ হাবিবুল ইছলামক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় যদিও শাহু সম্প্ৰতি পলাতক হৈ আছে। উল্লেখ্য চিৰাং জিলাৰ সোণাইখলা নিৱাসী ছাহিনুৰ ইছলামৰ চলিত বৰ্ষৰ ৭ ফেব্ৰুৱাৰীত বিজনীৰ দতুৰী নিৱাসী খাইৰুল হুছেইনৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়। পৰৱৰ্তী সময়ত যৌতুক বিচাৰি স্বামী খাইৰুল, শাহুৱেক কদভানু বেগম আৰু শহুৰ হাবিবুল ইছলামে ছাহিনুৰক বিভিন্ন ধৰণে মানসিক আৰু শাৰীৰিকভাৱে নিৰ্যাতন কৰা বুলি বোৱাৰী গৰাকীৰ পিতৃ গৃহৰ পৰিয়ালৰ লোকে অভিযোগ উত্থাপন কৰে। বোৱাৰী গৰাকীৰ পিতৃ গৃহৰ অভিযোগ অনুসৰি যোৱা ২১ ডিচেম্বৰত ছাহিনুৰক স্বামী গৃহৰ পৰিয়ালৰ লোকে বিষ পান কৰোৱাইছিল। অৱশেষত বঙাইগাঁৱৰ এখন ব্যক্তিগত খণ্ডৰ হাস্পতালত শনিবাৰে চিকিৎসাধীন অৱস্থাত বোৱাৰী গৰাকীৰ মৃত্যু হয়। ঘটনা সন্দৰ্ভত বোৱাৰী গৰাকীৰ পিতৃ গৃহৰ এজাহাৰৰ ভিত্তিত বিজনী থানাৰ আৰক্ষীয়ে স্বামী খাইৰুল হুছেইন আৰু শহুৰ হাবিবুল ইছলামক গ্ৰেপ্তাৰ কৰি বিজনী থানালৈ লৈ আহে।

# নৰ্থ ইষ্ট জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থাৰ ৯ তম্ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, মাণিকপুৰ, ২৮ ডিচেম্বৰ** ঃ নৰ্থ ইষ্ট জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থাৰ বৰপেটা জিলা সমিতিৰ উদ্যোগত নৰ্থ ইষ্ট জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সংস্থাৰ ৯ম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস দেওবাৰে দিনযোৰা কাৰ্যসূচীৰে বৰপেটা ৰোডস্থিত ৰামুনজন একাডেমীৰ প্ৰাংগণত অতি উৎসাহ-উদ্দীপনাৰে উদ্‌যাপন কৰা হয়। উক্ত কাৰ্যসূচীৰ আৰম্ভণি পুৱা ৯-৩০ বজাত পতাকা উত্তোলনৰ জৰিয়তে কৰা হয়। পতাকা উত্তোলনৰ কৰে নৰ্থ ইষ্ট জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থাৰ কেন্দ্ৰীয় সভাপতি ৰাস্নামনি গগৈ, কেন্দ্ৰীয় কাৰ্যবাহী সভাপতি তথা আমাৰ অসম বাৰ্তা বাতৰি কাকতৰ মাণিকপুৰৰ সংবাদাতা কুৰবান আলী আহমেদ আৰু বৰপেটা জিলা সভাপতি ইলিয়াছ হুছেইনে। পিছতে সংস্থাৰ আদৰ্শ আৰু লক্ষ্যৰ প্ৰতি শ্ৰদ্ধা জনাই সকলো সদস্যই সংগঠনৰ একতা আৰু দায়িত্ববোধ অটুট ৰাখিবলৈ সংকল্প গ্ৰহণ কৰে। ইয়াৰ পিছতে পৰিৱেশ সুৰক্ষাৰ প্ৰতি সচেতনতা বৃদ্ধি কৰাৰ উদ্দেশ্যে এখন গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। পুৱা ৯-৪৫ বজাত কৰ্তব্য পালনকালত প্ৰাণ আহুতি দিয়া সাংবাদিকসকলৰ, জুবিন গাৰ্গ, আৰু স্বহীদ সকলোৰ স্মৃতিত এখন শ্ৰদ্ধাঞ্জলি আৰু স্মৃতি সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত উপস্থিত থকা সকলোয়ে ১ মিনিট মৌনব্ৰত পালন কৰা হয়। বক্তাসকলে কয় যে সাংবাদিকসকলৰ এই ত্যাগ সদায় সমাজৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব। পুৱা ১১ঃ৩০ বজাত নৰশক্তি মহাবিদ্যালয় মুৰব্বী অধ্যাপক ছফিকুল ইছলামৰ পৌৰহিত্বতত অনুষ্ঠিত হোৱা মুকলি সভাত বহু গণ্যমান্য ব্যক্তি, জ্যেষ্ঠ সাংবাদিক, শিক্ষাবিদ, সাহিত্যিক আৰু সমাজকৰ্মীয়ে অংশগ্ৰহণ কৰে। সভাত বক্তাসকলে সাংবাদিকতাৰ নৈতিকতা, তথ্যৰ সত্যতা, ডিজিটেল মিডিয়াৰ দায়িত্বশীল ব্যৱহাৰ আৰু বৰ্তমান সময়ত সাংবাদিকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহৰ ওপৰত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। লগতে সমাজ গঠনত সংবাদ মাধ্যমৰ ভূমিকা আৰু দায়িত্ব সম্পৰ্কে বিস্তৃত আলোচনা কৰা হয়। ইয়াৰ উপৰিও পুৱা ১০ বজাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখন 'ক' শাখা আৰু 'খ' শাখাত বিভক্ত কৰি আয়োজন কৰা হৈছিল। এই প্ৰতিযোগিতাৰ জৰিয়তে শিশুসকলৰ সৃজনশীলতা বিকাশ আৰু সামাজিক বিষয়ৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ প্ৰচেষ্টা কৰা হয়। পুৱা আবেলি ১টা বজাত অনুষ্ঠিত হোৱা সাধাৰণ সভা আৰু সম্বৰ্ধনা অনুষ্ঠানত সাংবাদিকতা, শিক্ষা, সমাজসেৱা আদি বিভিন্ন ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা ব্যক্তি আৰু জ্যেষ্ঠ সাংবাদিকসকলক ফুলাম গামোছা আৰু স্মাৰক চিহ্নৰে সম্বৰ্ধনা জনোৱা হয়। বক্তাসকলে সম্বৰ্ধিত ব্যক্তিসকলৰ অৱদানৰ বিষয়ে উল্লেখ কৰি তেওঁলোকৰ পৰা আগন্তুক প্ৰজন্মে অনুপ্ৰেৰণা ল'ব বুলি মন্তব্য কৰে। উক্ত অনুষ্ঠানত বহু বিশিষ্ট অতিথি, সম্পাদক, সাংবাদিক, শিক্ষাবিদ আৰু বিভিন্ন সংগঠনৰ প্ৰতিনিধিসকলে উপস্থিত থাকি অনুষ্ঠানৰ মৰ্যাদা বৃদ্ধি কৰে। সকলো অংশগ্ৰহণকাৰীৰ সক্ৰিয় সহযোগিতাৰ ফলস্বৰূপে অনুষ্ঠানটো সফলভাৱে সম্পন্ন হয়। সাৰ্বিকভাৱে নৰ্থ ইষ্ট জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সংস্থাৰ বৰপেটা জিলা সমিতিৰ এই ৯ম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন অনুষ্ঠান সাংবাদিকতা আৰু সমাজৰ মাজত এক শক্তিশালী সম্পৰ্ক গঢ়ি তোলাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হয়।

## সাংস্কৃতিক শোভাযাত্ৰাই মুহিলে ৰাইজক

# কল্যাণী বাল্য ভৱনৰ ৰূপালী জয়ন্তী

**অসম বাৰ্তা, যোৰহাট, ২৮ ডিচেম্বৰ** ঃ অসমীয়া সংস্কৃতিৰ বৰ্ণাঢ্য প্ৰতিফলন ঘটাই কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ৰূপালী জয়ন্তী উপলক্ষে উলিওৱা আজিৰ আকৰ্ষণীয় সাংস্কৃতিক শোভাযাত্ৰাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। ৰূপালী জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ আজি দ্বিতীয় দিনা উলিওৱা এই শোভাযাত্ৰাত নামঘৰ, ৰংঘৰ, বিয়াৰ পৰম্পৰা, সাতভনী, নৃসিংহৰ মুখা, ঝুমুৰ আদিৰ সমাহাৰ হয়। গাঁও পঞ্চায়তৰ সভাপতি প্ৰসন্ন কলিতাই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত শোভাযাত্ৰা উদ্বোধন কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী ভাওনা মহীয়ান ত্ৰিলোক বৰাই। ইয়াৰ পাছতে ৰাষ্ট্ৰীয় শিক্ষা নীতি -২০২০ঃ মাধ্যমিক স্তৰত প্ৰয়োগ আৰু পৰিকল্পনা বিষয়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° যোগেন কলিতাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰ উদ্বোধন কৰে বাহনা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° চেনিৰাম দত্তই। আলোচনাচক্ৰৰ আলোচক ৰূপে অংশ গ্ৰহণ কৰি ডিফু আৰু তিতাবৰ ডায়েটৰ অধ্যাপকদ্বয় ৰাজু বৰুৱা, ড° মৌচুমী বৰুৱাই ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ত্বাতিক, বাস্তৱিক আৰু বিশ্লেষণমূলক ব্যাখ্যা কৰে। অনুষ্ঠানৰ আৰম্ভণিতে হেমেন কুমাৰ শইকীয়াৰ সম্পাদনাত ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ কল্যাণী - ৰূপালীম উন্মোচন কৰে কবি তথা বিশিষ্ট সমাজকৰ্মী ড° পৰাণ বৰুৱাই। আৰম্ভণিতে বিদ্যালয়ৰ ছাত্ৰী - শিক্ষয়িত্ৰীসকলে শিক্ষয়িত্ৰী নিমিশা দত্তৰ পৰিচালনাত অনাতঁাৰ শিল্পী নীলকান্ত শইকীয়াৰ ৰচিত বিদ্যালয় সংগীত পৰিৱেশন কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° হেমেন শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা আৰু সম্পাদক ড° অচ্যুৎ দত্তই আঁত ধৰা অনুষ্ঠানত উদযাপন সমিতিৰ সভাপতি নুৰুজ জামান, বিদ্যালয়ৰ অধ্যক্ষা বিশ্বজিতা বৰপুজাৰী উপস্থিত থাকে। নিশাৰ সাংস্কৃতিক সন্মিলন উদ্বোধন কৰে সমাজকৰ্মী ৰঞ্জিত বৰুৱাই।

# পিএম শ্ৰী শিঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় বঁটা বিতৰণী সভা



**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৮ ডিচেম্বৰ** ঃ শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি শিক্ষা খণ্ডৰ অন্তৰ্গত শিঙৰী অঞ্চলৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান পিএম শ্ৰী শিঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চলিত বৰ্ষৰ বিদ্যালয় সপ্তাহ সফলতাৰে অনুষ্ঠিত হয়। আজি অন্তিম দিনাৰ কাৰ্যসূচীত বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। দিনৰ ১১ বজাত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি সুৰেন্দ্ৰ খনালৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক গংগা বাহাদুৰ ছেত্ৰীয়ে। সভাত বিদ্যালয়ৰ অধ্যক্ষ হোম বাহাদুৰ খৰ্কাই বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে। সভাত এদল ছাত্ৰ-ছাত্ৰীয়ে সমবেত সংগীত পৰিৱেশন কৰাৰ লগতে কেবাজনো বিদ্যাৰ্থীয়ে গীত-নৃত্য পৰিৱেশন কৰে। শিক্ষক তেজ বাহাদুৰ ছেত্ৰীয়ে আঁতধৰা সভাত ঢেকীয়াজুলি খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ সমল ব্যক্তি চিত্ৰলেখা দেৱী, অনিৰুদ্ধ পাল, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি দেৱেন্দ্ৰ শৰ্মা, শিক্ষক মিলন দত্ত, বিৰাজ বৰুৱা, বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা জ্যেষ্ঠ সাংবাদিক নাৰায়ণ ফয়েল উপস্থিত থাকে। বঁটা বিতৰণী সভাখন পৰিচালনা কৰাত শিক্ষক গংগা বাহাদুৰ ছেত্ৰী, কংকনা বৰা, জোনালী ডেকাই সহযোগ কৰে। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰ পিছত সভাখন অন্ত পৰে। উক্ত অনুষ্ঠানতে বন্ধু বিদ্যালয়ৰ কাৰ্যসূচীৰ বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়।

# ডিব্ৰুগড়ত চৰকাৰী পেঞ্চনাৰ সন্থাৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিবেশন ৩০ ডিচেম্বৰত

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ ডিচেম্বৰ** ঃ চৰকাৰী পেঞ্চনাৰ সন্থা অসম, ডিব্ৰুগড় শাখাৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিবেশন আৰু সাধাৰণ সভাখন অহা ইংৰাজী মঙ্গলবাৰে দিনযোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। শাখাৰ সভাপতি, ভীম বাহাদুৰ ছেত্ৰীয়ে পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব লগা অনুষ্ঠানত শ্বহীদ তৰ্পণ কৰিব উপ সভাপতি দিলীপ কুমাৰ দাস, সাধাৰণ সভাখন উদ্বোধন কৰিব, উপদেষ্টা ভুৱন মোহন দাসে। এই সভাতেই আগন্তক দুবছৰ কাৰ্য্যকালৰ বাবে, এখন নতুন সমিতি সাধাৰণ সভাই নিৰ্ব্বাচিত কৰিব। ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলত থকা চৰকাৰী পেঞ্চনাৰ সন্থা সদস্য আৰু সদস্যা সকলক অহা ৩০ ডিচেম্বৰৰ দিনা সময় মতে উপস্থিত থাকিবলৈ পেঞ্চন সন্থৰ সম্পাদক মৃদুল শৰ্ম্মাই অনুৰোধ জনাইছে।

# 'অসম বাৰ্তা কাকত'ৰ গেলেকীৰ সাংবাদিক ৱাহিদ আলীলৈ "সংবাদজ্যোতি" বঁটা

**অসম বাৰ্তা, গেলেকী, ২৭ ডিচেম্বৰ** ঃ অসম বাৰ্তা কাকতৰ নিয়মীয়া সাংবাদিক তথা গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৱাহিদ আলীলৈ শিৱসাগৰ জিলা সাহিত্য সভাৰ "সংবাদজ্যোতি" বঁটা আগবঢ়োৱা হৈছে। অহা ইংৰাজী ৪ আৰু ৫ তাৰিখে ডিমৌত অনুষ্ঠিত হ'ব লগীয়া শিৱসাগৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনত এই বঁটা প্ৰদান কৰা হ'ব ৱাহিদ আলীক। উল্লেখযোগ্য যে বিগত কেইবাবছৰো ধৰি গেলেকী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ সামাজিক জীৱনৰ লগত জড়িত প্ৰতিটো দিশৰে বাতৰি কৰাৰ লগতে বহু সামাজিক সমস্যাৰ সমাধানৰ ক্ষেত্ৰত সংবাদ পৰিৱেশ কৰি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে ৱাহিদ আলীয়ে। লগতে কেইবাটাও বেচৰকাৰী সংস্থাৰ লগত জড়িত হৈ সমাজৰ পিছপৰা লোকৰ বাবে কাম কৰি আহিছে ৱাহিদ আলীয়ে। ইয়াৰ উপৰিও যুৱ প্ৰজন্মক বিভিন্ন ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত কৰিবলৈ বিভিন্ন সময়ত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে আনকো উৎসাহিত কৰি আহিছে যুৱ সাংবাদিকজনে।

# বৰক্ষেত্ৰীৰ কাপলাবড়ীত 'এজনী পতিতাৰ আত্মকথা' আৰু 'অন্তিম আশীৰ্বাদ' শীৰ্ষক দুখনকৈ গ্ৰন্থৰ উন্মোচন




**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৮ ডিচেম্বৰ** ঃ নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত কাপলাবড়ীৰ বনপুৰাস্থিত 'একাডেমী অফ ইডুকেশ্বন'ত আজি ২৮ ডিচেম্বৰত বৰক্ষেত্ৰীৰ সৰ্ববৰহী লেখক ওমৰ আলী চৌধুৰীৰ দ্বাৰা ৰচিত গল্প সংকলন "এজনী পতিতাৰ আত্মকথা" আৰু উপন্যাস "অন্তিম আশীৰ্বাদ" শীৰ্ষক দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। আজি ৰবিবাৰে দিনৰ ১১ বজাত কাপলাবড়ী-বনপুৰাস্থিত নেশ্যনেল একাডেমী অফ এডুকেশ্বনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ উন্মোচনী সভাত গ্ৰন্থ দুখন উন্মোচন কৰে মেন্দিপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ কমল দাস আৰু প্ৰগতিশীল লেখক পৰীক্ষিত বৈশ্যই। উক্ত উন্মোচনী সভাখন কালদি গোপালথান হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন দাসৰ সভাপতিত্বত অনুষ্ঠিত হয়। গ্ৰন্থ উন্মোচনী সভাখনত উপস্থিত থাকে নেচনেল একাডেমী অৱ এডুকেশ্বনৰ অধ্যক্ষ ভুৱনেশ্বৰ নাথ, বিৰিণা গোষ্ঠী অসমৰ প্ৰতিষ্ঠাপক সভাপতি লীলাধৰ পাঠক, পেৰাধৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আবুবক্কৰ ছিদ্দিক, কালদি গোপালথান হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক মকছেদুল ইছলাম প্ৰমুখ্যে ভালেমান বিশিষ্ট লোক। উল্লেখ্য ১৯৬৮ চনৰ ২৯ ফেব্ৰুৱাৰীত নলবাৰী জিলাৰ মুকালমুৱা আৰক্ষী থানাৰ অন্তৰ্গত ভেলাখাইটি গাঁৱত জন্ম গ্ৰহণ কৰা ওমৰ আলী চৌধুৰী পেছাত এগৰাকী অধিবক্তা। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে, 'আমাৰ প্ৰকৃত শত্ৰুক চিনাক্ত কৰাৰ এয়াই উপযুক্ত সময়(ৰাজনৈতিক)', 'ভাৰতবৰ্ষত যীশুখ্ৰীষ্ট', 'অসমৰ জাতীয় ভাষা আৰু অস্তিত্বৰ সংকট', 'যৌন অপৰাধ সমস্যা আৰু সমাধান', 'মিঞা দৰ্পণ', 'মিঞাসকলৰ ঐতিহাসিক দস্তাবেজ', 'সিন্ধুৰ পৰা লৌহিত্যলৈ' আদি। ভাষণ প্ৰসংগত লেখক চৌধুৰীয়ে কয়, "সাহিত্য সত্য কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত, কিন্তু তাত কাল্পনিকতা থাকিব লাগিব, কিন্তু বাস্তৱিক হ'ব লাগিব, বাস্তৱ সমাজ জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হ'ব লাগিব।' উল্লেখ্য যে বাস্তৱ সমাজ জীৱনৰ প্ৰতিচ্ছবিৰ আধাৰত ৰচিত গ্ৰন্থ দুখন পাঠক সমাজে আঁকোৱালি ল'ব বুলি আশা প্ৰকাশ কৰিছে লেখক ওমৰ আলী চৌধুৰীয়ে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন